পল্লৱহঁতৰ বিদ্যালয়ত এখন ফুলনি বাগিচা আছে। বাগিচাত বিভিন্ন ধৰণৰ ফুল আছে। সিহঁত সকলোৱে মিলি ফুলনি বাগিচাখন চোৱা-চিতা কৰে।

**কাৰ্য নং-১০**

**কথা পাতোঁ আৰু লিখোঁ আহা—**

(ক) কাৰ বিদ্যালয়ত ফুলনি বাগিচা আছে?

উত্তৰঃ- ..........................................................................

(খ ) কেইবিধ মান গোন্ধ থকা ফুলৰ নাম কোৱা।

উত্তৰঃ- ..........................................................................

(গ) তুমি কেতিয়াবা ফুলৰ পুলি ৰুইছানে? তোমাৰ কি কি ফুল ভাল লাগে?

উত্তৰঃ- ..........................................................................

**কাৰ্য নং-১১**

**শব্দ সাজোঁ আহা—**

| গো | ব | সুগ |
|---|---|---|
| | ন্ধ | |
| | | |

**কাৰ্য নং-১২**

**এবিধ ফুলৰ ছবি আঁকি ফুলটোৰ বিষয়ে তিনিটা বাক্য লিখোঁ আহা—**

..................................................

..................................................

..................................................

নির্দেশনা ঃ-

● শিক্ষকে 'স্তু' আৰু 'ষ্ম' যুক্তাক্ষৰ দুটাৰ পুনৰ অনুশীলনৰ বাবে তলৰ ক্ৰিয়া-কলাপসমূহ কৰাব।

**কাৰ্য নং-১৩**

পঢ়োঁ আহা—

এবছৰত ছয়টা ঋতু। গ্ৰীষ্ম ঋতুত আমি বিভিন্ন ফল-মূল পাওঁ। বৰ্ষা ঋতুত কৃষি কাৰ্য কৰা হয়। শৰৎ ঋতুত বিবিধ ফুল ফুলে। হেমন্ত ঋতুত নিয়ৰ, কুঁৱলী পৰে। শীত ঋতুত গছৰ পাত সৰে। বসন্ত ঋতুত গছত কুঁহিপাত ওলায়।

**কাৰ্য নং-১৪**

কথা পাতোঁ আৰু লিখোঁ আহা—

(ক) কোনটো ঋতুত আমি বেছিকৈ ফল-মূল খাবলৈ পাওঁ?

উত্তৰঃ- ..........................................................................................

(খ) এবছৰত কেইটা ঋতু?

উত্তৰঃ- ..........................................................................................

(গ) বৰ্ষা ঋতুত তোমাৰ চৌপাশৰ পৰিৱেশ কেনেকুৱা হয় আৰু তুমি কি কি কৰা?

উত্তৰঃ- ..........................................................................................

**কাৰ্য নং-১৫**

দফাটোৰ পৰা ঋতু কেইটাৰ নামবোৰ বাছি লিখোঁ আহা—

| | | | | | |
|---|---|---|---|---|---|
| | | | | | |

**কাৰ্য নং-১৬**

শব্দবোৰ পঢ়োঁ আৰু লিখোঁ আহা—

| বস্তু | প্ৰস্তুত | কস্তুৰী | উষ্ম |
|---|---|---|---|
| | | | |

...................

নির্দেশনা ঃ-

- শিক্ষকে 'ন্ত' আৰু 'ন্ন' যুক্তাক্ষৰ দুটাৰ পুনৰ অনুশীলনৰ বাবে তলৰ ক্রিয়া-কলাপসমূহ কৰাব।
- শিক্ষকে ছাত্র-ছাত্রীক আগদিনাৰ দফাটো গাইগুটিয়াকৈ পঢ়িবলৈ দিব।

**কার্য নং-১৭**

**পঢ়োঁ আহা —**

প্রসন্ন প্রকৃতিপ্রেমী। সি গছ-গছনি খুব ভাল পায়। সিহঁতৰ বিদ্যালয়ৰ চৌপাশে বিভিন্ন ধৰণৰ গছ-গছনি আছে। বসন্ত ঋতু প্রসন্নৰ বৰ প্রিয়। কাৰণ বসন্ত ঋতুত বিভিন্ন ফুল ফুলে।

**কার্য নং-১৮**

**কথা পাতোঁ আৰু লিখোঁ আহা—**

(ক) প্রসন্নই কি ভালপায়?

উত্তৰঃ- ..........................................................................

(খ) কোনটো ঋতু প্রসন্নৰ প্রিয়?

উত্তৰঃ- ..........................................................................

(গ) বসন্ত ঋতুত ফুলা কেইটামান ফুলৰ নাম কোৱা আৰু লিখা।

উত্তৰঃ- ..........................................................................

**কার্য নং-১৯**

**আজৰি সময়ত কৰা কামবোৰ বাকচবোৰত লিখোঁ আহা—**



সপ্তাহ-৭
দিন- ৬
DD/MM/YYYY

নিদানমূলক

নিৰ্দেশনা ঃ-
- শিক্ষকে সপ্তাহটোৰ ক্ৰিয়া-কলাপসমূহৰ পুনৰ অনুশীলন কৰাব ।
- শিক্ষকে শিক্ষাৰ্থীৰ শিকন পৰ্যায়ৰ ভিত্তিত অতিৰিক্ত কাৰ্য কৰাব।

**কাৰ্য নং-২০**

পঢ়োঁ আহা—

ডাৱৰৰ পৰা বৰষুণ হয়। বাৰিষা কালত বৰষুণ বেছিকৈ হ'লে কেতিয়াবা বানপানী হয়। বানপানী হ'লে ঘৰ-দুৱাৰ, জীৱ-জন্তু, শস্য আদি নষ্ট হয়। বিদ্যালয়ৰ চৌহদত বানপানী হ'লে বিদ্যালয় বন্ধ থাকে।

**কাৰ্য নং-২১**

কথা পাতোঁ আহা—

(ক) বাৰিষা কালত বৰষুণ বেছিকৈ হ'লে কি হয়?
(খ) তোমালোকৰ অঞ্চলত বানপানী হয়নে?
(গ) বানপানী হ'লে আমি কি কি অসুবিধাৰ সন্মুখীন হওঁ?

**কাৰ্য নং-২২**

তলৰ ঘেৰ দিয়া ◯ যুক্তাক্ষৰৰ সহায়েৰে আন দুটাকৈ শব্দ লিখোঁ আহা—

চৰি(ত্ৰ) → পবিত্ৰ | নক্ষত্ৰ
ক(স্তু)ৰী → ______ | ______
ন(ষ্ট) → ______ | ______
(স্ব)ভাৱ → ______ | ______

**কাৰ্য নং-২৩**

তলৰ শব্দকেইটাৰে বাক্য সাজোঁ আহা—

বন্ধ ................................................................................

গ্ৰীষ্ম ................................................................................

**কাৰ্য নং-২৪**

অতিৰিক্ত কাৰ্য —

.....................

নির্দেশনা ঃ-

- শিক্ষকে পুনৰ অনুশীলনৰ বাবে তলৰ ক্রিয়া-কলাপসমূহ কৰাব।

## কার্য নং-১

**তলত দিয়া স্বৰচিহ্ন সমূহৰ সহায়ত শব্দ সাজোঁ আহা—**

| | | | | | | |
|---|---|---|---|---|---|---|
| া → | তৰা | | | | | |
| ৃ → | ধূনা | | | | | |
| ী → | দীঘল | | | | | |
| ে → | ৰে'ল | | | | | |

## কার্য নং-২

**তলৰ খেলি-মেলিকৈ দিয়া আখৰবোৰ সজাই শব্দ গঠন কৰি কওঁ আৰু লিখোঁ আহা—**

দ্য প → ______

ন্ত ন অ → ______

ল্লা পা → ______

ন স্বা তা ধী → ______

## কার্য নং-৩

**শব্দৰ শেষৰ আখৰেৰে আৰম্ভ হোৱা নতুন শব্দ সাজোঁ আহা—**

মহিলা → লাটুম → মন্দিৰ → ৰস → সন্তান → ______

______ → ______ → ______ → ______ → ______ → ______

## কার্য নং-৪

**তলৰ বাক্যবোৰ পঢ়োঁ আৰু লিখোঁ আহা—**

(ক) ছাগলী ঘৰচীয়া জন্তু।

..........................................................................................

(খ) সিংহ বনৰীয়া জন্তু।

..........................................................................................

নিৰ্দেশনা ঃ-

- শিক্ষকে পুনৰ অনুশীলনৰ বাবে তলৰ ক্ৰিয়া-কলাপসমূহ কৰাব।

**কাৰ্য নং-৫**

**তলৰ শব্দবোৰ পঢ়োঁ আৰু লিখোঁ আহা—**

| সমুদ্ৰ | দিল্লী | বিস্কুট | উচ্চ |
|---|---|---|---|
| | | | |
| | | | |

**কাৰ্য নং-৬**

**তলত দিয়া শব্দবোৰ কেতিয়া শুনিবলৈ পাওঁ কওঁ আৰু লিখোঁ আহা—**

| কুকুৰে ভুকিলে | ভোমোৰা উৰিলে | পানী উতলিলে | মেকুৰীয়ে মাতিলে |
|---|---|---|---|

ভুক্-ভুক্ → ..............................

বক্- বক্ → ..............................

মিউ-মিউ → ..............................

ভুন্- ভুন্ → ..............................

**কাৰ্য নং-৭**

**খেলি-মেলিকৈ দিয়া আখৰবোৰ লগ লগাই শব্দ সাজোঁ আহা—**

| স য় ম | ধে লী য়া মে | ব টো ৰ লা কো |
|---|---|---|
| | | |

**কাৰ্য নং-৮**

**তলৰ বাক্য কেইশাৰী পঢ়োঁ আহা—**

ভূমিকম্পই আমাৰ বহুত ক্ষয়-ক্ষতি কৰে।
গৌতম বুদ্ধই শান্তিৰ বাৰ্তা বিলাইছিল।

..................

নিৰ্দেশনা ঃ-

- শিক্ষকে পুনৰ অনুশীলনৰ বাবে তলৰ ক্ৰিয়া-কলাপসমূহ কৰাব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি অহা ৪-৫ টা শব্দ দিব।

**কাৰ্য নং-৯**

**পঢ়োঁ আহা—**

ভোমোৰা এটাই ফুলৰ মৌ চুহি আছিল। তেনেতে এটা পখিলা আহিল। পখিলাটো দেখি ভোমোৰাটোৰ বৰ ভাল লাগিল। ভোমোৰাটোৱে ক'লে, "ইমান দিন মই ইয়াত অকলেই আছিলোঁ। এতিয়া তুমি আহিলা, ভালেই হ'ল। তুমি মোৰ বন্ধু হ'বানে?"

**কাৰ্য নং-১০**

**কথা পাতোঁ আহা—**

(ক) ভোমোৰাটোৱে কি কৰি আছিল?

(খ) ভোমোৰাটোৱে কাৰ লগত বন্ধু পাতিবলৈ বিচাৰিছে?

(গ) তুমি তোমাৰ বন্ধুৰ লগত কি কি খেল খেলা?

**কাৰ্য নং-১১**

**ভোমোৰা শব্দটোত থকা আখৰেৰে বেলেগ বেলেগ শব্দ সাজোঁ আহা—**

| | |
|---|---|
| ভো → | ভোক |
| মো → | |
| ৰা → | |

**কাৰ্য নং-১২**

**শ্ৰুতলিপি—**

........................... ........................... ...........................

........................... ...........................

**নিৰ্দেশনা ঃ-**

- শিক্ষকে পুনৰ অনুশীলনৰ বাবে তলৰ ক্ৰিয়া-কলাপসমূহ কৰাব।

### কাৰ্য নং-১৩

**তলৰ ছবিকেইখন চাই ছবিৰ নাম লিখোঁ আহা—**


......................


......................


......................


......................

### কাৰ্য নং-১৪

**ধ্বনিৰ মিল থকা শব্দবোৰ আঁচ টানি মিলাওঁ আহা—**

| আল্লা | বস্তা | অনন্ত | পুৰস্কাৰ |
|---|---|---|---|
| সীমান্ত | নমস্কাৰ | পাল্লা | সস্তা |

### কাৰ্য নং-১৫

**খেলি-মেলিকৈ থকা শব্দবোৰ সজাই বাক্য কওঁ আৰু লিখোঁ আহা—**

(ক) যাওঁ সদায় বিদ্যালয়লৈ মই।

মই সদায় বিদ্যালয়লৈ যাওঁ।

(খ) যায় বেলি মাৰ পশ্চিমত ।

(গ) ধোওঁ আগতে হাত আহাৰ খোৱাৰ মই।

সপ্তাহ-৯
দিন- ১
DD/MM/YYYY

পুনৰালোচনা

**নিৰ্দেশনা ঃ-**

- শিক্ষকে পুনৰ অনুশীলনৰ বাবে তলৰ ক্ৰিয়াকলাপসমূহ কৰাব।

## কাৰ্য নং-১

**পঢ়োঁ আহা —**

এদিন মনু আৰু তনু হাবিলৈ ফুৰিবলৈ গৈছিল। তেনেতে কেইটামান ভাটৌ চৰাই গান গাই গাই বাহলৈ উভতি অহা সিহঁতে দেখা পালে। মনু আৰু তনুৰ ভাটৌ চৰাইকেইটা দেখি বৰ ভাল লাগিল। সিহঁতে হাবিত আৰু বেলেগ বেলেগ বহুতো চৰাই দেখিলে।

## কাৰ্য নং-২

**কথা পাঁতো আহা —**

ক) হাবিলৈ কোন-কোন ফুৰিবলৈ গৈছিল?

খ) মনু আৰু তনুৰ কি দেখি ভাল লাগিছিল?

গ) পাঁচটা চৰাইৰ নাম কোঁৱা।

## কাৰ্য নং-৩

**তলৰ শব্দবোৰৰ পৰা স্বৰ চিহ্নবোৰ বিচাৰি লিখোঁ আহা —**

মেকুৰী → ে, ু, ী

বেলি →

ৰাতি →

ছোৱালী →

ধূপ →

কচু →

কোমল →

আকৌ →

## কাৰ্য নং-৪

**তলত দিয়া ধৰণে শব্দ গঠন কৰি লিখোঁ আহা আৰু পঢ়োঁ আহা —**

হিমা, আ, বিদ্যা + লয় → হিমালয়, ___, ___

মনো, সং, সু + যোগ → ___, ___, ___

**নিৰ্দেশনা ঃ-**

- শিক্ষকে পুনৰ অনুশীলনৰ বাবে তলৰ ক্ৰিয়াকলাপসমূহ কৰাব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি অহা ৪-৫ টা শব্দ দিব।
- শিক্ষকে আগদিনা পঢ়ি অহা দফাটো শিক্ষাৰ্থীসকলক গাইগুটিয়াকৈ পঢ়িবলৈ দিব।

## কাৰ্য নং-৫

**উত্তৰ লিখোঁ আহা —**

ক) মনু আৰু তনু ক'লৈ ফুৰিবলৈ গৈছিল?

উত্তৰ ঃ ....................................................................

খ) ভাটৌ চৰাই কেইটা দেখি সিহঁতৰ কেনে লাগিছিল?

উত্তৰ ঃ ....................................................................

গ) পাঁচটা চৰাইৰ নাম লিখা।

উত্তৰ ঃ ....................................................................

## কাৰ্য নং-৬

**হাবিত কি কি দেখিবলৈ পোৱা যায় কওঁ আহা।**

## কাৰ্য নং-৭

**মাজৰ বাকচত দিয়া আখৰৰ সহায়ত শব্দ গঠন কৰোঁ আহা—**

| | | | |
|---|---|---|---|
| ফুলনি | টৌ | কী | .........কেলি |
| ট........... | কৌ | ফু | চ........... |
| আ........তি | কৃ | কৈ | জা.......... |

## কাৰ্য নং-৮

**শ্ৰুতলিপি —**

........................... ........................... ...........................

........................... ...........................

**নিৰ্দেশনা ঃ-**

- শিক্ষকে পুনৰ অনুশীলনৰ বাবে তলৰ ক্ৰিয়া-কলাপসমূহ কৰাব।

**কাৰ্য নং-৯**

**পঢ়োঁ আহা—**

ৰক্তিমহঁতৰ বিদ্যালয়ত এখন ধুনীয়া ফুলনি আছে। ফুলনিখনত তগৰ, গোলাপ, শেৱালি, জবা, নাৰ্জী, কঠনা আদি ফুল আছে। ফুলনিৰ ফুলবোৰ চাই আমি খুব আনন্দিত হওঁ।

**কাৰ্য নং-১০**

**কথা পাতোঁ আহা—**

ক) ৰক্তিমহঁতৰ বিদ্যালয়ৰ ফুলনিত কি কি ফুল আছে?

খ) তোমালোকৰ বিদ্যালয়ত ফুলনি আছেনে?

গ) তুমি ভাল পোৱা এবিধ ফুলৰ বিষয়ে কোৱা।

**কাৰ্য নং-১১**

**'দ্ৰ' আখৰত ◯ ঘেৰ চিন দিওঁ আহা—**

| | | | | | |
|---|---|---|---|---|---|
| দৰিদ্ৰ | আদ্ৰতা | ভ(দ্ৰ) | দৰিদ্ৰ | ক্ষুদ্ৰ | দ্ৰৱণ |

**কাৰ্য নং-১২**

**তলত দিয়া শব্দৰে বাক্য সাজোঁ আহা —**

সুন্দৰ →

পোহনীয়া →

নমস্কাৰ →

নিৰ্দেশনা ঃ-

- শিক্ষকে পুনৰ অনুশীলনৰ বাবে তলৰ ক্ৰিয়া-কলাপসমূহ কৰাব।
- শিক্ষকে আগদিনা পঢ়ি অহা দফাটো শিক্ষাৰ্থীসকলক গাইগুটিয়াকৈ পঢ়িবলৈ দিব।

**কাৰ্য নং-১৩**

**উত্তৰ লিখোঁ আহা—**

ক) ৰক্তিমহঁতৰ বিদ্যালয়ৰ ফুলনিত কি কি ফুল আছে?

উত্তৰ ঃ ............................................................................

খ) তোমালোকৰ বিদ্যালয়ত ফুলনি আছেনে?

উত্তৰ ঃ ............................................................................

গ) তুমি ভালপোৱা এটা ফুলৰ ছবি আঁকি দুটা বাক্য লিখা।

..........................................

..........................................

..........................................

..........................................

**কাৰ্য নং-১৪**

**'পঢ়াশালি' ত আমি কি কি দেখোঁ কওঁ আহা—**

**কাৰ্য নং-১৫**

**খেলিমেলিকৈ থকা আখৰবোৰ সজাই শব্দ গঠন কৰি লিখোঁ আহা—**

| | | | |
|---|---|---|---|
| তি ছা | | ণ্টা ঘ | |
| ম প শ্চি | | স্কা ৰ প ৰি | |

নিৰ্দেশনা ঃ-

● শিক্ষকে পুনৰ অনুশীলনৰ বাবে তলৰ ক্ৰিয়া-কলাপসমূহ কৰাব।

**কাৰ্য নং-১৬**

**পঢ়োঁ আহা —**

প্ৰসুন, ছাহিদ, মেৰীহঁতে বিশ্বনাথ ঘাটত বনভোজ খাবলৈ যোৱাটো থিৰাং কৰিলে। সিহঁতে তেজপুৰৰ পৰা বালিপাৰা হৈ বিশ্বনাথ ঘাটলৈ যাওঁতে বাটৰ পৰা ফলমূল, শাক-পাচলি আৰু মাছ-মাংস কিনিলে।

**কাৰ্য নং-১৭**

**কথা পাতোঁ আহা —**

ক) প্ৰসুন, ছাহিদ আৰু মেৰীহঁতে ক'লৈ বনভোজ খাবলৈ গৈছিল?

খ) বনভোজলৈ যাওঁতে বাটৰ পৰা কি কি কিনিছিল?

গ) তুমি কেতিয়াবা বনভোজ খাবলৈ গৈ পাইছানে? বনভোজলৈ গৈ তোমাৰ কেনেকুৱা লাগে?

**কাৰ্য নং-১৮**

**খালী ঠাইত উপযুক্ত শব্দ বহুৱাই বাক্য সম্পূৰ্ণ কৰোঁ আহা —**

ক) হাবিত বহুতো ............................... থাকে। (জীৱ-জন্তু /ঘৰ)

খ) ভাটৌ চৰাইৰ ঠোঁট ......................। (ক'লা / ৰঙা)

গ) তগৰ ফুলৰ গোন্ধ .........................। (নাই / আছে)

**কাৰ্য নং-১৯**

**তুমি খাই ভাল পোৱা এবিধ ফলৰ ছবি আঁকি ফলটোৰ বিষয়ে দুটা বাক্য লিখা।**

.............................................

.............................................

.............................................

.............................................

.............................................

নিদানমূলক

**নিৰ্দেশনা ঃ-**
- শিক্ষকে পুনৰ অনুশীলনৰ বাবে তলৰ ক্ৰিয়া-কলাপসমূহ কৰাব।
- শিক্ষকে শিক্ষাৰ্থীৰ শিকন পৰ্যায়ৰ ভিত্তিত অতিৰিক্ত কাৰ্য কৰাব।
- শিক্ষকে আগদিনাৰ পঢ়ি অহা দফাটো শিক্ষাৰ্থীসকলক গাইগুটিয়াকৈ পঢ়িবলৈ দিব।

### কাৰ্য নং-২০

**উত্তৰ লিখোঁ আহা—**

ক) প্ৰসুন, ছাহিদ আৰু মেৰীহঁতে বিশ্বনাথ ঘাটলৈ কিয় গৈছিল?

উত্তৰ ঃ ..........................................................................

খ) সিহঁতে ক'ৰ পৰা যাত্ৰা আৰম্ভ কৰিছিল?

উত্তৰ ঃ ..........................................................................

গ) তোমালোকে বনভোজলৈ গ'লে খাবলৈ কি কি নিবা? চাৰি বিধৰ নাম লিখা।

উত্তৰ ঃ ..........................................................................

### কাৰ্য নং-২১

**শব্দবোৰ পঢ়োঁ আহা—**

প্ৰাণ | দিল্লী | দন্ত | স্বাস্থ্য | গ্ৰহ | অস্ত | আনন্দ | বস্তি

### কাৰ্য নং-২২

**ঘেৰৰ পৰা আখৰ বিচাৰি একে শেষ ধ্বনি-"টা" আৰু "কা" থকা শব্দ লিখোঁ আৰু পঢ়োঁ আহা—**

| | | | |
|---|---|---|---|
| বটা → | কটা | | |
| ডৌকা → | | | |

ক চৌ আ
নৌ ছি সৌ

### কাৰ্য নং-২৩

**অতিৰিক্ত কাৰ্য—**

**নির্দেশনা ঃ-**

- শিক্ষকে 'স্ক', 'স্থ' যুক্তাক্ষৰ বুজাই দিব আৰু শুদ্ধকৈ লিখিবলৈ শিকাব
- শিক্ষকে তলত দিয়া ছবিখন চাই ছবিখনৰ বিষয়ে আলোচনা কৰিবলৈ আৰু দফাটোৰ শিৰোনাম সম্পৰ্কে অনুমান কৰিবলৈ দিব।
- শিক্ষকে পাঠটো পঢ়াত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শব্দাৱলী সম্পৰ্কে আলোচনা কৰিব আৰু শব্দাৱলীৰ অৰ্থ বুজাত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে কাৰ্যপত্ৰৰ কাৰ্যবোৰ কৰিবলৈ দিব।

**স্ক, স্থ**

### কাৰ্য নং-১

পঢ়োঁ আহা—



**শব্দাৱলী**

স্থলচৰ, বনৰীয়া, জলহস্তী, ভাস্কৰ

ভাস্কৰ চিৰিয়াখানা চাবলৈ গৈছিল। সি চিৰিয়াখানাত স্থলচৰ প্ৰাণীবোৰৰ বিষয়ে বহু কথা জানিলে। তাতে জলহস্তীটো দেখি তাৰ বনৰীয়া হাতীৰ কথা মনত পৰি গ'ল।

### কাৰ্য নং-২

কথা পাতোঁ আহা—

ক) ভাস্কৰ ক'লৈ গৈছিল?

খ) চিৰিয়াখানালৈ গৈ সি কিহৰ বিষয়ে বহু কথা জানিলে?

গ) তুমি কেতিয়াবা চিৰিয়াখানালৈ গৈছানে ?

ঘ) তুমি কি কি বনৰীয়া জন্তু দেখিছা আৰু ক'ত দেখিছা?

ঙ) কোনবিধ ঘৰচীয়া প্ৰাণী তোমাৰ প্ৰিয়?

### কাৰ্য নং-৩

বাক্য সাজোঁ আহা—

বনৰীয়া ..........................................................................................

বাঘ ..........................................................................................

নিৰ্দেশনা ঃ-

- শিক্ষকে আগদিনা পঢ়ি অহা দফাটো শিক্ষাৰ্থীসকলক গাইগুটীয়াকৈ পঢ়িবলৈ দিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি অহা ৪-৫ টা শব্দৰ এটা সহজ বাক্য দিব।

### কাৰ্য নং-৪

**উত্তৰ লিখোঁ আহা—**

ক) চিৰিয়াখানালৈ কোন গৈছিল?

উত্তৰ ঃ ..................................................................................

খ) জলহস্তীটো দেখি ভাস্কৰৰ কাৰ কথা মনত পৰিল?

উত্তৰ ঃ ..................................................................................

গ) হাতীৰ বিষয়ে দলত কথা পাতি দুটা বাক্য লিখোঁ আহা ।

উত্তৰ ঃ ..................................................................................

..................................................................................

### কাৰ্য নং-৫

**তলত দিয়া শব্দসমূহ পঢ়োঁ আহা—**

| | | | |
|---|---|---|---|
| ভাস্কৰ | স্থান | পুৰস্কাৰ | নমস্কাৰ |
| স্থলচৰ | স্থাপন | মুখস্থ | ৰাস্তা |

### কাৰ্য নং-৬

**সমাৰ্থক শব্দ সমূহ আঁচ টানি মিলাওঁ আহা—**

| | |
|---|---|
| ভাস্কৰ | নাৰিকলৰ লাডু |
| জংঘল | আলিবাট |
| লস্কৰা | বেলি |
| ৰাস্তা | হাবি |

### কাৰ্য নং-৭

**শ্ৰুতলিপি—**

............................ ............................ ............................

............................ ............................

অনুশীলনী

**নিৰ্দেশনা ঃ-**

- শিক্ষকে তলত দিয়া ছবিখন চাই ছবিখনৰ বিষয়ে আলোচনা কৰিবলৈ আৰু দফাটোৰ শিৰোনাম সম্পৰ্কে অনুমান কৰিবলৈ দিব।
- শিক্ষকে পাঠটো পঢ়াত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শব্দাৱলী সম্পৰ্কে আলোচনা কৰিব আৰু শব্দাৱলীৰ অৰ্থ বুজাত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে কাৰ্যপত্ৰৰ কাৰ্যবোৰ কৰিবলৈ দিব।

### কাৰ্য নং-৮

**পঢ়োঁ আহা—**

**শব্দাৱলী**

প্ৰতিযোগিতা, ট্ৰফী, আব্দুল, পুৰস্কাৰ, তৃতীয়




আজি দীপকহঁত কুইজ প্ৰতিযোগিতাত প্ৰথম হ’ল। দীপকৰ লগত আব্দুলো আছিল। সিহঁত দুয়োৰে বৰ আনন্দ। সিহঁতে দুখন কিতাপ আৰু এটা ট্ৰফী পুৰস্কাৰ পালে। দুয়ো তৃতীয় শ্ৰেণীৰ ছাত্ৰ।

### কাৰ্য নং-৯

**কথা পাতোঁ আহা—**

ক) দীপকহঁত কি প্ৰতিযোগিতাত প্ৰথম হ’ল ?

খ) দীপকৰ লগত কোন আছিল ?

গ) সিহঁতে কি কি পুৰস্কাৰ পালে ?

ঘ) তুমি কেতিয়াবা প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি পাইছানে ?

### কাৰ্য নং-১০

**“প্ৰতিযোগিতা” শব্দটোত থকা আখৰবোৰেৰে বেলেগ বেলেগ শব্দ সাজোঁ আহা—**

প্ৰ ..............................  যো ..............................

তি ..............................  গি ..............................

তা ..............................

..................

**নিৰ্দেশনা ঃ-**

- শিক্ষকে, আগদিনা পঢ়ি অহা দফাটো শিক্ষাৰ্থীসকলক গাইগুটীয়াকৈ পঢ়িবলৈ দিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি অহা ৪-৫ টা এটা শব্দৰ সহজ বাক্য দিব।
- শিক্ষকে কাৰ্যপত্ৰৰ কাৰ্যবোৰ কৰিবলৈ দিব।

---

### কাৰ্য নং-১১

**লিখোঁ আহা—**

ক) দীপকহঁতে কুইজ প্ৰতিযোগিতাত কি স্থান পালে?

উত্তৰঃ-.............................................................................

খ) দীপক আৰু আব্দুলে কি কি পুৰস্কাৰ পালে?

উত্তৰঃ-.............................................................................

গ) তুমি কি কি খেল খেলি ভালপোৱা?

উত্তৰঃ-.............................................................................

### কাৰ্য নং-১২

**ভালপোৱা খেল এবিধৰ বিষয়ে কওঁ আৰু লিখোঁ আহা—**

.....................................................................................................

.....................................................................................................

### কাৰ্য নং-১৩

**মাজৰ খালী ঠাইত আখৰ বহুৱাই থিয়কৈ আৰু পথালিকৈ দুটা শব্দ গঠন কৰোঁ আহা—**

| | | |
|---|---|---|
| | জো | |
| টো | | লা |
| | হা | |

| | | |
|---|---|---|
| | মৌ | |
| ৰৌ | | ছ |
| | খি | |

### কাৰ্য নং-১৪

**শ্ৰুতলিপি—**

............................ ............................ ............................

............................ ............................

সপ্তাহ-১০
দিন- ৫
DD/MM/YYYY

মূল্যায়ন

**নিৰ্দেশনা ঃ-**

- শিক্ষকে কাযৰ বাকচৰ দিয়া নম্বৰৰ ভিত্তিত মূল্যায়ন কৰিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি অহা ৪-৫ টা শব্দৰ সহজ বাক্য দিব।

### কাৰ্য নং-১৫

২৫

**পঢ়া—**

এদিন মীনাৰ পেটৰ বিষ উঠিল। ককায়েক উমেশে গম পাই মাকক খবৰ দিলে। মাকে মীনাক ডাক্তৰৰ ওচৰলৈ লৈ গ'ল। ডাক্তৰে দিয়া দৰৱ খাই মীনা সুস্থ হ'ল।

### কাৰ্য নং-১৬

**উত্তৰ লিখা ঃ**

ক) মীনাৰ কি হৈছিল? ১

উত্তৰঃ-......................................................................................

খ) মীনাক ডাক্তৰৰ ওচৰলৈ কোনে লৈ গৈছিল? ১

উত্তৰঃ-......................................................................................

গ) তুমি তোমাৰ শৰীৰ সুস্থ ৰাখিবলৈ কি কি কৰা? ২

উত্তৰঃ-......................................................................................

### কাৰ্য নং-১৭

২

**আপেলটোৰ ভিতৰৰ পৰা উপযুক্ত শব্দ বাছি লৈ খালী ঠাই পূৰ কৰা—**

ক) .................. সুস্থ ৰাখিবা।

খ) আঁচ টানিবলৈ তোমাৰ.................আছেনে?

গ) মফিদাই কুইজত প্ৰথম ...................পালে।

ঘ) ................ পৰম ধন।




### কাৰ্য নং-১৮

**শ্ৰুতলিপি—**

............................ ............................ ............................

............................ ............................

সপ্তাহ-১০

দিন- ৬

DD/MM/YYYY

নিদানমূলক

**নির্দেশনা ঃ-**

- শিক্ষাৰ্থীয়ে নিজে পঢ়িব আৰু প্ৰয়োজনত শিক্ষকে সহায় কৰিব।
- শিক্ষকে শিক্ষাৰ্থীৰ শিকন পৰ্যায়ৰ ভিত্তিত অতিৰিক্ত কাৰ্য কৰাব।

### কাৰ্য নং-১৯

**পঢ়োঁ আহা—**

ফাকুৱাৰ সময়। মীনু আৰু গীতা বজাৰলৈ গ'ল। দুয়ো বজাৰৰ পৰা বহুৰঙৰ ফাকুগুৰি কিনিলে। ৰঙা,সেউজীয়া, হালধীয়া আদি অনেক ৰঙৰ ফাকু। সিহঁতে এটা ফিচ্‌কাৰীও কিনিলে।

### কাৰ্য নং-২০

**উত্তৰ কওঁ আৰু লিখোঁ আহা—**

ক) বজাৰলৈ কোন কোন গৈছিল?

উত্তৰঃ-...........................................................................

খ) সিহঁতে কি কি কিনিছিল?

উত্তৰঃ-...........................................................................

গ) তোমাৰ ফাকু খেলি ভাল লাগেনে?

উত্তৰঃ-...........................................................................

ঘ) ফাকুৱাত তুমি কি কি কৰা?

উত্তৰঃ-...........................................................................

### কাৰ্য নং-২১

**উপযুক্ত শব্দৰে খালী ঠাই পূৰ কৰোঁ আহা—**

ক) নাৰিকলেৰে ..................... তৈয়াৰ কৰা হয় । (লস্কৰা/ৰসগোল্লা)

খ) মাটিত বাস কৰা প্ৰাণীবোৰক ......................বোলে। (স্থলচৰ/জলচৰ)

গ) আঁচ টানিবলৈ ......................... ব্যৱহাৰ কৰা হয়। (ৰচী/স্কেল)

### কাৰ্য নং-২২

**অতিৰিক্ত কাৰ্য—**

..................

সপ্তাহ-১১

দিন- ১

DD/MM/YYYY

অনুশীলনী

**নির্দেশনা ঃ-**

- শিক্ষকে 'স্ন', 'স্প' যুক্তাক্ষৰ দুটা বুজাই দিব আৰু শুদ্ধকৈ লিখিবলৈ শিকাব।
- শিক্ষকে তলত দিয়া ছবিখন চাই ছবিখনৰ বিষয়ে আলোচনা কৰিবলৈ আৰু দফাটোৰ শিৰোনাম সম্পৰ্কে অনুমান কৰিবলৈ দিব।
- শিক্ষকে পাঠটো পঢ়াত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শব্দাৱলী সম্পৰ্কে আলোচনা কৰিব আৰু শব্দাৱলীৰ অৰ্থ বুজাত শিক্ষাৰ্থীক সহায় কৰিব।

স্ন, স্প

---

কাৰ্য নং-১

**পঢ়োঁ আহঁা—**



**শব্দাৱলী**

স্পন্দন জ্যোৎস্না বন্ধু বিদ্যালয় হৰিপ্ৰিয়া

হৰিপ্ৰিয়া বিদ্যালয়ত কাদিৰ আৰু স্পন্দন নামৰ দুজন বন্ধু আছিল। তেওঁলোক দুয়ো তৃতীয় শ্ৰেণীত পঢ়িছিল। স্পন্দনৰ ভনীয়েক জ্যোৎস্নাও একে বিদ্যালয়তে পঢ়িছিল। তিনিও বিদ্যালয়লৈ একেলগে অহা-যোৱা কৰিছিল।

কাৰ্য নং-২

**কথা পাতোঁ আহা—**

ক) কোন কোন বন্ধু আছিল?

খ) কাদিৰ আৰু স্পন্দন কোন শ্ৰেণীৰ ছাত্ৰ?

গ) স্পন্দনৰ ভনীয়েকৰ নাম কি?

ঘ) তোমালোকে বিদ্যালয়ত কি কি কৰা?

কাৰ্য নং-৩

**বিদ্যালয়লৈ অহাৰ আগতে কি কি কৰোঁ লিখোঁ আহা—**

.......................................................................................................

.......................................................................................................

.....................

নিৰ্দেশনা ঃ-

- শিক্ষকে আগদিনা পঢ়ি অহা দফাটো শিক্ষাৰ্থীসকলক গাইগুটীয়াকৈ পঢ়িবলৈ দিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি অহা ৪-৫ টা শব্দৰ এটা সহজ বাক্য দিব।

কাৰ্য নং-৪

**উত্তৰ লিখোঁ আহা—**

ক) কাদিৰৰ বন্ধুজনৰ নাম কি?

উত্তৰ ঃ ..........................................................................

খ) তেওঁলোক কোন শ্ৰেণীত পঢ়িছিল?

উত্তৰ ঃ ..........................................................................

গ) জ্যোৎস্নাই পঢ়া বিদ্যালয়খনৰ নাম কি?

উত্তৰ ঃ ..........................................................................

কাৰ্য নং-৫

**বিদ্যালয়ৰ জিৰণিৰ সময়ত কি কৰোঁ কওঁ আহা—**

কাৰ্য নং-৬

**শব্দসমূহ পঢ়োঁ আৰু লিখোঁ আহা —**

| | | | |
|---|---|---|---|
| জ্যোৎস্না | | স্পৰ্শ | |
| স্নান | | স্পন্দন | |
| স্নেহ | | স্পষ্ট | |

কাৰ্য নং-৭

**শ্ৰুতলিপি —**

..........................................................................................

সপ্তাহ-১১
দিন- ৩
DD/MM/YYYY

অনুশীলনী

নির্দেশনা ঃ-

- শিক্ষকে ছাত্র-ছাত্রী তলত দিয়া ছবিখন চাই ছবিখনৰ বিষয়ে আলোচনা কৰিবলৈ আৰু দফাটোৰ শিৰোনাম সম্পৰ্কে অনুমান কৰিবলৈ দিব।
- শিক্ষকে পাঠটো পঢ়াত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শব্দাৱলী সম্পৰ্কে আলোচনা কৰিব আৰু শব্দাৱলীৰ অৰ্থ বুজাত শিক্ষাৰ্থীক সহায় কৰিব।

### কাৰ্য নং-৮

**দফাটো পঢ়োঁ আহা—**

অৰ্ণব আৰু স্পন্দনে এদিন এখন উদ্যানলৈ গৈছিল। উদ্যানৰ সন্মুখতে তেওঁলোকে এখন জাননী ফলক দেখিলে। ফলকখন তেওঁলোকে মনোযোগেৰে পঢ়িলে।

**জাননী**

উদ্যানলৈ আপোনালোকক স্বাগতম্ জনাইছোঁ। ইয়াৰ ৰঙ-বিৰঙী ফুল আৰু বিভিন্ন গছবোৰ আমাৰ বৰ মৰমৰ। অনুগ্ৰহ কৰি ফুলবোৰ স্পৰ্শ নকৰিব। স্পৰ্শ কৰিলে সিহঁতে কষ্ট পায় আৰু মৰহি যায়।

— ধন্যবাদ

**শব্দাৱলী**

| | |
|---|---|
| স্বাগতম্ | স্পৰ্শ |
| স্পন্দন | উদ্যান |
| জাননী | সন্মুখ |

### কাৰ্য নং-৯

**কথা পাতোঁ আহা —**

ক) অৰ্ণৱ আৰু স্পন্দন ক'লৈ গৈছিল?

খ) উদ্যানৰ সন্মুখতে তেওঁলোকে কি দেখিছিল?

গ) জাননীখনৰ মতে ফুলবোৰ স্পৰ্শ কৰিব লাগেনে?

ঘ) ফুলবোৰ কিয় স্পৰ্শ কৰিব নালাগে?

### কাৰ্য নং-১০

**তলৰ শব্দকেইটাৰে বাক্য লিখোঁ আহা —**

স্থলচৰ ..........................................................................................

স্পৰ্শ ..........................................................................................

উদ্যান ..........................................................................................

**নির্দেশনা ঃ-**

- শিক্ষকে আগদিনা পঢ়ি অহা দফাটো শিক্ষাৰ্থীসকলক গাইগুটীয়াকৈ পঢ়িবলৈ দিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি অহা ৪-৫ টা শব্দৰ এটা সহজ বাক্য দিব।

### কাৰ্য নং-১১

**উত্তৰ লিখোঁ আহা —**

ক) উদ্যানলৈ কোন কোন গৈছিল?

উত্তৰ ঃ..............................................................................

খ) উদ্যানৰ সন্মুখতে অৰ্ণৱে আৰু স্পন্দলে কি দেখিলে?

উত্তৰ ঃ..............................................................................

গ) উদ্যানখনত কি ধৰণৰ ফুল আছিল?

উত্তৰ ঃ..............................................................................

### কাৰ্য নং-১২

**নাম ফলক আৰু জাননীফলক আমি ক'ত ক'ত দেখিবলৈ পাওঁ?**

নাম ফলক ঃ..............................................................................

জাননী ফলক ঃ..............................................................................

### কাৰ্য নং-১২

**তলত দিয়া শব্দবোৰৰ পৰা বৰষুণৰ লগত জড়িত শব্দবোৰ বাকচৰ ভিতৰত লিখোঁ আহা—**

| কিতাপ | বান | ছাতি | বেজী | মেঘ | মোনা | পানী |
|---|---|---|---|---|---|---|




### কাৰ্য নং-১৪

**শ্ৰুতলিপি—**

..............................................................................................

সপ্তাহ-১১
দিন- ৫
DD/MM/YYYY

মূল্যায়ন

নির্দেশনা ঃ-
- শিক্ষকে কাষৰ বাকচত দিয়া নম্বৰৰ ভিত্তিত শিক্ষাৰ্থীক মূল্যায়ন কৰিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি অহা ৪-৫ টা শব্দৰ এটা সহজ বাক্য দিব।

**কাৰ্য নং-১৫**

পঢ়া—

২৫

স্পন্দনৰ ভনীয়েক জ্যোৎস্না প্ৰথম শ্ৰেণীত পঢ়ে। স্পন্দনে ভনীয়েকক বৰ মৰম কৰে। দুয়ো লুকা-ভাকু খেলি ভাল পায়। দুয়ো সদায় বিদ্যালয়লৈ সময়মতে যায়। সিহঁতে শ্ৰেণীৰ পাঠবোৰ নিয়াৰিকৈ পঢ়ে।

**কাৰ্য নং-১৬**

উত্তৰ লিখা—

ক) স্পন্দনৰ ভনীয়েক কোন শ্ৰেণীত পঢ়ে? ১
উত্তৰ ঃ...................................................................

খ) সিহঁতে বিদ্যালয়লৈ সময়মতে যায় নে? ১
উত্তৰ ঃ...................................................................

গ) তুমি বিদ্যালয়লৈ যোৱাৰ আগতে কি কি কৰা? ১
উত্তৰ ঃ...................................................................

**কাৰ্য নং-১৭**

খেলি-মেলিকৈ থকা শব্দবোৰ সঠিকভাৱে সজাই বাক্য সাজা—

ক) এজন স্পন্দন ল'ৰা ভাল। ১

.........................................................................

খ) পোন্ধৰ স্বাধীনতা আগষ্টত দিৱস হয় কৰা পালন। ১

.........................................................................

**কাৰ্য নং-১৮**

শ্ৰুতলিপি—

...............................................................................................

.....................

সপ্তাহ-১১

দিন- ৬

DD/MM/YYYY

নিদানমূলক

নিৰ্দেশনা ঃ-

- শিক্ষকে শিক্ষাৰ্থীক তলৰ বাক্য কেইশাৰী পঢ়িবলৈ দিব আৰু প্ৰয়োজনত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শিক্ষাৰ্থীৰ শিকন পৰ্যায়ৰ ভিত্তিত অতিৰিক্ত কাৰ্য কৰাব।

### কাৰ্য নং-১৯

**বাক্য কেইশাৰী পঢ়োঁ আহা—**

বাৰিষা কালত বৰষুণ দিয়ে।
স্নেহা আৰু জ্যোৎস্নাই বৰষুণত তিতিলে।
ৰীতাৰ ঘৰত হাস্নাহানা ফুল আছে।

### কাৰ্য নং-২০

**উপযুক্ত শব্দ বহুৱাই খালী ঠাই পূৰ কৰোঁ আহা—**

ক) সূৰ্য ............................ দিশত অস্ত হয়।

খ) বৰষুণ দিলে আমি ............................ ব্যৱহাৰ কৰোঁ।

গ) মই ............................ শ্ৰেণীত পঢ়ি আছোঁ।

### কাৰ্য নং-২১

**তলৰ যুক্তাক্ষৰবোৰেৰে তিনিটাকৈ শব্দ গঠন কৰোঁ আহা—**

স্ন: স্নেহ, ______, ______

স্প: স্পৰ্শ, ______, ______

### কাৰ্য নং-২২

**তলত দিয়া শব্দবোৰৰ পৰা পথাৰৰ লগত জড়িত শব্দসমূহ বাকচৰ ভিতৰত লিখোঁ আহা—**

ধান, বজাৰ, মৰাপাট, চোলা, হাল, খেতি, আলু, কিতাপ, ট্ৰফী, ৰসগোল্লা, দাৰনী

পথাৰ: ______, ______, ______, ______, ______, ______

### কাৰ্য নং-২৩

**অতিৰিক্ত কাৰ্য—**

.....................

সপ্তাহ-১২
দিন- ১
DD/MM/YYYY

অনুশীলনী

**নির্দেশনা ঃ-**

- শিক্ষকে ‘ন্দ্র’ যুক্তাক্ষৰ টো বুজাই দিব আৰু শুদ্ধকৈ লিখিবলৈ শিকাব।
- শিক্ষকে তলত দিয়া ছবিখন চাই ছবিখনৰ বিষয়ে আলোচনা কৰিবলৈ আৰু দফাটোৰ শিৰোনাম সম্পৰ্কে অনুমান কৰিবলৈ দিব।
- শিক্ষকে পাঠটো পঢ়াত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শব্দাৱলী সম্পৰ্কে আলোচনা কৰিব আৰু শব্দাৱলীৰ অৰ্থ বুজাত শিক্ষাৰ্থীক সহায় কৰিব।

ন্দ্র

**কাৰ্য নং-১**

**পঢ়োঁ আহা—**



**শব্দাৱলী**

| | |
|---|---|
| মহেন্দ্ৰ | ৰাস্তা |
| বিপদ | জোৰেৰে |

মহেন্দ্ৰৰ ঘৰ গাঁৱত। এদিন মহেন্দ্ৰই দেখিলে বৰষুণৰ পানীৰে ৰাস্তা ভৰি পৰিছে। গছৰ তলত ছাগলী এটাই ঘৰলৈ যাবলৈ ৰৈ আছে। ছাগলীটো বৰ বিপদত পৰিছিল। তেনেতে এটা হাতী আহিল। হাতীটোৰে ছাগলীটোক পিঠিত উঠাই ঘৰলৈ লৈ গ’ল।

**কাৰ্য নং-২**

**কথা পাতোঁ আহা—**

(ক) গছৰ তলত কোন ৰৈ আছিল?

(খ) হাতীটোৰে পিঠিত কাক উঠাইছিল?

(গ) ঘটনাটো কোনে দেখিছিল?

(ঘ) তুমি বিদ্যালয়ৰ পৰা ঘৰলৈ গৈ থাকোতে হঠাৎ বৰষুণ দিলে কি কৰিবা?

**কাৰ্য নং-৩**

**পঢ়ি অহা দফাটোৰ এটা শিৰোনাম ভাবি লিখোঁ আহা—**

.................................................................................................................

অনুশীলনী

**নির্দেশনা ঃ-**

- শিক্ষকে আগদিনা পঢ়ি অহা দফাটো শিক্ষাৰ্থীসকলক গাইগুটীয়াকৈ পঢ়িবলৈ দিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি অহা ৪-৫ টা শব্দৰ এটা সহজ বাক্য দিব।

## কাৰ্য নং-৪

**উত্তৰ লিখোঁ আহা—**

ক) কোনে ঘটনাটো দেখিছিল?

উত্তৰ ঃ.................................................................

খ) ছাগলীটো ক'ত ৰৈ আছিল।

উত্তৰ ঃ .................................................................

গ) ছাগলীটোক কোনে পিঠিত উঠাই লৈ গ'ল?

উত্তৰ ঃ .................................................................

ঘ) বৰষুণৰ বতৰত তুমি কি কি কৰি ভালপোৱা?

উত্তৰ ঃ .................................................................

## কাৰ্য নং-৫

**পঢ়োঁ আহা—**

| | | | |
|---|---|---|---|
| কেন্দ্ৰ | নৰেন্দ্ৰ | ইন্দ্ৰিয় | ফণীন্দ্ৰ |
| চন্দ্ৰ | গজেন্দ্ৰ | ৰাজেন্দ্ৰ | তন্দ্ৰা |

## কাৰ্য নং-৬

**শ্ৰুতলিপি —**

...........................................................................................

..................

অনুশীলনী

**নিৰ্দেশনা ঃ-**

- শিক্ষকে তলত দিয়া ছবিখন চাই ছবিখনৰ বিষয়ে আলোচনা কৰিবলৈ আৰু দফাটোৰ শিৰোনাম সম্পৰ্কে অনুমান কৰিবলৈ দিব।
- শিক্ষকে পাঠটো পঢ়াত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শব্দাৱলী সম্পৰ্কে আলোচনা কৰিব আৰু শব্দাৱলীৰ অৰ্থ বুজাত শিক্ষাৰ্থীক সহায় কৰিব।

**কাৰ্য নং-৭**

**পঢ়োঁ আহা —**



**শব্দাৱলী**

চলাথ চশ্‌মা
ইন্দ্ৰ আনন্দ

আজি ৰাতিপুৱা দেউতাৰ চশ্‌মাযোৰ হেৰাল। দেউতাই আলমাৰি, টেবুলৰ ওপৰ সকলোতে বিচাৰি চলাথ কৰিলে। তথাপি ক'তো নাপালে। দেউতাই মাক চশ্‌মাযোৰ দেখিছে নেকি সুধিলে। পাছত ইন্দ্ৰ আৰু মীনাই মিলি চশ্‌মাযোৰ বিচাৰি উলিয়ালে। দেউতাই মনত বৰ আনন্দ পালে।

**কাৰ্য নং-৮**

**কথা পাতোঁ আহা—**

ক) দেউতাৰ কি হেৰাইছিল?

খ) দেউতাই চশ্‌মাযোৰ ক'ত ক'ত বিচাৰিছিল?

গ) তেওঁ চশ্‌মাযোৰ নিজে বিচাৰি পাইছিলনে?

ঘ) তোমাৰ কিবা বস্তু হেৰালে কি কৰা?

**কাৰ্য নং-৯**

**বাকচৰ পৰা বাছি বিপৰীত শব্দ লিখোঁ আহা—**

| | | |
|---|---|---|
| ৰাতিপুৱা - ..................... | পালে গধূলি | ওপৰ - ..................... |
| নাপালে - ..................... | ৰাতি তল | দিন - ..................... |

..................

সপ্তাহ-১২
দিন- ৪
DD/MM/YYYY

অনুশীলনী

**নির্দেশনা ঃ-**

- শিক্ষকে আগদিনা পঢ়ি অহা দফাটো শিক্ষাৰ্থীসকলক গাইগুটীয়াকৈ পঢ়িবলৈ দিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি অহা ৪-৫ টা শব্দৰ এটা সহজ বাক্য দিব।

### কাৰ্য নং-১০

**প্ৰশ্নৰ উত্তৰ লিখোঁ আহা —**

ক) দেউতাৰ চশ্মাযোৰ কেতিয়া হেৰাল?
উত্তৰ ঃ ..................................................................

খ) চশ্মাযোৰ কোনে কোনে বিচাৰি দিলে?
উত্তৰ ঃ ..................................................................

গ) তোমালোকৰ কেতিয়াবা কিবা হেৰাইছিলনে?
উত্তৰ ঃ ..................................................................

ঘ) হেৰালে মনটো কেনে লাগে?
উত্তৰ ঃ ..................................................................

### কাৰ্য নং-১১

**পাকঘৰত কি কি থাকে কওঁ আৰু লিখোঁ আহা—**

পাকঘৰ

### কাৰ্য নং-১২

**'পাকঘৰ' শব্দৰ আখৰবোৰৰ পৰা নতুন শব্দ লিখোঁ আহা—**

পা ...নী.......................................
ক ..............................................
ঘ ..............................................
ৰ ..............................................

### কাৰ্য নং-১৩

**শ্ৰুতলিপি—**

..........................................................................................

..................

সপ্তাহ-১২

দিন- ৫

DD/MM/YYYY

মূল্যায়ন

**নিৰ্দেশনা ঃ-**

- শিক্ষকে শিক্ষাৰ্থীক গাইগুটীয়াকৈ পঢ়িবলৈ দিব আৰু মুঠ কিমানটা শব্দ পঢ়িব পাৰিছে আৰু লিখিব পাৰিছে তাৰ মূল্যায়ন কাষৰ বাকচত কৰিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি অহা ৪-৫ টা শব্দৰ এটা সহজ বাক্য দিব।

কাৰ্য নং-১৪

**পঢ়া—** /৩৫

এডাল গছৰ ওপৰত এটা মকৰাই জাল পাতি থৈছিল। ক'ৰবাৰ পৰা এটা পখিলা উৰি আহি জালখনত লাগি ধৰিলে। তেনেতে এটা হাতী আহিল আৰু হাতীটোৱে জোৰকৈ ফুঁ মাৰি দিলে। পখিলাটো তৎক্ষণাত জালখনৰ পৰা ওলাই উৰি গুচি গ'ল।

কাৰ্য নং-১৫

**উত্তৰ লিখা —**

ক) পখিলাটো ক'ত লাগি ধৰিছিল? /১

উত্তৰ ঃ ........................................................................

খ) পখিলাটোক কোনে বচালে? /১

উত্তৰ ঃ ........................................................................

গ) তোমালোকে মকৰাৰ জালত কি কি লাগি ধৰা দেখিছা? /২

উত্তৰ ঃ ........................................................................

কাৰ্য নং-১৬

**বাকচত থকা আখৰেৰে শব্দ সাজি লিখা —** /৬

| | | |
|---|---|---|
| ই | লা | ক |
| ম | চ | ন্দ্ৰ |

মই

| | |
|---|---|
| | |
| | |
| | |

কাৰ্য নং-১৭

**শ্ৰুতলিপি—**

..........................................................................................

সপ্তাহ-১২
দিন- ৬
DD/MM/YYYY

নিদানমূলক

**নিৰ্দেশনা ঃ-**

- শিক্ষকে শিক্ষাৰ্থীক নিজে পঢ়িবলৈ দিব আৰু প্ৰয়োজনত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শিক্ষাৰ্থীৰ শিকন পৰ্যায়ৰ ভিত্তিত অতিৰিক্ত কাৰ্য কৰাব।

**কাৰ্য নং-১৮**

**পঢ়োঁ আহা—**

আজি ৰাজৰ জন্মদিন। মনু আৰু ইন্দ্ৰই ৰাজলৈ উপহাৰ আনিছে। সিহঁত ৰাজৰ বন্ধু। মনুৱে ৰাজলৈ এটা বেলুন আনিছে আৰু ইন্দ্ৰই এখন কিতাপ আনিছে। ৰাজে দুয়োকে পিঠা আৰু মিঠাই খাবলৈ দিছে। সিহঁত সকলোৱে মিলি খুউব আনন্দ কৰিলে।

**কাৰ্য নং-১৯**

**উত্তৰ কওঁ আৰু লিখোঁ আহা —**

ক) আজি কাৰ জন্মদিন?

উত্তৰ ..........................................................................

খ) কোনে ৰাজলৈ কিতাপৰ উপহাৰ আনিছিল?

উত্তৰ ..........................................................................

গ) তোমাৰ জন্মদিনটোত তুমি কি কি কৰা লিখা

উত্তৰ ..........................................................................

**কাৰ্য নং-২০**

**উপযুক্ত শব্দৰে খালী ঠাই পূৰ কৰোঁ আহা—**

ক) সি জন্মদিনত বহুতো .......................... পালে। (উপহাৰ/পুৰস্কাৰ)

খ) মায়ে ......................... ত ৰন্ধা-বঢ়া কৰে। (ভঁৰাল/পাকঘৰ)

**কাৰ্য নং-২১**

**অতিৰিক্ত কাৰ্য—**

নিৰ্দেশনা ঃ-

- শিক্ষকে পুনৰ অনুশীলনৰ বাবে তলৰ ক্ৰিয়া-কলাপসমূহ কৰাব।
- শিক্ষকে পাঠটো পঢ়াত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শব্দাৱলী সম্পৰ্কে আলোচনা কৰিব আৰু শব্দাৱলীৰ অৰ্থ বুজাত শিক্ষাৰ্থীক সহায় কৰিব।

## কাৰ্য নং-১

**পঢ়োঁ আহা—**

আজি স্কুলৰ কুইজ প্ৰতিযোগিতাত দীপকহঁত প্ৰথম হ'ল। দীপকৰ লগত জ্যোৎস্নাও আছিল। সিহঁত দুয়োৰে মনত বৰ আনন্দ। সিহঁতে দুখন কিতাপ আৰু এটা ট্ৰফী পুৰস্কাৰ পালে। দুয়ো তৃতীয় শ্ৰেণীত পঢ়ে।

**শব্দাৱলী**

জ্যোৎস্না , পুৰস্কাৰ
আনন্দ , স্কুল

## কাৰ্য নং-২

**কওঁ আৰু লিখোঁ আহা—**

ক) কুইজ প্ৰতিযোগিতাত দীপকৰ দলত কোন আছিল ?

........................................................................................................

খ) সিহঁতে কি কি পুৰস্কাৰ পালে ?

........................................................................................................

গ) তুমি কি কি প্ৰতিযোগিতাত যোগদান কৰি পাইছা ?

........................................................................................................

## কাৰ্য নং-৩

**ঘেৰত দিয়া আখৰ বহুৱাই শব্দ গঠন কৰোঁ আহা—**

স্কা ন্ন স্না স্প

পুৰ............ৰ    প্ৰস...............

...............ন্দন    ..................ন

**নিৰ্দেশনা ঃ-**

- শিক্ষকে আগদিনা পঢ়ি অহা দফাটো শিক্ষাৰ্থীসকলক গাইগুটীয়াকৈ পঢ়িবলৈ দিব।
- শিক্ষকে তলৰ ক্ৰিয়া-কলাপসমূহ কৰাব।

### কাৰ্য নং-৪

**আপেলটোৰ পৰা উপযুক্ত শব্দ লৈ খালী ঠাই পূৰ কৰোঁ আহা —**




ক) আজি বিদ্যালয়ত ................................ প্ৰতিযোগিতা হৈছিল।

খ) স্পৃহাৰ এডাল কাঠৰ ................................ আছে।

গ) বৰদোৱা এখন তীৰ্থ ............................. ।

ঘ) .............................ভালে ৰাখিবলৈ ব্যায়াম কৰিব লাগে।

### কাৰ্য নং-৫

**স্বাস্থ্য ভালে ৰাখিবলৈ কি কি কৰিব লাগে কওঁ আহা—**

### কাৰ্য নং-৬

**উপযুক্ত স্থানত ‘স্ক’ আৰু ‘স্থা’ বহুৱাই খালী ঠাই পূৰ কৰোঁ আহা —**

ভা............ৰ প্ৰ................ন ...........পন

### কাৰ্য নং-৭

**তলত দিয়া ৰঙৰ একোটাকৈ ফুলৰ নাম লিখোঁ আহা—**

ৰঙা → 

নীলা → 

বেঙুনীয়া → 

হালধীয়া → 

নিৰ্দেশনা ঃ-

● শিক্ষকে তলৰ ক্ৰিয়া-কলাপসমূহ কৰাব।

### কাৰ্য নং-৮

**পঢ়োঁ আহা —**

কাইলৈ গৰু বিহু। স্নেহাহঁতৰ ঘৰত আজি উখল-মাখল। ৰাতিপুৱা গৰুক গা ধুৱাব। স্নেহাৰ দেউতাকে গৰুৰ বাবে চাট্ সাজিবলৈ লাও, বেঙেনা, তিতা-কেৰেলা, থেকেৰা আদি আনিছে। মাকে মাটিমাহ তিয়াই থৈছে আৰু হালধিও গোটাই থৈছে। সকলোৰে মিলি গৰুক গা ধুৱাব।

### কাৰ্য নং-৯

**কথা পাতোঁ আহা—**

ক) স্নেহাহঁতৰ ঘৰত কিয় উখল-মাখল পৰিৱেশ আছিল?

খ) স্নেহাৰ দেউতাকে বজাৰৰ পৰা কি কি আনিছিল?

গ) তোমালোকে কি কি উৎসৱ পালন কৰা আৰু উৎসৱত কি কি কৰা?

### কাৰ্য নং-১০

**ৰঙালী বিহুৰ লগত জড়িত চাৰিটা শব্দ বাকচৰ ভিতৰত লিখোঁ আহা—**



নির্দেশনা ঃ-

- শিক্ষকে আগদিনা পঢ়ি অহা দফাটো শিক্ষার্থীসকলক গাইগুটীয়াকৈ পঢ়িবলৈ দিব।
- শিক্ষকে তলৰ ক্ৰিয়া-কলাপসমূহ কৰাব।
- শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ শিকন স্তৰৰ ভিত্তিত অতিৰিক্ত কাৰ্য কৰাব।

**কাৰ্য নং-১১**

**কওঁ আৰু লিখোঁ আহা—**

ক) তোমালোকৰ ঘৰত উখল-মাখল পৰিৱেশ কেতিয়া হয়?

উত্তৰ ..........................................................................

খ) স্নেহাৰ দেউতাকে চাট্ প্ৰস্তুত কৰিবলৈ কি কি আনিছিল?

উত্তৰ ..........................................................................

গ) যিকোনো উৎসৱ এটাৰ নাম লিখি দুটা বাক্য লিখোঁ আহা

উত্তৰ ..........................................................................

..........................................................................

**কাৰ্য নং-১২**

**'মকৰাজাল' শব্দটোত থকা আখৰবোৰেৰে দুটাকৈ শব্দ লিখোঁ আহা—**

| | | |
|---|---|---|
| ম | মটৰ | মহ |
| ক | ........................ | ........................ |
| ৰা | ........................ | ........................ |
| জা | ........................ | ........................ |
| ল | ........................ | ........................ |

**কাৰ্য নং-১৩**

**একে অৰ্থ বুজোৱা শব্দবোৰ মিলাওঁ আহা —**

| | | | |
|---|---|---|---|
| পাকঘৰ | দুখ | জংঘল | জিৰণি |
| বিশ্ৰাম | ৰান্ধনি ঘৰ | বেজাৰ | হাবি |

**কাৰ্য নং-১৪**

**অতিৰিক্ত কাৰ্য—**

নির্দেশনা ঃ-

- শিক্ষকে তলত দিয়া ছবিখন চাই ছবিখনৰ বিষয়ে আলোচনা কৰিবলৈ আৰু দফাটোৰ শিৰোনাম সম্পৰ্কে অনুমান কৰিবলৈ দিব।
- শিক্ষকে পাঠটো পঢ়াত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শব্দাৱলী সম্পৰ্কে আলোচনা কৰিব আৰু শব্দাৱলীৰ অৰ্থ বুজাত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে পুনৰ অনুশীলনৰ বাবে তলৰ কাৰ্যবোৰ কৰাব।

কাৰ্য নং-১

পঢ়োঁ আহা—

অৰ্ণব আৰু স্পন্দনে এদিন এখন উদ্যানলৈ গৈছিল। উদ্যানৰ সন্মুখতে তেওঁলোকে এখন জাননী ফলক দেখিলে। ফলখন তেওঁলোকে মনোযোগেৰে পঢ়িলে।

জাননী

উদ্যানলৈ আপোনালোকক স্বাগতম্ জনাইছোঁ। ইয়াৰ ৰঙ-বিৰঙী ফুল আৰু বিভিন্ন গছবোৰ আমাৰ বৰ মৰমৰ। অনুগ্ৰহ কৰি ফুলবোৰ স্পৰ্শ নকৰিব। স্পৰ্শ কৰিলে সিহঁতে কষ্ট পায় আৰু মৰহি যায়।

— ধন্যবাদ

শব্দাৱলী

| | |
|---|---|
| স্বাগতম্ | স্পৰ্শ |
| স্পন্দন | উদ্যান |
| জাননী | সন্মুখ |

কাৰ্য নং-২

কওঁ আৰু লিখোঁ আহা—

ক) উদ্যানখনত কি কি আছিল ?
উত্তৰ ঃ ..........................................................................

খ) অৰ্ণৱ আৰু স্পন্দনে জাননী ফলকখন কেনেদৰে পঢ়িছিল ?
উত্তৰ ঃ ..........................................................................

গ) উদ্যানখনলৈ অৰ্ণবৰ সৈতে কোন গৈছিল ?
উত্তৰ ঃ ..........................................................................

ঘ) দুবিধ ৰঙা ফুলৰ নাম কোৱা আৰু লিখা।
উত্তৰ ঃ ..........................................................................

কাৰ্য নং-৩

'স্প'-থকা তিনিটা শব্দ লিখোঁ আহা—

স্পৰ্শ
........................ ........................ ........................ ........................

........................

নির্দেশনা ঃ-

- শিক্ষকে পুনৰ অনুশীলনৰ বাবে তলৰ কাৰ্যবোৰ কৰাব।

**কাৰ্য নং-৪**

বৰষুণৰ লগত জড়িত থকা শব্দ কওঁ আৰু বাকচৰ ভিতৰত লিখোঁ আহা—




**কাৰ্য নং-৫**

'ৰসৰাজ' শব্দটোৰ আখৰবোৰৰ পৰা নতুন শব্দ লিখোঁ আহা—

ৰ ..............

স ..............

ৰা ..............

জ ..............

**কাৰ্য নং-৬**

বাক্য লিখোঁ আহা—

বৰষুণ ..............................................................................

নাও ..............................................................................

বানপানী ..............................................................................

আশ্ৰয় ..............................................................................

**কাৰ্য নং-৭**

তলৰ বাক্যকেইটা পঢ়োঁ আহা—

বাৰিষাকালত বৰষুণ দিয়ে। জ্যোৎস্নাই স্কুললৈ যাওঁতে বৰষুণত তিতিলে। স্কুলৰ কাষত পূজাস্থলী। পূজাস্থলীতো পানী জমা হৈছে।

নিৰ্দেশনা ঃ-
- শিক্ষকে পাঠটো পঢ়াত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শব্দাৱলী সম্পৰ্কে আলোচনা কৰিব আৰু শব্দাৱলীৰ অৰ্থ বুজাত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি অহা ৪-৫ টা শব্দৰ এটা সহজ বাক্য দিব।

## কাৰ্য নং-৮

**পঢ়োঁ আহা—**

**শব্দাৱলী**

আনন্দ
চিলা
ক্ষন্তেক

আনন্দই মুকলি পথাৰত চিলা উৰুৱাই আছিল। হঠাৎ চিলাখনৰ সূতাডাল ছিঙি গ'ল। চিলাখন বতাহত উৰি গৈ গৈ নৈৰ পানীত পৰিল। আনন্দৰ বৰ দুখ লাগিল। সি নৈৰ পাৰতে চিলাখন চাই ক্ষন্তেক সময় বহি থাকিল।

## কাৰ্য নং-৯

**কথা পাতোঁ আহা—**

(ক) পথাৰত কোনে চিলা উৰুৱাই আছিল?
(খ) সূতাডাল ছিগাৰ পাছত চিলাখন ক'ত পৰিল?
(গ) তুমি চিলা উৰুৱাই পাইছানে? চিলা সাজিবলৈ কি কি লাগে?

## কাৰ্য নং-১০

**বিপৰীত শব্দৰ লগত আঁচটানি মিলাওঁ আহা—**

| | |
|---|---|
| বন্ধ | প্ৰসন্ন |
| বিষণ্ণ | সাহসী |
| ডাঙৰ | খোলা |
| ভয়াতুৰ | সৰু |

## কাৰ্য নং-১১

**শ্ৰুতলিপি —**

..........................................................................................

নিৰ্দেশনা ঃ-

- শিক্ষকে শিক্ষাৰ্থীসকলক আগদিনা পঢ়ি অহা দফাটো গাইগুটীয়াকৈ পঢ়িবলৈ দিব।
- শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ লিখন স্তৰৰ ভিত্তিত অতিৰিক্ত কাৰ্য কৰাব।

### কাৰ্য নং-১২

লিখোঁ আহা—

(ক) আনন্দই ক'ত চিলা উৰুৱাই আছিল?

উত্তৰ ঃ ..............................................................................................

(খ) আনন্দৰ কিয় দুখ লাগিছিল।

উত্তৰ ঃ ..............................................................................................

(গ) খেলি খেলি ভাগৰ লাগিলে তুমি কি কৰা?

উত্তৰ ঃ ..............................................................................................

### কাৰ্য নং-১৩

চিলা এখনৰ ছবি আঁকি চিলাৰ বিষয়ে দুটা বাক্য কওঁ আৰু লিখোঁ আহা—

..............................................................

..............................................................

### কাৰ্য নং-১৪

তলৰ শব্দবোৰৰ সহায়ত বাক্য গঠন কৰোঁ আহা—

পথাৰ ..............................................................

জংঘল ..............................................................

জিৰণি ..............................................................

### কাৰ্য নং-১৫

অতিৰিক্ত কাৰ্য—

সপ্তাহ-১৫
দিন- ১
DD/MM/YYYY

অনুশীলনী

**নির্দেশনা ঃ-**
- শিক্ষকে 'স্ফ', 'স্ত্র' যুক্তাক্ষৰ দুটা বুজাই দিব আৰু শুদ্ধকৈ লিখিবলৈ শিকাব।
- শিক্ষকে তলত দিয়া ছবিখন চাই ছবিখনৰ বিষয়ে আলোচনা কৰিবলৈ আৰু দফাটোৰ শিৰোনাম সম্পৰ্কে অনুমান কৰিবলৈ দিব।
- শিক্ষকে পাঠটো পঢ়াত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শব্দাৱলী সম্পৰ্কে আলোচনা কৰিব আৰু শব্দাৱলীৰ অৰ্থ বুজাত শিক্ষাৰ্থীক সহায় কৰিব।

স্ফ, স্ত্র

**কাৰ্য নং-১**

**পঢ়োঁ আহা—**

ৰবীন্দ্ৰ আৰু প্ৰমিলাৰ আজি বৰ স্ফূৰ্তি। সিহঁত মাহীয়েক ইন্দ্ৰানীৰ ঘৰলৈ ফুৰিবলৈ গৈছে। সিহঁতে মাহীয়েকৰ ঘৰৰ পাছ ফালে থকা বাৰীৰ আম গছৰ পৰা পকা পকা আম পাৰি খালে। সিহঁতে বাৰীৰ পুখুৰীত মহাকে মাছ মাৰি থকাও চালে। মাহীয়েকে সিহঁতক কোমল চাউলৰ জলপান খুৱালে।

**শব্দাৱলী**

| | | |
|---|---|---|
| স্ফূৰ্তি | বাৰী | ৰবীন্দ্ৰ |
| ইন্দ্ৰানী | জলপান | পুখুৰী |



**কাৰ্য নং-২**

**কথা পাতোঁ আহা—**

ক) আজি কাৰ কাৰ বৰ স্ফূৰ্তি?
খ) সিহঁতে বাৰীত কি কৰিছিল?
গ) মাহীয়েকে সিহঁতক কি খুৱাইছিল?
ঘ) তুমি কি কি খাই ভালপোৱা?
ঙ) তোমালোকে গাওঁৰ পৰিৱেশত কি কি দেখা পোৱা?

**কাৰ্য নং-৩**

**মাছ মৰা দুবিধ সঁজুলিৰ নাম লিখোঁ আহা—**

.................................................. ..................................................

..................

**নির্দেশনা ঃ-**

- শিক্ষকে শিক্ষাৰ্থীসকলক আগদিনা পঢ়ি অহা দফাটো গাইগুটীয়াকৈ পঢ়িবলৈ দিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি অহা ৬-১০ টা শব্দৰ এটা বা দুটা সহজ বাক্য দিব।

### কাৰ্য নং-৪

**লিখোঁ আহা—**

ক) প্ৰমীলা আৰু ৰবীন্দ্ৰ ক'লৈ ফুৰিবলৈ গৈছিল?

উত্তৰ ঃ ..............................................................

খ) সিহঁতে মাহীয়েকৰ বাৰীত কি খাইছিল?

উত্তৰ ঃ ..............................................................

গ) মহাকে ক'ত মাছ মাৰি আছিল?

উত্তৰ ঃ ..............................................................

ঘ) বাৰী এখনত সোমালে কি কি গছ দেখা পোৱা যায় কোৱা আৰু লিখা।

উত্তৰ ঃ ..............................................................

### কাৰ্য নং-৫

**পঢ়োঁ আহা—**

| | | |
|---|---|---|
| বস্ত্ৰ | স্ফটিক | শাস্ত্ৰ |
| বস্ত্ৰালয় | আস্ফালন | শাস্ত্ৰীয় |
| বিস্ফোৰণ | বন্ধু | |

### কাৰ্য নং-৬

**শ্ৰুতলিপি—**

.............................................................................................

.............................................................................................

অনুশীলনী

**নিৰ্দেশনা ঃ-**

- শিক্ষকে তলত দিয়া ছবিখন চাই ছবিখনৰ বিষয়ে আলোচনা কৰিবলৈ আৰু দফাটোৰ শিৰোনাম সম্পৰ্কে অনুমান কৰিবলৈ দিব।
- শিক্ষকে পাঠটো পঢ়াত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শব্দাৱলী সম্পৰ্কে আলোচনা কৰিব আৰু শব্দাৱলীৰ অৰ্থ বুজাত শিক্ষাৰ্থীক সহায় কৰিব।

### কাৰ্য নং-৭

**পঢ়োঁ আহা—**

সোণটিৰ মাকে চৰিয়া এটাত
পানী থৈছিল আনি,
চাবোন এটুকুৰাও আনি থৈছিল
ধুবলৈ কাপোৰ-কানি।
কাষতে আছিল তাৰ ভনীয়েক
দৰা-কইনা খেলি,
সাউৎকৰে তাই নীলৰ বটলটো
চৰিয়াতে দিলে ঢালি।
তেনেতে এজনী মেকুৰী আহি
নীলৰ পানীতে পৰিল,
নীলা ৰঙৰ মেকুৰীটো দেখি
সিহঁতৰ মাত হৰিল।

**শব্দাৱলী**

সাউৎকৰে নীল
মাত হৰিল



### কাৰ্য নং-৮

**কথা পাতোঁ আহা—**

ক) সোণটিৰ মাকে চৰিয়াত কি আনি থৈছিল?
খ) কাপোৰ-কানি ধুবলৈ সোণটিৰ মাকে কি আনি থৈছিল?
গ) মেকুৰীটোৰ ৰঙ কেনেকৈ নীলা হ'ল?
ঘ) তুমি নীলা ৰঙৰ আন কি কি বস্তু দেখিছা?

### কাৰ্য নং-৯

**মেকুৰীৰ বিষয়ে দুশাৰী বাক্য লিখোঁ আহা—**

.............................................................................................................

.............................................................................................................

অনুশীলনী

**নিৰ্দেশনা ঃ-**

- শিক্ষকে শিক্ষাৰ্থীসকলক আগদিনা পঢ়ি অহা পদ্য গাইগুটীয়াকৈ পঢ়িবলৈ দিব।

**কাৰ্য নং-১০**

**পদ্যটো কাহিনী হিচাপে কওঁ আহা—**

**কাৰ্য নং-১১**

**বাকচৰ ভিতৰত থকা আখৰবোৰ লগলগাই শব্দ সাজি লিখোঁ আৰু পঢ়োঁ আহা—**

| | | | | | |
|---|---|---|---|---|---|
| চা | কু | চ | ৰি | নী | মে |
| ৰী | য়া | বো | ন | ল | |

**কাৰ্য নং-১২**

**উত্তৰ লিখোঁ আহা —**

(ক) সোণটিৰ মাকে পানী আনি ক'ত থৈছিল?

উত্তৰ ঃ ...................................................................

(খ) সোণটিৰ ভনীয়েকে চৰিয়াত কি ঢালি দিলে?

উত্তৰ ঃ ...................................................................

(গ) মেকুৰীটো কেনেকৈ নীলা হ'ল?

উত্তৰ ঃ ...................................................................

...................................................................

....................

মূল্যায়ন

**নিৰ্দেশনা ঃ-**

- শিক্ষকে শিক্ষাৰ্থীক গাইগুটীয়াকৈ পঢ়িবলৈ দিব আৰু মুঠ কিমানটা শব্দ পঢ়িব পাৰিছে আৰু কিমাটা প্ৰশ্নৰ উত্তৰ লিখিব পাৰিছে তাৰ মূল্যায়ন কৰি কাষৰ বাকচত লিখিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি অহা ৬-১০ টা শব্দৰ এটা বা দুটা সহজ বাক্য দিব।

**কাৰ্য নং-১৩**

**পঢ়া—** 

/৪০

এখন হাবিত হৰিণা পোৱালী এটাই ঘাঁহ খাই আছিল। হৰিণাটোক দেখি সিংহ এটা তাৰফালে আগবাঢ়ি আহিল। তেনেতে ভালুক এটায়ো হৰিণাটোৰ ফালে দৌৰি আহিল। তাক দেখি সিংহৰ খং উঠিল। দুয়োৰে মাজত তয়া-ময়া যুঁজ লাগিল। যুঁজি থাকোতে হৰিণাটো তাৰ পৰা দৌৰি পলাল।

**কাৰ্য নং-১৪**

**লিখা—**

(ক) হৰিণা পোৱালীটোৱে ক'ত ঘাঁহ খাই আছিল? /১

...............................................................................

(খ) কাৰ কাৰ মাজত তয়া-ময়া যুঁজ লাগিছিল? /১

...............................................................................

(গ) হৰিণাটোৱে নিজৰ প্ৰাণ ৰক্ষা কৰিবলৈ কি কৰিলে? /২

...............................................................................

**কাৰ্য নং-১৫**

**শ্ৰুতলিপি—**

...............................................................................

...............................................................................

সপ্তাহ-১৫V
দিন- ৬
DD/MM/YYYY

নিদানমূলক

**নির্দেশনা ঃ-**

- শিক্ষকে শিক্ষাৰ্থীক পঢ়িবলৈ দিব আৰু প্ৰয়োজনত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শিক্ষাৰ্থীৰ শিকন পৰ্যায়ৰ ভিত্তিত অতিৰিক্ত কাৰ্য কৰাব।

### কাৰ্য নং-১৬

**পঢ়োঁ আহা—**

এখন হাবি আছিল। হাবিখনত বহুত পশু আছিল। এদিন গাধ এটাই এঠাইত সিংহৰ ছাল এখন পৰি থকা দেখা পালে। গাধটোৱে সিংহৰ ছালখন পিন্ধি হাবিৰ সকলো পশুকে ভয় খুৱাবলৈ ধৰিলে। সিংহৰ ভেশচন লৈ সকলোকে ভয় খুৱাই গাধটোৱে বৰ স্ফূৰ্তি পালে।

### কাৰ্য নং-১৭

**কওঁ আৰু লিখোঁ আহা—**

ক) হাবিখনত কি আছিল?

.................................................................................

খ) গাধটোৱে কি পৰি থকা দেখা পাইছিল?

.................................................................................

গ) সকলো পশুক ভয় খুৱাবলৈ গাধটোৱে কি কৰিছিল?

.................................................................................

### কাৰ্য নং-১৮

**আখৰ-জালৰ পৰা শব্দ সাজি বাকচত লিখোঁ আহা—**

| | | | | |
|---|---|---|---|---|
| প্ৰ | জ্ঞা | ন | দ | হি |
| তি | প | ই | ন্দ্ৰ | মা |
| পা | ণ | গা | ব | ল |
| ল | ল | শা | স্ত্ৰী | য় |

### কাৰ্য নং-১৪

**অতিৰিক্ত কাৰ্য—**

........................

সপ্তাহ-১৬
দিন- ১
DD/MM/YYYY

অনুশীলনী

**নির্দেশনা ঃ-**

- শিক্ষকে 'ধ্ব, 'শ্ব' যুক্তাক্ষৰ দুটা বুজাই দিব আৰু শুদ্ধকৈ লিখিবলৈ শিকাব।
- শিক্ষকে তলত দিয়া ছবিখন চাই ছবিখনৰ বিষয়ে আলোচনা কৰিবলৈ আৰু দফাটোৰ শিৰোনাম সম্পৰ্কে অনুমান কৰিবলৈ দিব।
- শিক্ষকে পাঠটো পঢ়াত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শব্দাৱলী সম্পৰ্কে আলোচনা কৰিব আৰু শব্দাৱলীৰ অৰ্থ বুজাত শিক্ষাৰ্থীক সহায় কৰিব।

ধ্ব, শ্ব

**কাৰ্য নং-১**

**পঢ়োঁ আহা—**

**শব্দাৱলী**

| | |
|---|---|
| বাহ | দোলনা |
| গীত | থিৰাং |



এজনী চৰাই আছিল। এদিন তাই উৰি উৰি ভাবি আছিল যে তাই ক'ত বাহ সাজিব। তেনেতে তাই দূৰত এজোপা গছ দেখিলে। গছজোপাত এজনী সৰু ছোৱালীয়ে দোলনাত খেলি গীত গাই থকা দেখা পালে। চৰাইজনীয়ে গীত বৰ ভাল পাইছিল। সেয়ে সেই গছজোপাতে তাই বাহ সাজিবলৈ থিৰাং কৰিলে।

**কাৰ্য নং-২**

**কথা পাতোঁ আহা—**

ক) চৰাইজনীয়ে কি ভাবি উৰি আছিল?

খ) এজোপা গছত ছোৱালীজনীয়ে কি কৰি আছিল?

গ) চৰাইজনীয়ে সেই গছজোপাতে কিয় বাহ সাজিছিল?

ঘ) তোমালোকে চৰাইৰ বাহ দেখিছানে? চৰাইয়ে কেনেকৈ বাহ সাজে?

**কাৰ্য নং-৩**

**দুবিধ চৰাইৰ নাম লিখোঁ আহা—**

............................................ ............................................

.....................

**নির্দেশনা ঃ-**

- শিক্ষকে শিক্ষাৰ্থীসকলক আগদিনা পঢ়ি অহা দফাটো গাইগুটীয়াকৈ পঢ়িবলৈ দিব।

**কাৰ্য নং-৪**

**উত্তৰ লিখোঁ আহা—**

(ক) চৰাইজনীয়ে ছোৱালীজনীক কি কৰি থকা দেখা পাইছিল?

উত্তৰ ঃ ..........................................................................

(খ) ছোৱালীজনীয়ে কি কৰি আছিল?

উত্তৰ ঃ ..........................................................................

(গ) তুমি কাৰ গান শুনি ভালপোৱা?

উত্তৰ ঃ ..........................................................................

**কাৰ্য নং-৫**

**চৰাইৰ বিষয়ে কথা পাতোঁ আহা—**

**কাৰ্য নং-৬**

**'ধ্ব' আৰু 'শ্ব' থকা শব্দবোৰ গছজোপাৰ পৰা বাছি উলিয়াই বাকচৰ ভিতৰত লিখোঁ আহা—**



সপ্তাহ-১৬
দিন- ৩
DD/MM/YYYY

অনুশীলনী

**নির্দেশনা ঃ-**

- শিক্ষকে তলত দিয়া ছবিখন চাই ছবিখনৰ বিষয়ে আলোচনা কৰিবলৈ আৰু দফাটোৰ শিৰোনাম সম্পৰ্কে অনুমান কৰিবলৈ দিব।
- শিক্ষকে পাঠটো পঢ়াত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শব্দাৱলী সম্পৰ্কে আলোচনা কৰিব আৰু শব্দাৱলীৰ অৰ্থ বুজাত শিক্ষাৰ্থীক সহায় কৰিব।

**কাৰ্য নং-৭**

পঢ়োঁ আহা—

শব্দাৱলী

হঠাৎ সন্মুখ



ভাস্বতীয়ে এদিন শুই থাকোতে এটা সপোন দেখিলে। সপোনত তাই হাবিৰ মাজলৈ সোমাই গৈ আছিল। হঠাৎ হাবিৰ মাজত এটা বাঘ তাইৰ সন্মুখলৈ অহা দেখি তাই বৰ ভয় খালে। ভয়তে তাই দৌৰিবলৈ ধৰিলে। সপোনত দৌৰি থাকোতেই তাই সাৰ পালে। সাৰ পাই তাই নিজকে মাকৰ ওচৰত পালে।

**কাৰ্য নং-৮**

কথা পাতোঁ আহা—

ক) শুই থকা ছোৱালীজনীৰ নাম কি আছিল?
খ) ছোৱালীজনীয়ে সপোনত কি দেখিছিল?
গ) সপোনত হঠাৎ হাবিৰ মাজত কি ওলাইছিল?
ঘ) তুমি কেতিয়াবা সপোন দেখিছানে? সপোনত কি কি দেখিছা?

**কাৰ্য নং-৯**

বাক্য সাজি লিখোঁ আহা—

সপোন ..........................................................................................
ভয় ..........................................................................................
বিছনা ..........................................................................................

..................

অনুশীলনী

**নিৰ্দেশনা ঃ-**

- শিক্ষকে শিক্ষাৰ্থীসকলক আগদিনা পঢ়ি অহা দফাটো গাইগুটীয়াকৈ পঢ়িবলৈ দিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি অহা ৬-১০ টা শব্দৰ এটা বা দুটা সহজ বাক্য দিব।

### কাৰ্য নং-১০

**লিখোঁ আহা—**

ক) শুই থকা ছোৱালীজনীৰ নাম কি ?

উত্তৰ ঃ .............................................................

খ) সপোনত তাই কি দেখিলে ?

উত্তৰ ঃ .............................................................

### কাৰ্য নং-১১

**কি দেখিলে আমাৰ ভয় লাগে কওঁ আহা—**

### কাৰ্য নং-১২

**কাষৰ ফুলটোৰ পৰা উপযুক্ত শব্দ বাছি উলিয়াই খালী ঠাই পূৰ কৰোঁ**




ক) গছ এজোপাত এজনী ছোৱালীয়ে .................. ত খেলি আছিল।

খ) তাই .........................গাই আছিল।

গ) শুই থকা ছোৱালীজনীৰ নাম ............................ ।

ঘ) ছোৱালীজনীয়ে সপোনত ..................... দেখিছিল।

ঙ) .................... তাই দৌৰিবলৈ ধৰিলে।

### কাৰ্য নং-১৩

**শ্ৰুতলিপি—**

..........................................................................................................

..........................................................................................................

সপ্তাহ-১৬
দিন- ৫
DD/MM/YYYY

মূল্যায়ন

**নিৰ্দেশনা ঃ-**

- শিক্ষকে শিক্ষাৰ্থীক গাইগুটীয়াকৈ পঢ়িবলৈ দিব আৰু মুঠ কিমানটা শব্দ পঢ়িব পাৰিছে আৰু কিমানটা প্ৰশ্নৰ উত্তৰ লিখিব পাৰিছে তাৰ মূল্যায়ন কাষৰ বাকচত লিখিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি অহা ৬-১০ টা শব্দৰ এটা বা দুটা সহজ বাক্য দিব।

**কাৰ্য নং-১৪**

পঢ়া— (/৪৫)

বিহুৰ বতৰ। শ্বেতা আৰু ধ্বনিতাৰ ঘৰলৈ সিহঁতৰ বান্ধৱী ববিতা আহিল। তিনিও মিলি বহুত খেলিলে। তাৰ পাছত তিনিও মিলি ভাত ৰান্ধিলে। ভাতৰ লগত খাবলৈ থেকেৰা টেঙাৰে মাছ ৰান্ধিলে। সকলোৱে মিলি আনন্দৰে এসাজ খালে। তাৰ পাছত সকলোৱে মিলি বিহু চাবলৈ গ'ল। দীপকহঁতৰ ওচৰৰ খেলপথাৰখনত বিহুমেলা চলি আছিল।

**কাৰ্য নং-১৫**

লিখা—

ক) শ্বেতা আৰু ধ্বনিতাৰ ঘৰলৈ কোন আহিছিল? (/১)
উত্তৰ ..................................................................

খ) সিহঁতে মাছ কিহেৰে ৰান্ধিলে? (/১)
উত্তৰ ..................................................................

গ) বহাগ বিহুত তুমি কি কি কৰা? (/২)
উত্তৰ ..................................................................

**কাৰ্য নং-১৬**

বাহিৰত খেলা খেল বোৰত ◯ চিন দিয়া— (/৩)

ফুটবল লুডু ক্ৰিকেট কেৰমব'ৰ্ড
টেবুল টেনিছ কাবাডী

**কাৰ্য নং-১৭**

শ্ৰুতলিপি—

..................................................................

..................................................................

সপ্তাহ-১৬

দিন- ৬

DD/MM/YYYY

নিদানমূলক

**নির্দেশনা ঃ-**

- শিক্ষকে শিক্ষাৰ্থীক পঢ়িবলৈ দিব আৰু প্ৰয়োজনত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শিক্ষাৰ্থীৰ শিকন পৰ্যায়ৰ ভিত্তিত অতিৰিক্ত কাৰ্য কৰাব।

**কাৰ্য নং-১৮**

**পঢ়োঁ আহা—**

সমীৰণ আৰু মণিমালাৰ ঘৰ ৰংপুৰত। ৰংপুৰৰ প্ৰাকৃতিক পৰিৱেশ বৰ সুন্দৰ। কাৰণ ৰংপুৰৰ প্ৰতিজন মানুহ প্ৰকৃতিৰ প্ৰতি সচেতন। তেওঁলোকে গছ ৰোৱে আৰু প্ৰতিপালন কৰে। বাটৰ কাষত তেওঁলোকে আম, বট আৰু ৰাধাচূড়া গছৰ পুলি ৰুইছে। পুলিবোৰ সুৰক্ষিত কৰি ৰাখিবলৈ তেওঁলোকে বাহঁৰ বেৰ দিছে। পুলিবোৰ লাহে লাহে ডাঙৰ হৈছে।

**কাৰ্য নং-১৯**

**আমি গছৰ পুলি কিয় ৰুব লাগে তাৰ বিষয়ে কথা পাতোঁ আহা —**

**কাৰ্য নং-২০**

**উত্তৰ লিখোঁ আহা—**

ৰংপুৰৰ মানুহে ৰংপুৰৰ প্ৰাকৃতিক পৰিৱেশ সুন্দৰ কৰি ৰাখিবলৈ কি কি কৰিছিল? তিনিটা কাৰ্য লিখা।

..............................................................................................

..............................................................................................

**কাৰ্য নং-২১**

**অতিৰিক্ত কাৰ্য—**

....................

নির্দেশনা ঃ-

- শিক্ষকে 'ক্র' ,'ষ্ণ' যুক্তাক্ষৰ দুটা বুজাই দিব আৰু শুদ্ধকৈ লিখিবলৈ শিকাব।
- শিক্ষকে তলত দিয়া ছবিখন চাই ছবিখনৰ বিষয়ে আলোচনা কৰিবলৈ আৰু দফাটোৰ শিৰোনাম সম্পৰ্কে অনুমান কৰিবলৈ দিব।
- শিক্ষকে পাঠটো পঢ়াত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শব্দাৱলী সম্পৰ্কে আলোচনা কৰিব আৰু শব্দাৱলীৰ অৰ্থ বুজাত শিক্ষাৰ্থীক সহায় কৰিব।

ক্র,ষ্ণ

কাৰ্য নং-১

পঢ়োঁ আহা—

শব্দাৱলী

| | | |
|---|---|---|
| পৰিৱেশ | প্ৰকৃতি | উদয় |
| ভঁৰাল | বন্ধুত্ব | প্ৰশ্ন |



গছ, নৈ, চৰাই-চিৰিকটিৰে ভৰা পৰিৱেশ বিক্ৰমৰ বৰ ভাল লাগে। প্ৰকৃতিক লৈ তাৰ মনত বহুতো প্ৰশ্ন উদয় হয়। নিজৰাবোৰ ক'ৰ পৰা বৈ আহে? চৰাইবোৰে কেনেকৈ বাহ সাজে? এইবোৰ কথা তাৰ জানিবলৈ মন যায়। বিক্ৰমে জানিব বিচৰা প্ৰশ্নৰ উত্তৰবোৰৰ ভঁৰাল হৈছে তাৰ ককাক। ককাকৰ সৈতে সেয়ে তাৰ বন্ধুত্ব বেছি।

কাৰ্য নং-২

কথা পাতোঁ আহা—

(ক) বিক্ৰমে কি ভাল পায়?
(খ) বিক্ৰমে নজনা কথা জানিবলৈ কাৰ ওচৰলৈ যায়?
(গ) ঘৰৰ কাৰ লগত কথা পাতি তোমাৰ ভাল লাগে?
(ঘ) চৰাইৰ বিষয়ে তোমাৰ কি জানিবলৈ মন যায় কোৱা।

কাৰ্য নং-৩

স্বৰ চিহ্ন লগাই লিখোঁ আৰু পঢ়োঁ আহা—

ক্র

| ী | ি | ে | া |
|---|---|---|---|
| ক্রী | | | |

নিৰ্দেশনা ঃ-

- শিক্ষকে শিক্ষাৰ্থীসকলক আগদিনা পঢ়ি অহা দফাটো গাইগুটীয়াকৈ পঢ়িবলৈ দিব।
- শিক্ষকে তলৰ কাৰ্যবোৰ কৰিবলৈ দিব।

**কাৰ্য নং-৪**

**উত্তৰ লিখোঁ আহা—**

ক) বিক্ৰমৰ কি পৰিৱেশ ভাল লাগে?

উত্তৰ ঃ ..............................................................................................

খ) কাৰ সৈতে বিক্ৰমৰ বন্ধুত্ব বেছি?

উত্তৰ ঃ ..............................................................................................

গ) তোমাৰ ভাল লগা এটা চৰাইৰ ছবি আঁকি চৰাইটোৰ বিষয়ে কোৱা আৰু দুটা বাক্য লিখা।

..............................................................

..............................................................

**কাৰ্য নং-৫**

**পঢ়োঁ আৰু লিখোঁ আহা—**

| চক্ৰ | বিক্ৰী | শুক্ৰবাৰ | ক্ৰিকেট | আক্ৰমণ | পৰাক্ৰমী |
|---|---|---|---|---|---|
| | | | | | |

**কাৰ্য নং-৬**

**'গছ'ৰ লগত জড়িত কিছুমান শব্দ লিখোঁ আহা—**

গছ

**নিৰ্দেশনা ঃ-**

- শিক্ষকে তলত দিয়া ছবিখন চাই ছবিখনৰ বিষয়ে আলোচনা কৰিবলৈ আৰু দফাটোৰ শিৰোনাম সম্পৰ্কে অনুমান কৰিবলৈ দিব।
- শিক্ষকে দফাটো পঢ়াত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শব্দাৱলী সম্পৰ্কে আলোচনা কৰিব আৰু শব্দাৱলীৰ অৰ্থ বুজাত শিক্ষাৰ্থীক সহায় কৰিব।

### কাৰ্য নং-৭

**পঢ়োঁ আহা—**

**শব্দাৱলী**

সহপাঠী ছাত্ৰ-সংসদ
আগৰণুৱা বক্তৃতা আবৃত্তি
প্ৰতিযোগিতা কৃষ্ণা বিষ্ণু



কৃষ্ণা আৰু ময়ূৰী সহপাঠী। তেওঁলোকে সময়মতে বিদ্যালয়লৈ আহে। বিষ্ণু ছাত্ৰ-সংসদৰ চাফাই মন্ত্ৰী। আটায়ে মিলি চাফ-চিকুণ কৰে। মাজে-মাজে তেওঁলোকে প্ৰাতঃসভা পৰিচালনা কৰে। কৃষ্ণা বৰ আগৰণুৱা। তাই প্ৰাতঃসভাত বক্তৃতা দিয়ে। তাই চাইকেলো চলাব জানে। বিষ্ণুৱে ভালকৈ কবিতা আবৃত্তি কৰে। সি এইবাৰ আবৃত্তি প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ পালে।

### কাৰ্য নং-৮

**কথা পাতোঁ আহা—**

ক) ছাত্ৰ-সংসদৰ চাফাই মন্ত্ৰী কোন?
খ) প্ৰাতঃসভাত কোনে বক্তৃতা দিয়ে?
গ) চাফ্-চিকুণ হৈ থাকিবলৈ তুমি কি কি কৰা?
ঘ) আমি কিয় চাফ-চিকুণ হৈ থাকিব লাগে?

### কাৰ্য নং-৯

**'পৰিচালনা' শব্দটোৰ আখৰবোৰেৰে বেলেগ বেলেগ শব্দ গঠন কৰি লিখোঁ আহা—**

প ... শিচম ...............................................
ৰি ...............................................
চা ...............................................
ল ...............................................
না ...............................................

**নিৰ্দেশনা ঃ-**

- শিক্ষকে শিক্ষাৰ্থীসকলক আগদিনা পঢ়ি অহা দফাটো গাইগুটীয়াকৈ পঢ়িবলৈ দিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি অহা ৬-১০ টা শব্দৰ এটা বা দুটা সহজ বাক্য দিব।

## কাৰ্য নং-১০

**লিখোঁ আহা—**

ক) কোনে ভালদৰে কবিতা আবৃত্তি কৰিব পাৰে?

উত্তৰ ঃ...................................................................................

খ) প্ৰাতঃসভাত কোনে বক্তৃতা দিয়ে?

উত্তৰ ঃ...................................................................................

গ) তোমালোকে প্ৰাতঃসভাত কি কি কৰা কোৱা আৰু লিখা।

উত্তৰ ঃ...................................................................................

## কাৰ্য নং-১১

**শব্দসমূহ পঢ়োঁ আৰু লিখোঁ আহা—**

তৃষ্ণা ......................................

উষ্ণ ......................................

বিতৃষ্ণা ......................................

সহিষ্ণু ......................................

## কাৰ্য নং-১২

**শ্ৰুতলিপি—**

..................................................................................................................

..................................................................................................................

সপ্তাহ-১৭
দিন- ৫
DD/MM/YYYY

মূল্যায়ন

**নিৰ্দেশনা ঃ-**

- শিক্ষকে শিক্ষাৰ্থীক গাইগুটীয়াকৈ পঢ়িবলৈ দিব আৰু মুঠ কিমানটা শব্দ পঢ়িব পাৰিছে আৰু কিমানটা প্ৰশ্নৰ উত্তৰ লিখিব পাৰিছে তাৰ মূল্যায়ন কৰি কাষৰ বাকচত লিখিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি অহা ৫-১০ টা শব্দৰ এটা বা দুটা সহজ বাক্য দিব।

**কাৰ্য নং-১৩**

পঢ়া— ৪৫

চিৰিগাঁৱত এতিয়া সকলোৱে নাৱৰে নদী পাৰ হৈ স্কুললৈ যায়। আগতে এখন বাঁহৰ দলং আছিল। এবাৰ ছাত্ৰ-ছাত্ৰীসকলে দলঙেৰে পাৰ হৈ স্কুললৈ গৈ থাকোতে দলংখন কেৰ্-মেৰ্ কৰিবলৈ ধৰিলে। সকলোৱে ভয়ত চিঞৰি উঠিল। দলংখন ভাঙি পানীত পৰিল। সকলোৱে পানীত জঁপিয়াই দিলে আৰু সাঁতুৰি সাঁতুৰি আহি পাৰত উঠিল।

**কাৰ্য নং-১৪**

উত্তৰ লিখা —

ক) আগতে চিৰিগাঁৱঁত ল'ৰা-ছোৱালীবোৰে কেনেকৈ স্কুললৈ গৈছিল? ১
উত্তৰ ঃ............................................................

খ) দলংখন কিহৰ আছিল? ১
উত্তৰ ঃ............................................................

গ) দলং খন ভাঙি পৰাত ছাত্ৰ-ছাত্ৰীসকলে কি কৰিলে? ২
উত্তৰ ঃ............................................................

**কাৰ্য নং-১৫**

পঢ়া— ৪

বিক্ৰম তৃষ্ণা আক্ৰমণ উষ্ণ

**কাৰ্য নং-১৬**

শ্ৰুতলিপি—

..........................................................................................................

..........................................................................................................

.....................

সপ্তাহ-১৭
দিন- ৬
DD/MM/YYYY

নিদানমূলক

**নিৰ্দেশনা ঃ-**

- শিক্ষকে শিক্ষাৰ্থীক পঢ়িবলৈ দিব আৰু প্ৰয়োজনত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শিক্ষাৰ্থীৰ শিকন পৰ্যায়ৰ ভিত্তিত অতিৰিক্ত কাৰ্য কৰাব।

**কাৰ্য নং-১৭**

**দফাটো পঢ়োঁ আহা—**

বুধুৱাহঁতৰ ঘৰ ফুলবাৰী চাহ বাগিচাত। দুৰ্গাপূজাৰ বাবে এতিয়া গোটেই চাহ বাগিচাখনতেই উখল-মাখল লাগি আছে। পূজাত বুধুৱাৰ দেউতাকে ছুটী পায়। দেউতাকে বুধুৱা আৰু বুধুৱাৰ ভনীয়েকক বজাৰলৈ লৈ যায়। পূজাত বুধুৱাহঁতে নতুন কাপোৰ পিন্ধে। পূজাৰ মেলাত বুন্দিয়া, নিমকি খায় আৰু বেলুন কিনে । সন্ধিয়া সকলোৱে একেলগে চিনেমা চায়।

**কাৰ্য নং-১৮**

**উত্তৰ কওঁ আৰু লিখোঁ আহা—**

ক) বুধুৱাহঁতৰ বাগানত কিয় উখল-মাখল লাগিছিল ?
উত্তৰ ঃ ................................................................

খ) দুৰ্গাপূজাত বুধুৱাহঁতে কি কি কৰে ?
উত্তৰ ঃ ................................................................

গ) তুমি পূজাত কি কি কৰা কোৱা আৰু লিখা।
উত্তৰ ঃ ................................................................

**কাৰ্য নং-১৯**

**তলত দিয়া যুক্তাক্ষৰ থকা একোটা শব্দ গঠন কৰি লিখোঁ আহা—**

| | | | |
|---|---|---|---|
| স্ব | স্বভাৱ | ত্ৰ | |
| ষ্ণ | | ন্ধ | |

**কাৰ্য নং-২০**

**অতিৰিক্ত কাৰ্য—**

নির্দেশনা ঃ-

- শিক্ষকে ‘ন্তু’,‘ণ্ড’ যুক্তাক্ষৰ দুটা বুজাই দিব আৰু শুদ্ধকৈ লিখিবলৈ শিকাব।
- শিক্ষকে তলত দিয়া ছবিখন চাই ছবিখনৰ বিষয়ে আলোচনা কৰিবলৈ আৰু দফাটোৰ শিৰোনাম সম্পৰ্কে অনুমান কৰিবলৈ দিব।
- শিক্ষকে দফাটো পঢ়াত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শব্দাৱলী সম্পৰ্কে আলোচনা কৰিব আৰু শব্দাৱলীৰ অৰ্থ বুজাত শিক্ষাৰ্থীক সহায় কৰিব।

ন্তু ,ণ্ড

**কাৰ্য নং-১**

**পঢ়োঁ আহা—**

শব্দাৱলী

ঠাণ্ডা পোৱালি
জীৱ-জন্তু থৰ্-থৰ্

তৰালী আৰু আবিদাই জীৱ-জন্তু বৰ ভাল পায়। সিহঁতে খেলপথাৰত সৰু মেকুৰী পোৱালি এটা দেখিলে। অকলশৰীয়া মেকুৰী পোৱালিটো ঠাণ্ডাতে থৰ্-থৰ্কৈ কঁপি আছিল। আবিদাই মৰমতে পোৱালিটোৰ ফালে চালে। অকলে থকা পোৱালিটোলৈ সিহঁতৰ বৰ বেয়া লাগিল। তেনেতে পোৱালিটোৰ মাক আহি পালে। পোৱালিটো মাকৰ ওচৰলৈ জঁপিয়াই গ'ল।



**কাৰ্য নং-২**

**কথা পাতোঁ আহা—**

ক) ছোৱালী দুজনীৰ নাম কি আছিল?

খ) ঠাণ্ডাত থৰ্ থৰ্কৈ কোনে কঁপিছিল?

গ) সিহঁতৰ মেকুৰী পোৱালিটো দেখি কিয় বেয়া লাগিছিল?

ঘ) তোমাৰ ভাল লগা জীৱ-জন্তুবোৰৰ নাম কোৱা?

**কাৰ্য নং-৩**

**ভাল লগা পাঁচটা জীৱ-জন্তুৰ নাম লিখোঁ আহা—**

............................ ............................ ............................

............................ ............................

............................

অনুশীলনী

**নিৰ্দেশনা ঃ-**

- শিক্ষকে শিক্ষাৰ্থীসকলক আগদিনা পঢ়ি অহা দফাটো গাইগুটীয়াকৈ পঢ়িবলৈ দিব।
- শিক্ষকে তলৰ কাৰ্যবোৰ কৰাব।

### কাৰ্য নং-৪

**লিখোঁ আহা—**

ক) তৰালীহঁতে খেলপথাৰত কি দেখিছিল?

উত্তৰ ঃ ..........................................................................

খ) তৰালী আৰু আবিদাই মেকুৰীটোক কেনে অৱস্থাত দেখা পাইছিল?

উত্তৰ ঃ ..........................................................................

### কাৰ্য নং-৫

**কওঁ আহা—**

থৰ্-থৰ্কৈ কঁপি থকা মেকুৰী পোৱালী এটা দেখিলে তুমি কি কৰিলাহেঁতেন?

### কাৰ্য নং-৬

**শব্দসমূহ কওঁ আৰু লিখোঁ আহা—**

| | | | |
|---|---|---|---|
| কিন্তু → | | | |
| জন্তু → | | | |
| ঠাণ্ডা → | | | |
| প্ৰকাণ্ড → | | | |

সপ্তাহ-১৮
দিন- ৩
DD/MM/YYYY

অনুশীলনী

**নিৰ্দেশনা ঃ-**

- শিক্ষকে তলত দিয়া ছবিখন চাই ছবিখনৰ বিষয়ে আলোচনা কৰিবলৈ আৰু দফাটোৰ শিৰোনাম সম্পৰ্কে অনুমান কৰিবলৈ দিব।
- শিক্ষকে দফাটো পঢ়াত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শব্দাৱলী সম্পৰ্কে আলোচনা কৰিব আৰু শব্দাৱলীৰ অৰ্থ বুজাত শিক্ষাৰ্থীক সহায় কৰিব।

### কাৰ্য নং-৭

পঢ়োঁ আহা—



**শব্দাৱলী**

ঠাণ্ডা জুৰি ওপজাদিন
যতন ৰং-বিৰঙ দাঁতি

বকুলৰ ঘৰ পদুম চুবুৰীত। পদুম চুবুৰীৰ কাষত এখন পাহাৰ আছে। পাহাৰখনৰ কাষেৰে এটি জুৰি বৈ গৈছে। বকুলহঁতে ঠাণ্ডাৰ দিনত জুৰিৰ পাৰলৈ ৰ'দ পুৱাবলৈ যায়। বকুলে এইবাৰ তাৰ ওপজা দিনত পাহাৰৰ দাঁতিত চাৰিটা গছ পুলি ৰুইছে। বকুলে মোমায়েকৰ লগত মাজে মাজে গৈ পুলিবোৰৰ যতন লয়। জুৰিটিৰ পাৰত বহু ৰং-বিৰঙৰ ফুল আছে।

### কাৰ্য নং-৮

উত্তৰ কওঁ আহা—

ক) পদুম চুবুৰীত কাৰ ঘৰ?

খ) পদুম চুবুৰীৰ আশে-পাশে কি কি আছে?

গ) জুৰিটিৰ পাৰত কি আছে?

ঘ) বকুলহঁতে কিয় ঠাণ্ডা দিনত জুৰিটিৰ পাৰলৈ যায়?

ঙ) তোমালোকে গছ পুলি ৰুই যতন লৈ পাইছানে?

### কাৰ্য নং-৯

বাক্য লিখোঁ আহা—

ঠাণ্ডা ..........................................................................................

জন্তু ..........................................................................................

..................

**অনুশীলনী**

**নিৰ্দেশনা ঃ-**

- শিক্ষকে শিক্ষাৰ্থীসকলক আগদিনা পঢ়ি অহা দফাটো গাইগুটীয়াকৈ পঢ়িবলৈ দিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি অহা ৬-১০ টা শব্দৰ এটা বা দুটা সহজ বাক্য দিব।

**কাৰ্য নং-১০**

**উত্তৰ লিখোঁ আহা—**

ক) বকুলৰ ঘৰৰ কাষত কি আছে?

উত্তৰ ................................................................

খ) বকুলহঁতে কেতিয়া ৰ'দ পুৱাবলৈ যায়?

উত্তৰ ................................................................

গ) তোমালোকে কি কি গছ পুলি ৰুই পাইছা লিখা।

উত্তৰ ................................................................

**কাৰ্য নং-১১**

**কওঁ আহা—**

গছপুলিৰ যতন কেনেদৰে ল'ব লাগে কওঁ আহা—

**কাৰ্য নং-১২**

**মেকুৰীৰ সৈতে জড়িত কেইটামানৈ শব্দ লিখোঁ আহা —**




**কাৰ্য নং-১৩**

**শ্ৰুতলিপি—**

..............................................................................................

..............................................................................................

মূল্যায়ন

**নির্দেশনা ঃ-**

- শিক্ষকে শিক্ষাৰ্থীক গাইগুটীয়াকৈ পঢ়িবলৈ দিব আৰু মুঠ কিমানটা শব্দ পঢ়িব পাৰিছে আৰু প্ৰশ্নৰ উত্তৰ লিখিব পাৰিছে তাৰ মূল্যায়ন কৰি কাষৰ বাকচত লিখিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি অহা ৬-১০ টা শব্দৰ এটা বা দুটা সহজ বাক্য দিব।

**কাৰ্য নং-১৪**

**পঢ়া—** /৫০

ৰিমি আৰু অলী মাকৰ লগত চিৰিয়াখানা চাবলৈ গৈছিল। চিৰিয়াখানাত সিহঁতে হাতী, বাঘ, ঘোঁৰা, কুকুৰ আদি জন্তু দেখা পাইছিল। হঠাৎ সিহঁতে দুটা সিংহ দেখা পালে। সিংহ দুটাই গুজৰি আছিল। তাকে দেখি অলীয়ে বৰ ভয় খাইছিল। ৰিমিয়ে হ'লে জলহস্তী বোৰ দেখিহে বৰ ভয় খাইছিল। চিৰিয়াখানাত বহুত মানুহ গোট খাইছিল। গধূলি ৰিমিহঁত ঘৰলৈ উভতি আহিল।

**কাৰ্য নং-১৫**

**লিখা—**

(ক) ৰিমি আৰু অলী মাকৰ লগত ক'লৈ গৈছিল? /১

উত্তৰ ..............................................................................

(খ) সিহঁতে চিৰিয়াখানাত কি কি দেখিলে? /১

উত্তৰ ..............................................................................

(গ) চিৰিয়াখানাত ৰিমি আৰু অলীয়ে কি দেখি ভয় খাইছিল? /২

উত্তৰ ..............................................................................

**কাৰ্য নং-১৬** /৩

**তলৰ শব্দকেইটা ব্যৱহাৰ কৰি বাক্য সাজা—**

কাণ্ড ঃ ..............................................................................

চাৰ্কাছ ঃ ..............................................................................

কিন্তু ঃ ..............................................................................

**কাৰ্য নং-১৭**

**শ্ৰুতলিপি —**

..............................................................................

..............................................................................

......................

সপ্তাহ-১৮
দিন- ৬
DD/MM/YYYY

নিদানমূলক

**নিৰ্দেশনা ঃ-**

- শিক্ষকে শিক্ষাৰ্থীক পঢ়িবলৈ দিব আৰু প্ৰয়োজনত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শিক্ষাৰ্থীৰ শিকন পৰ্যায়ৰ ভিত্তিত অতিৰিক্ত কাৰ্য কৰাব।

### কাৰ্য নং-১৮

**পঢ়োঁ আহা—**

জাৰৰ দিনত ৰ'দ পুৱাবলৈ ভাল,
প্ৰচণ্ড ঠাণ্ডাতো আতৈয়ে বাইছে জাল।
জুৰিটি বৈ যায় কুলু কুলু সুৰে,
প্ৰকাণ্ড শিলবোৰ পানীত চোন নুবুৰে।

ৰং বিৰঙৰ পখিলাবোৰ উলাহতে নাচে,
ধুনীয়া ফুলনিখন কাষতে আছে।
ঘৰমুৱা পখীৰে ভৰিছে গগন,
মৌ-মাখিবোৰ কিন্তু কামতে মগন।

### কাৰ্য নং-১৯

**উত্তৰ কওঁ আৰু লিখোঁ আহা—**

ক) প্ৰচণ্ড ঠাণ্ডাত আতৈয়ে কি কৰিছিল?

উত্তৰ ..........................................................................

খ) ৰং-বিৰঙৰ পখিলাবোৰে কি কৰি আছিল?

উত্তৰ ..........................................................................

গ) মৌ-মাখিয়ে কিহত মগন আছিল ?

উত্তৰ ..........................................................................

### কাৰ্য নং-২০

**অতিৰিক্ত কাৰ্য—**

....................

সপ্তাহ-১৯
দিন- ১
DD/MM/YYYY

অনুশীলনী

**নিৰ্দেশনা ঃ-**

- শিক্ষকে 'ল্ট', 'দ্ভ' যুক্তাক্ষৰ দুটা বুজাই দিব আৰু শুদ্ধকৈ লিখিবলৈ শিকাব।
- শিক্ষকে তলত দিয়া ছবিখন চাই ছবিখনৰ বিষয়ে আলোচনা কৰিবলৈ আৰু দফাটোৰ শিৰোনাম সম্পৰ্কে অনুমান কৰিবলৈ দিব।
- শিক্ষকে দফাটো পঢ়াত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শব্দাৱলী সম্পৰ্কে আলোচনা কৰিব আৰু শব্দাৱলীৰ অৰ্থ বুজাত শিক্ষাৰ্থীক সহায় কৰিব।

ল্ট ,দ্ভ

**কাৰ্য নং-১**

**পঢ়োঁ আহা—**

**শব্দাৱলী**

| | | |
|---|---|---|
| বাগিচা | নাৰ্জীফুল | ঠন |
| সপ্তাহ | ধৰা | আনন্দিত |



ৰীতা আৰু গৌৰৱৰ ঘৰত এখন ফুলৰ বাগিচা আছে। এদিন দুয়ো বাগিচাত পৰি থকা পুৰণা বাল্টি এটা পালে। দুয়ো ওচৰৰ পৰা মাটি আনি বাল্টিটোত ভৰালে। দুয়ো মিলি এজোপা নাৰ্জী ফুলৰ পুলি বাল্টিটোত ৰুলে। সপ্তাহৰ প্ৰতিদিনে দুয়ো বাগিচাত সোমায়। সিহঁতে দেখিলে, নাৰ্জী পুলিটো লাহে লাহে কিছু ঠন ধৰি উঠিছে। এনেদৰে দুয়ো উদ্ভিদৰ যতন ল'বলৈ শিকিলে।

**কাৰ্য নং-২**

**কথা পাতোঁ আহা —**

ক) ৰীতা আৰু গৌৰৱে বাগিচাত কি পাইছিল?
খ) বাল্টিটোত সিহঁতে কি কৰিলে?
গ) তুমি কেতিয়াবা গছ ৰুই পাইছানে?
ঘ) তুমি কেনেকৈ গছ ৰোৱা?
ঙ) ৰীতা আৰু গৌৰৱে কি কৰিবলৈ শিকিলে?

**কাৰ্য নং-৩**

**নাৰ্জীফুল এটাৰ ছবি আঁকি দুটা বাক্য লিখোঁ আহা—**

.................................................................

.................................................................

সপ্তাহ-১৯
দিন- ২
DD/MM/YYYY

অনুশীলনী

নির্দেশনা ঃ-

- শিক্ষকে শিক্ষাৰ্থীসকলক আগদিনা পঢ়ি অহা দফাটো গাইগুটীয়াকৈ পঢ়িবলৈ দিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি অহা ৬-১০ টা শব্দৰ এটা বা দুটা সহজ বাক্য দিব।

### কার্য নং-৪

**লিখোঁ আহা—**

ক) ৰীতা আৰু গৌৰৱে পুৰণা বাল্টিটো ক'ত পাইছিল?

উত্তৰ ঃ..................................................................

খ) ৰীতা আৰু গৌৰৱে পুৰণা বাল্টিটোত কি কৰিলে?

উত্তৰ ঃ..................................................................

গ) গছ পুলিৰ কেনেকৈ যতন লওঁ কওঁ আৰু লিখোঁ আহা।

উত্তৰ ঃ..................................................................

### কার্য নং-৫

**'ল্ট' থকা শব্দ লিখোঁ আহা—**

ল্ট → বাল্টি | ☐ | ☐

### কার্য নং-৬

**আখৰবোৰেৰে শব্দ গঠন কৰোঁ আহা—**

গি চা বা → ☐

ৰ গৌ ৱ → ☐

ৰ চ ও → ☐

ল ৰি য়া প → ☐

### কার্য নং-৭

**শ্ৰুতলিপি—**

..................................................................................................

..................................................................................................

**নির্দেশনা ঃ-**
- শিক্ষকে তলত দিয়া ছবিখন চাই ছবিখনৰ বিষয়ে আলোচনা কৰিবলৈ আৰু দফাটোৰ শিৰোনাম সম্পৰ্কে অনুমান কৰিবলৈ দিব।
- শিক্ষকে দফাটো পঢ়াত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শব্দাৱলী সম্পৰ্কে আলোচনা কৰিব আৰু শব্দাৱলীৰ অৰ্থ বুজাত শিক্ষাৰ্থীক সহায় কৰিব।

**কাৰ্য নং-৮**

**পঢ়োঁ আহা—** শব্দাৱলী

গাজৰৰ হালুৱা　পল্লৱ
বস্তু　উদ্ভৱ



এদিন পল্লৱ পল্টন বজাৰলৈ গ'ল। বজাৰত সি গাজৰ, মূলা আৰু বিলাহী কিনিলে। ঘূৰি আহোতে তাৰ মনত উদ্ভৱ হ'ল যে সি কিছু বস্তু কিনি আনিবলৈ পাহৰিলে। সি আকৌ বজাৰলৈ গ'ল। এইবাৰ সি গাখীৰ, চেনি আৰু ঘি কিনি আনিলে। মাকে গাজৰৰ হালুৱা ৰান্ধিলে। সি খাই বৰ মজা পালে।

**কাৰ্য নং-৯**

**কথা পাতোঁ আহা—**

(ক) পল্লৱে বজাৰৰ পৰা কি কি কিনিলে?

(খ) পল্লৱে কি খাই মজা পালে?

(গ) তুমি কি কি খাবলৈ ভাল পোৱা?

(ঘ) তুমি কেতিয়াবা কিবা ৰান্ধি পাইছানে?

**কাৰ্য নং-১০**

**বাকচত দিয়া আখৰেৰে শব্দ লিখোঁ আহা—**

| | | | | | | |
|---|---|---|---|---|---|---|
| স্তু | ত | ব | প্র | উ | ৱ | দ্ভ |

.................................... .................................... ....................................

**নিৰ্দেশনা ঃ-**

- শিক্ষকে শিক্ষাৰ্থীসকলক আগদিনা পঢ়ি অহা দফাটো গাইগুটীয়াকৈ পঢ়িবলৈ দিব।
- শিক্ষকে তলৰ ক্ৰিয়া-কলাপসমূহ কৰাব।

### কাৰ্য নং-১১

**লিখোঁ আহা—**

ক) বজাৰলৈ কোন গৈছিল?

উত্তৰ ..........................................................................................

খ) বজাৰৰ পৰা সি কি কি আনিলে?

উত্তৰ ..........................................................................................

গ) তুমি কি কি ৰান্ধিব জানা কোৱা আৰু লিখা।

উত্তৰ ..........................................................................................

### কাৰ্য নং-১২

**বজাৰৰ লগত জড়িত শব্দ লিখোঁ আহা—**




### কাৰ্য নং-১৩

**তলৰ বাক্যকেইশাৰী পঢ়োঁ আহা—**

তুলসী এবিধ লাগতিয়াল উদ্ভিদ।

আলেকজেণ্ডাৰ গ্ৰাহামবেলে টেলিফোন উদ্ভাৱন কৰিছিল।

সপ্তাহ-১৯
দিন- ৫
DD/MM/YYYY

মূল্যায়ন

**নিৰ্দেশনা ঃ-**

- শিক্ষকে শিক্ষাৰ্থীক গাইগুটীয়াকৈ পঢ়িবলৈ দিব আৰু মুঠ কিমানটা শব্দ পঢ়িব পাৰিছে আৰু কিমানটা উত্তৰ লিখিব পাৰিছে তাৰ মূল্যায়ন কাষৰ বাকচত লিখিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি অহা ৬-১০ টা শব্দৰ এটা বা দুটা সহজ বাক্য দিব।

**কাৰ্য নং-১৪**

**পঢ়া—** /৫০

ৰাঘৱহঁত আজি পল্টন বজাৰলৈ আহিছে। সিহঁতে ৰে'লে গাড়ীৰে যোৰহাটলৈ যাব। ৰে'লগাড়ীত উঠি ৰাঘৱৰ কিমান যে ভাল লাগিল তাৰ মনত এটা প্ৰশ্নৰ উদ্ভৱ হ'ল। সি সুধিলে- 'দেউতা যোৰহাটলৈ কিমান ঘন্টা সময় লাগিব? দেউতাকে ক'লে- "যোৰহাট পাবলৈ ছয় ঘণ্টামান লাগিব।" যোৰহাট ষ্টেচন পোৱাত ৰে'লগাড়ীখন ৰ'ল। ৰাঘৱহঁত মোমায়েকৰ ঘৰলৈ আগবাঢ়িল।

**কাৰ্য নং-১৫**

**লিখা—**

ক) ৰাঘৱহঁত ৰে'লত উঠি ক'লৈ গৈছিল? /১
উত্তৰ ......................................................................

খ) ৰে'লত উঠি ৰাঘৱে দেউতাকক কি সুধিছিল? /১
উত্তৰ ......................................................................

গ) তুমি কিহেৰে যাত্ৰা কৰি ভাল পোৱা আৰু কিয় ভাল পোৱা? /২
উত্তৰ ......................................................................

**কাৰ্য নং-১৬**

**শ্ৰুতলিপি—**

..........................................................................................

..........................................................................................

......................

সপ্তাহ-১৯
দিন- ৬
DD/MM/YYYY

নিদানমূলক

নিৰ্দেশনা ঃ-
- শিক্ষকে শিক্ষাৰ্থীক পঢ়িবলৈ দিব আৰু প্ৰয়োজনত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শিক্ষাৰ্থীৰ শিকন পৰ্যায়ৰ ভিত্তিত অতিৰিক্ত কাৰ্য কৰাব।

### কাৰ্য নং-১৭

**পঢ়োঁ আহা—**

কাকলি আৰু গৌৰৱ দুয়ো ভাই-ভনী। এদিন দুয়ো পেহীয়েকৰ ঘৰলৈ ফুৰিবলৈ গ'ল। দুয়োকে দেখি পেহীয়েকে বৰ ভাল পালে। তেওঁ আগদিনা পাৰি থোৱা পকা কঁঠাল সিহঁতক খাবলৈ দিলে। পকা কঁঠাল খাই সিহঁতে পেহীয়েকৰ ছোৱালী মলিনাৰ লগত ধাননি পথাৰ চাবলৈ গ'ল। পেহীয়েকে নিজৰ পুখুৰীৰ ৰৌ মাছ, ঔটেঙাৰে ৰান্ধি সিহঁতক ভাত খুৱালে। সিহঁতে হেঁপাহ পলুৱাই খালে।

### কাৰ্য নং-১৮

**উত্তৰ কওঁ আৰু লিখোঁ আহা—**

ক) কাকলি আৰু গৌৰৱ কাৰ ঘৰলৈ গৈছিল?
উত্তৰ ........................................................................

খ) সিহঁতে কাৰ সৈতে ধাননি পথাৰলৈ গৈছিল?
উত্তৰ ........................................................................

গ) তোমালোকে ধাননি পথাৰ দেখিছানে? ধাননি পথাৰৰ বিষয়ে দুটা বাক্য লিখোঁ আহা।
উত্তৰ ........................................................................

........................................................................

### কাৰ্য নং-১৯

**শব্দ পঢ়োঁ আহা—**

| | | | |
|---|---|---|---|
| সদ্ভাৱ | উদ্ভাৱন | উদ্ভিদ | বিক্ৰম |
| বাল্টি | পল্টন | বল্টু | ঠাণ্ডা |

### কাৰ্য নং-২০

**অতিৰিক্ত কাৰ্য—**

....................

নির্দেশনা ঃ-
- শিক্ষকে পুনৰ অনুশীলনৰ বাবে তলৰ ক্রিয়া-কলাপসমূহ কৰাব।
- শিক্ষকে দফাটো পঢ়াত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শব্দাৱলী সম্পর্কে আলোচনা কৰিব আৰু শব্দাৱলীৰ অর্থ বুজাত শিক্ষাৰ্থীক সহায় কৰিব।

### কার্য নং-১

পঢ়োঁ আহা—

ইন্দ্রানী আৰু বিক্রম আজি মাক-দেউতাকৰ লগত শুৱালকুছিলৈ গৈছে। এখন ধুনীয়া তোৰণ দেখি ইন্দ্রানীয়ে মাকৰ মোবাইলেৰে ফটো তুলি থাকোতেই খিটিক্-খিটিক্ শব্দ শুনিবলৈ পালে । বিক্রমে দেউতাকক সুধিলে - 'এইটো কিহৰ শব্দ দেউতা ?' দেউতাকে ক'লে- 'এইটো তাঁতশালৰ শব্দ, এইখন শুৱালকুছি, অসমৰ বস্ত্র নগৰী। শুৱালকুছি পাট-মুগাৰ কাপোৰ উৎপাদনৰ বাবে বিশ্ববিখ্যাত।

### কার্য নং-২

কথা পাতোঁ আহা—

ক) শুৱালকুছিলৈ কোন কোন গৈছিল ?

খ) কোনে ফটো তুলিছিল ?

গ) সিহঁতে কিহৰ খিটিক্-খিটিক্ শব্দ শুনিছিল ?

ঘ) শুৱালকুছি কিহৰ বাবে বিশ্ব বিখ্যাত ?

ঙ) পাট-মুগাৰ সূতাৰে বোৱা কি কি কাপোৰ তুমি দেখিছা, কোৱা।

### কার্য নং-৩

বাক্য লিখোঁ আহা—

বস্ত্র ..........................................................................................

উৎপাদন ..........................................................................................

..................

নিৰ্দেশনা ঃ-

- শিক্ষকে শিক্ষাৰ্থীসকলক আগদিনা পঢ়ি অহা দফাটো গাইগুটীয়াকৈ পঢ়িবলৈ দিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি অহা ৬-১০ টা শব্দৰ এটা বা দুটা সহজ বাক্য দিব।

**কাৰ্য নং-৪**

**লিখোঁ আহা—**

(ক) কি দেখি ইন্দ্ৰানীয়ে মাকৰ মোবাইলেৰে ফটো তুলিলে?

উত্তৰ ঃ.......................................................................................

(খ) সিহঁতে কিহৰ খিটিক্-খিটিক্ শব্দ শুনিছিল?

উত্তৰ ঃ.......................................................................................

(গ) শুৱালকুছি কিহৰ বাবে বিখ্যাত কওঁ আৰু লিখোঁ আহা।

উত্তৰ ঃ.......................................................................................

**কাৰ্য নং-৫**

**বাক্য সাজোঁ আহা—**

উদ্ভিদ ...................................................................................

আক্ৰমণ ...................................................................................

বিশ্ব ...................................................................................

**কাৰ্য নং-৬**

**শ্ৰুতলিপি—**

.......................................................................................................

.......................................................................................................

...................

নির্দেশনা ঃ-

- শিক্ষকে পুনৰ অনুশীলনৰ বাবে তলৰ ক্ৰিয়াকলাপসমূহ কৰাব।
- শিক্ষকে দফাটো পঢ়াত শিক্ষাৰ্থীক সহায় কৰিব।

**কাৰ্য নং-৭**

**পঢ়োঁ আহা—**

এজনী চৰাই আছিল। এদিন তাই উৰি উৰি ভাবি আছিল যে, তাই ক'ত বাহ সাজিব। তেনেতে তাই দূৰত এজোপা গছ দেখিলে। গছজোপাত এজনী সৰু ছোৱালীয়ে দোলনাত বহি গীত গাই থকা দেখা পালে। চৰাইজনীয়ে গীত বৰ ভাল পাইছিল। সেয়ে সেই গছজোপাতে তাই বাহ সাজিবলৈ থিৰাং কৰিলে।

**কাৰ্য নং-৮**

**কথা পাতোঁ আহা—**

ক) চৰাইজনীয়ে কি ভাবি উৰি আছিল?

খ) চৰাইজনীয়ে সেই গছজোপাতে কিয় বাহ সাজিবলৈ থিৰাং কৰিলে?

গ) তোমালোকে চৰাইৰ বাহ দেখিছানে?

ঘ) চৰাইয়ে কেনেকৈ বাহ সাজে?

**কাৰ্য নং-৯**

**উপযুক্ত শব্দৰে খালী ঠাই পূৰ কৰোঁ আহা—**

ক) এইখন ...................................ৰ দলং। (বাঁহ/বাহ)

খ) সৌখন চৰাইৰ ................................। (বাঁহ/বাহ)

নিৰ্দেশনা ঃ-

- শিক্ষকে তলৰ ক্ৰিয়া-কলাপসমূহ কৰাব।
- শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ শিকন স্তৰৰ ভিত্তিত অতিৰিক্ত কাৰ্য কৰাব।

**কাৰ্য নং-১০**

**কওঁ আৰু লিখোঁ আহা —**

তোমালোকে চৰাইৰ বাহ দেখিছানে? চৰাইয়ে কেনেকৈ বাহ সাজে কওঁ আৰু লিখোঁ আহা—

.............................................................................................................

.............................................................................................................

**কাৰ্য নং-১১**

**তলৰ আখৰ-জালৰ পৰা শব্দ গঠন কৰোঁ আহা —**

জীৱ ........................ ........................

........................ ........................

........................ ........................

........................ ........................

| | | | | |
|---|---|---|---|---|
| জী | বা | য়ু | ম | দে |
| ক | ৱ | ব | জা | উ |
| ম | তা | জ | ল | ট |
| লা | চ | কী | ৰ | দ |

**কাৰ্য নং-১২**

**আঁচ টানি একে অৰ্থ বুজোৱা শব্দৰ লগত মিলাওঁ আহা —**

| | |
|---|---|
| উদ্ভিদ | কাপোৰ |
| বস্ত্ৰ | পৃথিৱী |
| ধৰিত্ৰী | বিনাশ |
| ধ্বংস | আনন্দ |
| স্ফূৰ্তি | গছ |

**কাৰ্য নং-১৩**

**অতিৰিক্ত কাৰ্য —**

....................

সপ্তাহ-২১
দিন- ১
DD/MM/YYYY

অনুশীলনী

নির্দেশনা ঃ-

- শিক্ষকে 'দ্ধ','ষ্ট্ৰ' যুক্তাক্ষৰ দুটা বুজাই দিব আৰু শুদ্ধকৈ লিখিবলৈ শিকাব।
- শিক্ষকে তলত দিয়া ছবিখন চাই ছবিখনৰ বিষয়ে আলোচনা কৰিবলৈ আৰু দফাটোৰ শিৰোনাম সম্পৰ্কে অনুমান কৰিবলৈ দিব।
- শিক্ষকে দফাটো পঢ়াত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শব্দাৱলী সম্পৰ্কে আলোচনা কৰিব আৰু শব্দাৱলীৰ অৰ্থ বুজাত শিক্ষাৰ্থীক সহায় কৰিব।

দ্ধ ,ষ্ট্ৰ

কাৰ্য নং-১

পঢ়োঁ আহা— শব্দাৱলী

তিৰ্‌বিৰ্‌ আন্ধাৰ কষ্ট



আজি বুদ্ধ পূৰ্ণিমা। শেৱালিয়ে সন্ধিয়া চোতালত বহি আইতাকৰ সাধু শুনি আছিল। তাই তিৰ্‌বিৰাই থকা জোনাকী পৰুৱাবোৰ চাই থাকিবলৈ খুব ভাল পায়। জোনাকী পৰুৱাবোৰ ধৰি হাতত লৈ চাই থাকিবলৈ তাইৰ মন যায়। শেৱালিয়ে জোনাকী পৰুৱা ধৰিবলৈ জোনাকী পৰুৱাৰ পিছে পিছে দৌৰ মাৰিলে। আইতাকে ক'লে - "আন্ধাৰত নাযাবা। হাতৰ মুঠিত জোনাকী পৰুৱাবোৰ ধৰি ৰাখিলে সিহঁতৰ উশাহ-নিশাহ লোৱাত কষ্ট হ'ব।"

কাৰ্য নং-২

কথা পাতোঁ আহা—

ক) শেৱালিৰ কি চাই ভাল লাগে?

খ) শেৱালি কাৰ পিছে পিছে দৌৰ মাৰিছিল?

গ) আইতাকে জোনাকী পৰুৱাবোৰ হাতৰ মুঠিত ধৰি আনিবলৈ কিয় মানা কৰিছিল?

ঘ) বুদ্ধ পূৰ্ণিমাত তোমালোকে কি কৰা?

কাৰ্য নং-৩

'জোনাকী' শব্দটোৰ আখৰবোৰেৰে নতুন শব্দ লিখোঁ আহা—

জো .................. না .................. কী ..................

..................

নির্দেশনা ঃ-

- শিক্ষকে শিক্ষাৰ্থীসকলক আগদিনা পঢ়ি অহা দফাটো গাইগুটীয়াকৈ পঢ়িবলৈ দিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি অহা ৬-১০ টা শব্দৰ এটা বা দুটা সহজ বাক্য দিব।

**কাৰ্য নং-৪**

**উত্তৰ লিখোঁ আহা—**

ক) শেৱালিক কোনে সাধু শুনাই আছিল?

উত্তৰ ঃ ..................................................................................

খ) আইতাকে কিয় জোনাকী পৰুৱা ধৰিবলৈ মানা কৰিছিল?

উত্তৰ ঃ ..................................................................................

গ) শেৱালিয়ে জোনাকী পৰুৱাৰ পিছে পিছে কিয় দৌৰিছিল কওঁ আৰু লিখোঁ আহা।

উত্তৰ ঃ ..................................................................................

**কাৰ্য নং-৫**

**শব্দ পঢ়ি লিখোঁ আহা—**

| | | | |
|---|---|---|---|
| ৰাষ্ট্ৰ | | কষ্ট | |
| ৰাষ্ট্ৰীয় | | ৰুদ্ধ | |
| ৰাষ্ট্ৰপতি | | তৃষ্ণা | |

**কাৰ্য নং-৬**

**শ্ৰুতলিপি—**

..................................................................................

..................................................................................

**নিৰ্দেশনা ঃ-**

- শিক্ষকে তলত দিয়া ছবিখন চাই ছবিখনৰ বিষয়ে আলোচনা কৰিবলৈ আৰু দফাটোৰ শিৰোনাম সম্পৰ্কে অনুমান কৰিবলৈ দিব।
- শিক্ষকে দফাটো পঢ়াত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শব্দাৱলী সম্পৰ্কে আলোচনা কৰিব আৰু শব্দাৱলীৰ অৰ্থ বুজাত শিক্ষাৰ্থীক সহায় কৰিব।

**কাৰ্য নং-৭**

**পঢ়োঁ আহা—**

শব্দাৱলী

ত্ৰাস সৃষ্টি সন্মুখীন ধোবা পাত্ৰ



এখন হাবিত এটা বুধিয়ক শিয়াল আছিল।ৰাতি হ'লেই সি কাষৰ গাঁৱত বৰ ত্ৰাসৰ সৃষ্টি কৰিছিল। সি গাঁৱৰ মানুহৰ পোহনীয়া হাঁহ-কুকুৰাবোৰ খাই মহা আনন্দেৰে দিন কটাইছিল। এদিন সি এজাক কুকুৰৰ সন্মুখীন হ'ল। কুকুৰৰ ভয়ত সি এজন ধোবাৰ ঘৰৰ পিছফালে দৌৰ মাৰিলে। তাতে এটা পাত্ৰত ধোবাই নীলৰ পানী থৈ দিছিল। শিয়ালটোৱে দৌৰ মাৰোতেই নীলৰ পানীত পৰিল আৰু তাৰ গাৰ ৰংটো নীলা হৈ পৰিল।

**কাৰ্য নং-৮**

**কথা পাতোঁ আহা—**

ক) গাৱঁত কোনে ত্ৰাসৰ সৃষ্টি কৰিছিল?

খ) শিয়ালটোৱে কি খাই দিন কটাইছিল?

গ) শিয়ালটো কিহৰ ভয়ত পলাইছিল?

ঘ) শিয়ালটোৰ ৰং কেনেকৈ নীলা হ'ল?

**কাৰ্য নং-৯**

**বাক্য লিখোঁ আহা—**

শুদ্ধ ঃ ..................................................................

ৰাষ্ট্ৰীয় ঃ ..................................................................

নির্দেশনা ঃ-

- শিক্ষকে শিক্ষাৰ্থীসকলক আগদিনা পঢ়ি অহা দফাটো গাইগুটীয়াকৈ পঢ়িবলৈ দিব।
- শিক্ষকে তলৰ ক্ৰিয়া-কলাপসমূহ কৰাব।

**কাৰ্য নং-১০**

**লিখোঁ আহা—**

ক) গাঁৱত কোনে ত্ৰাসৰ সৃষ্টি কৰিছিল?

উত্তৰ ঃ .............................................................................................

খ) শিয়ালটোৱে কি খাই আনন্দৰে দিন কটাইছিল?

উত্তৰ ঃ .............................................................................................

গ) কুকুৰটোৰ ভয়ত পলাওঁতে শিয়ালটোৰ কি হৈছিল কওঁ আৰু লিখোঁ আহা।

উত্তৰ ঃ .............................................................................................

**কাৰ্য নং-১১**

**পঢ়োঁ আহা—**

| | | |
|---|---|---|
| শুদ্ধ | যুদ্ধ | বৃষ্টি |
| ৰাষ্ট্ৰপতি | ৰাজ্য | সন্তুষ্টি |

**কাৰ্য নং-১২**

**আখৰ-জালখনৰ পৰা চৰাইৰ নাম উলিয়াই কাষৰ বাকচত লিখোঁ আহা—**

| | | | | |
|---|---|---|---|---|
| ব | ক | ভা | টৌ | ঘ |
| গ | পৌ | ক | লি | ৰ |
| লী | চি | ল | নী | চি |
| পা | কা | উ | ৰী | ৰ |
| ৰ | শা | লি | কা | কা |

ঘৰচিৰিকা ........................ ........................

........................ ........................

........................ ........................

........................ ........................

**নির্দেশনা ঃ-**

● শিক্ষকে শিক্ষাৰ্থীক গাইগুটীয়াকৈ পঢ়িবলৈ দিব আৰু মুঠ কিমানটা শব্দ পঢ়িব পাৰিছে আৰু কিমানটা উত্তৰ লিখিব পাৰিছে তাৰ মূল্যায়ন কৰি কাষৰ বাকচত লিখিব।

### কাৰ্য নং-১৩

**পঢ়া—** /৬০

চুনু আৰু মুনু নামৰ দুটা বান্দৰ আছিল। সিহঁত দুয়ো বৰ বন্ধু। চুনুৰ ঘৰ চহৰত আৰু মুনুৰ ঘৰ গাঁৱত। চুনু এদিন মুনুৰ ঘৰলৈ গ'ল। মুনুৱে বন্ধুক দেখি বৰ আনন্দ পালে। সি চুনুক নিজৰ গাঁও ফুৰাবলৈ লৈ গ'ল। গাঁৱৰ মুক্ত বতাহ, গছ-গছনি দেখি চুনুৰ বৰ ভাল লাগিল। সি গাঁৱত বহুত ওখ গছ দেখা পালে। গছবোৰত উঠি জঁপিয়াই জঁপিয়াই সি খুউব স্ফূৰ্তি কৰিলে।

### কাৰ্য নং-১৪

**উত্তৰ লিখা—**

ক) সাধুটোত থকা বান্দৰ দুটাৰ নাম কি কি? /১

উত্তৰ ঃ ..............................................................................................

খ) মুনুৱে বন্ধুক দেখা পাই কেনেকুৱা পালে? বন্ধুক ক'ত ফুৰাবলৈ লৈ গ'ল? /২

উত্তৰ ঃ ..............................................................................................

গ) তোমাৰ গাঁও ভাল লাগে নে নগৰ ভাল লাগে? কিয় ভাল লাগে দুটা বাক্য লিখা — /২

উত্তৰ ঃ ..............................................................................................

..............................................................................................

### কাৰ্য নং-১৫

**তলত দিয়া ধৰণৰ যুৰীয়া শব্দ লিখা—** /৩

| ওখ - পাখ | | | |
|---|---|---|---|

সপ্তাহ-২১
দিন- ৬
DD/MM/YYYY

নিদানমূলক

নিৰ্দেশনা ঃ-

- শিক্ষকে শিক্ষাৰ্থীক পঢ়িবলৈ দিব আৰু প্ৰয়োজনত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শিক্ষাৰ্থীৰ শিকন পৰ্যায়ৰ ভিত্তিত অতিৰিক্ত কাৰ্য কৰাব।

### কাৰ্য নং-১৬

**পঢ়োঁ আহা—**

বাথৌ পূজাৰ বতৰ। হেলিনা আৰু প্ৰমীলাই দখনা পিন্ধি দেউতাকৰ লগত বাথৌ পূজাৰ মেলা চাবলৈ গ'ল। মেলাত সিহঁতে বেলুন আৰু খাৰু-মণি কিনিলে। তাতে মোমায়েকে দুয়োকো লগ পাই গৰম গৰম খুৰমা আৰু নিম্‌কি কিনি দিলে। হেলিনাই ভনীয়েকৰ বাবে এটা পুতলাও কিনিলে। ঘূৰি আহোঁতে বাটৰ কাষত এজন বয়সস্থ লোকে গীত গাই থকা সিহঁতে দেখিলে। প্ৰমীলাই দেউতাকৰ পৰা দহ টকা লৈ মানুহজনক দিলে।

### কাৰ্য নং-১৭

**কওঁ আৰু লিখোঁ আহা—**

ক) হেলিনা আৰু প্ৰমীলাই কাৰ লগত বাথৌ পূজা চাবলৈ গৈছিল?
উত্তৰ ঃ ..........................................................................................

খ) পূজাৰ মেলাত সিহঁতে কি কি কিনিলে?
উত্তৰ ঃ ......................................................................................

গ) পূজাৰ মেলা চাবলৈ গ'লে তুমি কি কি কৰা কওঁ আৰু লিখোঁ আহা।
উত্তৰ ঃ ..........................................................................................

### কাৰ্য নং-১৮

**খালী ঠাই পূৰ কৰোঁ আহা—**

ক) অৰুণে মোনাখন লৈ ...................... লৈ গৈছে। (হাট/হাত)
খ) বগলীৰ ............................ খন নাভাঙিবা। (বাহ/বাঁহ)
গ) ........................ মাটিৰ কলহ তৈয়াৰ কৰে। (কুমাৰে/কমাৰে)

### কাৰ্য নং-১৯

**অতিৰিক্ত কাৰ্য**

.....................

নিৰ্দেশনা ঃ-

- শিক্ষকে 'জ্ব' ,'ঞ্চ', 'স্ত' যুক্তাক্ষৰ কেইটা বুজাই দিব আৰু শুদ্ধকৈ লিখিবলৈ শিকাব।
- শিক্ষকে তলত দিয়া ছবিখন চাই ছবিখনৰ বিষয়ে আলোচনা কৰিবলৈ আৰু দফাটোৰ শিৰোনাম সম্পৰ্কে অনুমান কৰিবলৈ দিব।
- শিক্ষকে দফাটো পঢ়াত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শব্দাৱলী সম্পৰ্কে আলোচনা কৰিব আৰু শব্দাৱলীৰ অৰ্থ বুজাত শিক্ষাৰ্থীক সহায় কৰিব।

জ্ব ,ঞ্চ, স্ত

কাৰ্য নং-১

পঢ়োঁ আহা—

শব্দাৱলী

জংঘল চিঞৰ হুলস্থুল জ্বলাই



লংবিহঁত গাঁৱত থাকে। এদিন ৰাতি খোৱা-বোৱাৰ পাছত তাই শুবলৈ লৈছিলহে মাথোন। সেই সময়তে তাই 'হাতী আহিছে, হাতী আহিছে' বুলি চিঞৰ শুনিবলৈ পালে। লংবিৰ খুব ভয় লাগিল, বুকু ধপ্‌ধপাই উঠিল। তাই ভাবিলে- যদি হাতীয়ে গছকি সিহঁতৰ ঘৰটো ভাঙি দিয়ে! লংবিৰ মাকে ক'লে- "জংঘলত খাদ্যৰ নাটনি হোৱা বাবে হাতীৰ জাকটোৱে পথাৰত ধান খাবলৈ ওলাই আহিছে।" গাঁৱৰ সকলোৱে মিলি জুই জ্বলাই, টিং বজাই বজাই হুলস্থুল কৰি পথাৰৰ ফালে গ'ল। হাতীৰ জাকটোৱে ভয় খালে আৰু জংঘলৰ ফালে উভতি গ'ল।

কাৰ্য নং-২

কথা পাতোঁ আহা—

ক) লংবিহঁতৰ গাঁৱত কিয় চিঞৰ-বাখৰ লাগিছিল?
খ) হাতীৰ জাকটো জংঘলৰ পৰা কিয় ওলাই আহিছিল?
গ) হাতী খেদিবলৈ গাঁৱৰ মানুহে কি কৰিলে?
ঘ) তোমালোকৰ গাঁৱত এনেকুৱা পৰিস্থিতি আহিলে তুমি কি কৰিবা?

কাৰ্য নং-৩

'জংঘল'ৰ লগত জড়িত তিনিটা শব্দ লিখোঁ আহা—

জংঘল

| | | |
|---|---|---|
| | | |

.....................

**নির্দেশনা ঃ-**

- শিক্ষকে শিক্ষাৰ্থীসকলক আগদিনা পঢ়ি অহা দফাটো গাইগুটীয়াকৈ পঢ়িবলৈ দিব।
- শিক্ষকে তলৰ ক্রিয়া-কলাপসমূহ কৰাব।

### কার্য নং-৪

**লিখোঁ আহা—**

ক) লংবিৰ কিয় ভয় লাগিছিল?

উত্তৰ ঃ ..............................................................................

খ) ভয়ত লংবিৰ কি হৈছিল?

উত্তৰ ঃ ..............................................................................

গ) গাঁৱৰ মানুহে হাতী খেদিবলৈ কি কৰিলে?

উত্তৰ ঃ ..............................................................................

### কার্য নং-৫

**চিন্তা কৰি কওঁ আৰু লিখোঁ আহা—**

জংঘলৰ পৰা হাতীৰ বাহিৰে আন জীৱ-জন্তু ওলাই আহেনে? তোমালোকে কি ভাবা?

উত্তৰ ঃ ..............................................................................................

..............................................................................................

### কার্য নং-৬

**তলৰ জীৱ-জন্তুবোৰৰ ভিতৰত কোনবোৰ জংঘলত থাকে তাত ' ✓ ' চিন দিওঁ আহা—**

| | | | | | |
|---|---|---|---|---|---|
| ছাগলী | ☐ | গৰু | ☐ | হাতী | ☐ |
| বাঘ | ✓ | শিয়াল | ☐ | কুকুৰ | ☐ |
| সিংহ | ☐ | হৰিণ | ☐ | বান্দৰ | ☐ |

### কার্য নং-৭

**শব্দৰ লগত অৰ্থবোৰৰ আঁচ টানি মিলাওঁ আহা—**

| | |
|---|---|
| প্ৰকাণ্ড | কাপোৰ |
| চেনেহ | বৰ ডাঙৰ |
| বস্ত্ৰ | জনাজাত |
| বিখ্যাত | মৰম |

(প্ৰকাণ্ড — বৰ ডাঙৰ আঁচেৰে মিলোৱা আছে)

..................

অনুশীলনী

**নিৰ্দেশনা ঃ-**

- শিক্ষকে তলত দিয়া ছবিখন চাই ছবিখনৰ বিষয়ে আলোচনা কৰিবলৈ আৰু দফাটোৰ শিৰোনাম সম্পৰ্কে অনুমান কৰিবলৈ দিব।
- শিক্ষকে দফাটো পঢ়াত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শব্দাৱলী সম্পৰ্কে আলোচনা কৰিব আৰু শব্দাৱলীৰ অৰ্থ বুজাত শিক্ষাৰ্থীক সহায় কৰিব।

**কাৰ্য নং-৮**

**পঢ়োঁ আহা—**

**শব্দাৱলী**

ৰং-বিৰঙ সঞ্চয় মুদ্ৰা পঞ্চী বস্তু



পঞ্চী মোমায়েকৰ লগত মেলালৈ গ'ল। মেলাত ওলোৱা ৰং-বিৰঙৰ বস্তুবোৰ দেখি তাইৰ বৰ ভাল লাগিল। মেলাত বিভিন্ন আকৃতিৰ পইচা ভৰাব পৰা সৰু সৰু টেকেলিও ওলাইছে। মোমায়েকে আমৰ আকৃতিৰ টেকেলি এটা কিনি দি তাইক ক'লে— "ইয়াত তুমি পইচা সঞ্চয় কৰিবা।" তেতিয়াৰ পৰা পঞ্চীয়ে এটকীয়া, দুটকীয়া মুদ্ৰাবোৰ পালেই টেকেলিটোত ভৰাই থয়। টেকেলিটোত সঞ্চয় কৰা টকাখিনিৰে তাই পাঁচখন সাধুৰ কিতাপ কিনিলে। তাই সাধুৰ কিতাপ পঢ়ি বৰ ভাল পায়।

**কাৰ্য নং-৯**

**কথা পাতোঁ আহা—**

(ক) মোমায়েকে পঞ্চীক কি কিনি দিছিল?

(খ) পঞ্চীয়ে কেনেকৈ টকা সঞ্চয় কৰিছিল?

(গ) পঞ্চীয়ে সঞ্চয় কৰা টকাখিনিৰে কি কৰিলে?

**কাৰ্য নং-১০**

**ভালপোৱা দুটা সাধুৰ নাম লিখোঁ আহা—**

..........................................................................................

..........................................................................................

অনুশীলনী

নির্দেশনা ঃ-
- শিক্ষকে শিক্ষাৰ্থীসকলক আগদিনা পঢ়ি অহা দফাটো গাইগুটীয়াকৈ পঢ়িবলৈ দিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি অহা ৬-১০ টা শব্দৰ এটা বা দুটা সহজ বাক্য দিব।

## কাৰ্য নং-১১

**লিখোঁ আহা—**

ক) পঞ্চী কাৰ লগত মেলালৈ গৈছিল?

উত্তৰঃ ..................................................................................

খ) মেলাত তাইৰ কিয় ভাল লাগিল?

উত্তৰঃ ..................................................................................

গ) সঞ্চয় কৰা টকাখিনিৰে পঞ্চীয়ে কি কৰিলে?

উত্তৰঃ ..................................................................................

## কাৰ্য নং-১২

**চিন্তা কৰি কওঁ আৰু লিখোঁ আহা—**

টকা সঞ্চয় কৰিব লাগেনে? সঞ্চয় কৰা টকাৰে তুমি কি কৰিবা?

উত্তৰঃ ..................................................................................

..................................................................................

## কাৰ্য নং-১৩

**শব্দ লগলগাই লিখোঁ আৰু পঢ়োঁ আহা—**

পৰি → য়াল → ..........
পৰি → ণতি → ..........

জ্ব → লোৱা → ..........
জ্ব → ৰ → ..........

ৰা → ষ্ট্ৰ → ..........
ৰা → তি → ..........

স → ঞ্চয় → ..........
স → ময় → ..........

## কাৰ্য নং-১৪

**শ্ৰুতলিপি—**

..................................................................................

..................................................................................

..................

সপ্তাহ-২২
দিন- ৫
DD/MM/YYYY

মূল্যায়ন

**নিৰ্দেশনা ঃ-**
- শিক্ষকে শিক্ষাৰ্থীক গাইগুটীয়াকৈ পঢ়িবলৈ দিব আৰু মুঠ কিমানটা শব্দ পঢ়িব পাৰিছে আৰু কিমানটা উত্তৰ লিখিব পাৰিছে তাৰ মূল্যায়ন কাষৰ বাকচত লিখিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি অহা ৬-১০ টা শব্দৰ এটা বা দুটা সহজ বাক্য দিব।

**কাৰ্য নং-১৫**

পঢ়া— 

/৬০

এখন অৰণ্য আছিল। অৰণ্যত বহুতো জীৱ-জন্তুৱে বাস কৰিছিল। তাত এজাক হাতীয়েও বাস কৰিছিল। এবাৰ কাঞ্চন নামৰ হাতীটোৰ পানীলগা জ্বৰ হ'ল। হাতীটোৰ নাকেৰে নেৰানেপেৰাকৈ পানী ওলাবলৈ ধৰিলে। অৰণ্যত হাহাকাৰ লাগিল। আন জীৱ-জন্তুবোৰে আহি হাতীটোক নানা ধৰণৰ ঔষধ দিলে। কিন্তু হাতীটোৰ নাকেৰে পানী ওলোৱা বন্ধই নোহোৱা হ'ল। সকলোৱে হাতীটোক লৈ চিন্তাত পৰিল। সকলোৱে হাতীটোৰ শুশ্ৰূষা কৰিববলৈ ল'লে। এদিন হাতীটো সুস্থ হৈ উঠিল।

**কাৰ্য নং-১৬**

লিখা—

ক) হাতীটোৰ নাম কি আছিল? /১

উত্তৰঃ ..........................................................................................

খ) হাতীটোৰ কি হৈছিল? /১

উত্তৰঃ ..........................................................................................

গ) হাতীটো কেনেকৈ সুস্থ হ'ল? /২

উত্তৰঃ ..........................................................................................

**কাৰ্য নং-১৭**

শ্ৰুতলিপি—

..........................................................................................

..........................................................................................

....................

সপ্তাহ-২২
দিন- ৬
DD/MM/YYYY

নিদানমূলক

**নিৰ্দেশনা ঃ-**

- শিক্ষকে শিক্ষাৰ্থীক পঢ়িবলৈ দিব আৰু প্ৰয়োজনত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শিক্ষাৰ্থীৰ শিকন পৰ্যায়ৰ ভিত্তিত অতিৰিক্ত কাৰ্য কৰাব।

### কাৰ্য নং-১৮

**পঢ়োঁ আহা—**

পুছি নামৰ এটা মেকুৰী আছিল। তাই সদায় এটাকৈ নিগনি খায়। নিগনিবোৰে মেকুৰীৰ পৰা ৰক্ষা পাবলৈ এদিন এখন সভা পাতিলে। পিণ্টু নামৰ নিগনিটোৱে ক'লে - "মেকুৰীটোৰ ডিঙিত এটা ঘণ্টা বান্ধি দিয়ক। ঘণ্টা বাজিলে সকলোৱে মেকুৰী অহা বুলি গম পাই যাব।" সকলোৱে পিণ্টুৰ উপায়টো ভাল পালে। কিন্তু মেকুৰীটোৰ ডিঙিত ঘণ্টাটো বান্ধিব কোনে? এই বিষয়টোক লৈ নিগনিবোৰে কেইবাদিনো আলোচনা কৰি থাকিল।

### কাৰ্য নং-১৯

**লিখোঁ আহা—**

ক) নিগনিটোৱে সদায় কি খাইছিল?

উত্তৰ ঃ ..........................................................................................

খ) পিণ্টুৱে মেকুৰীটোৰ পৰা ৰক্ষা পাবলৈ কি উপায় দিলে?

উত্তৰ ঃ ..........................................................................................

গ) মেকুৰীটোৰ ডিঙিত ঘণ্টা বান্ধিব পাৰিবনে? ভাবি কওঁ আৰু লিখোঁ আহা।

উত্তৰ ঃ ..........................................................................................

### কাৰ্য নং-২০

**শব্দবোৰ পঢ়োঁ আহা—**

| | | | | | |
|---|---|---|---|---|---|
| ইন্দ্ৰ | বেঞ্চ | মাস্তুল | পাঞ্চালী | জ্বৰ | বান্ধৱী |

### কাৰ্য নং-২১

**অতিৰিক্ত কাৰ্য—**

....................

অনুশীলনী

নিৰ্দেশনা ঃ-

- শিক্ষকে তলত দিয়া ছবিখন চাই ছবিখনৰ বিষয়ে আলোচনা কৰিবলৈ আৰু দফাটোৰ শিৰোনাম সম্পৰ্কে অনুমান কৰিবলৈ দিব।
- শিক্ষকে দফাটো পঢ়াত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শব্দাৱলী সম্পৰ্কে আলোচনা কৰিব আৰু শব্দাৱলীৰ অৰ্থ বুজাত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে যুক্তাক্ষৰৰ পুনৰালোচনা কৰিব।

স্ত, শ্ৰ, ন্ম, স্ন, ল্ট, ন্ধ, দ্ধ, ক্ৰ, ষ্ট, স্ক

কাৰ্য নং-১

পঢ়োঁ আহা—

শব্দাৱলী

খৰিকটীয়া আশ্ৰয় ইংগিত বন্দুক কান্ধত



এদিন এটা শিয়াল হাবিত ফুৰি আছিল। তেনেতে সি কান্ধত বন্দুক লৈ থকা এজন চিকাৰীৰ মুখামুখি হ'ল। ভয়তে শিয়ালটো দৌৰি দৌৰি গৈ এখন গাঁৱত সোমাল। তাতে সি এজন খৰিকটীয়াক লগ পালে। সি খৰিকটীয়াজনক আশ্ৰয় বিচাৰিলে। খৰিকটীয়াই শিয়ালটোক এটা জুপুৰী ঘৰ দেখুৱাই দি তাতে লুকাই থাকিবলৈ ক'লে। কিছু সময়ৰ পাছত চিকাৰীজনে আহি খৰিকটীয়াক শিয়ালটোৰ বিষয়ে সুধিলে। খৰিকটীয়াজনে নাই বুলি ক'লে যদিও আঙুলিৰে ইংগিত দি শিয়াল থকা জুপুৰীটো দেখুৱাই দিলে। চিকাৰীজনে খৰিকটীয়াজনৰ ইংগিতটো ধৰিব নোৱাৰি শিয়ালটো বিচাৰি উলিয়াব নোৱাৰিলে।

কাৰ্য নং-২

কথা পাতোঁ আহা—

ক) শিয়ালটো ক'ত ফুৰি আছিল?
খ) শিয়ালটো কাৰ ভয়ত দৌৰি দৌৰি পলাইছিল?
গ) শিয়ালটোৱে আশ্ৰয় বিচাৰি কাৰ ওচৰ চাপিছিল?
ঘ) চিকাৰীজনে শিয়ালটোক কিয় বিচাৰি উলিয়াব নোৱাৰিলে?

কাৰ্য নং-৩

লিখোঁ আহা —

যিয়ে খৰি কাটে → খৰিকটীয়া
যিয়ে নাও বায় → 
যিয়ে মাছ মাৰে → 

অনুশীলনী

**নির্দেশনা ঃ-**

- শিক্ষকে শিক্ষাৰ্থীসকলক আগদিনা পঢ়ি অহা দফাটো গাইগুটীয়াকৈ পঢ়িবলৈ দিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি অহা ৬-১০ টা শব্দৰ এটা বা দুটা সহজ বাক্য দিব।

### কাৰ্য নং-৪

**লিখোঁ আহা —**

ক) শিয়ালটো কাৰ ভয়ত দৌৰি পলাইছিল?

উত্তৰ ঃ ..............................................................................................

খ) খৰিকটীয়াজনে শিয়ালটোক ক'ত লুকাবলৈ দিছিল?

উত্তৰ ঃ ..............................................................................................

গ) চিকাৰীজনে শিয়ালটোক কিয় বিচাৰি উলিয়াব নোৱাৰিলে?

উত্তৰ ঃ ..............................................................................................

### কাৰ্য নং-৫

**কওঁ আহা —**

খৰিকটীয়াজনে শিয়ালটোক প্ৰকৃততে আশ্ৰয় দিছিল নে? চিন্তা কৰি কওঁ আহা—

### কাৰ্য নং-৬

**শেষৰ আখৰটোৰ পৰা শব্দ গঠন কৰোঁ আহা —**

শিয়াল → লতা → তামিল → [ ]

[ ] → [ ] → [ ] → [ ]

### কাৰ্য নং-৭

**শ্ৰুতলিপি —**

..............................................................................................

..............................................................................................

**নির্দেশনা ঃ-**

- শিক্ষকে তলত দিয়া ছবিখন চাই ছবিখনৰ বিষয়ে আলোচনা কৰিবলৈ আৰু দফাটোৰ শিৰোনাম সম্পৰ্কে অনুমান কৰিবলৈ দিব।
- শিক্ষকে দফাটো পঢ়াত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শব্দাৱলী সম্পৰ্কে আলোচনা কৰিব আৰু শব্দাৱলীৰ অৰ্থ বুজাত শিক্ষাৰ্থীক সহায় কৰিব।

### কাৰ্য নং-৮

**পঢ়োঁ আহা—** শব্দাৱলী

বাহ ইতিমধ্যে খাদ্য এহাল



এহাল কপৌ চৰায়ে বাহ সাজিবলৈ ঠাই বিচাৰি আছিল। তেনেতে সিহঁতৰ ধাননি পথাৰ এখনত চকু পৰিল। দুয়ো কথা পাতিলে যে সিহঁতে তাতে বাহ সাজিব। বাহ সাজি দুয়ো তাতে থাকিবলৈ ল'লে। পথাৰখনৰ ধানবোৰ লাহে লাহে পকিবলৈ ধৰিল। ইতিমধ্যে কপৌহালৰো দুটা পোৱালি হ'ল। মাইকী কপৌজনীয়ে মতা কপৌটোক ক'লে-"পথাৰৰ ধানবোৰ পকিল। আমি ইহঁতৰ বাবে আৰু দূৰলৈ খাদ্য বিচাৰি যাব নালাগে।" সেই কথা ভাবি সিহঁতৰ বৰ ভাল লাগিল।

### কাৰ্য নং-৯

**কথা পাতোঁ আহা—**

ক) কপৌহালে ক'ত বাহ সাজিছিল?

খ) কি ভাবি কপৌহালৰ ভাল লাগিছিল?

### কাৰ্য নং-১০

**ভালপোৱা পাঁচটা চৰাইৰ নাম লিখোঁ আহা—**

............................ ............................ ............................

............................ ............................

নিৰ্দেশনা ঃ-

- শিক্ষকে আগদিনা পঢ়ি অহা দফাটো শিক্ষাৰ্থীসকলক গাইগুটীয়াকৈ পঢ়িবলৈ দিব।
- শিক্ষকে তলৰ ক্ৰিয়া-কলাপসমূহ কৰাব।

**কাৰ্য নং-১১**

**উত্তৰ লিখোঁ আহা—**

ক) ধাননি পথাৰত কোনে বাহ সাজিছিল?

উত্তৰ ঃ ..........................................................................................

খ) কপৌহালৰ কেইটা পোৱালি আছিল?

উত্তৰ ঃ ..........................................................................................

গ) কপৌহালৰ কি ভাবি ভাল লাগিছিল?

উত্তৰ ঃ ..........................................................................................

**কাৰ্য নং-১২**

**চৰায়ে ক'ত ক'ত বাহ সাজে কওঁ আহা—**

**কাৰ্য নং-১৩**

**তলত দিয়া আখৰ-জালৰ পৰা চৰাইৰ নাম বিচাৰি লিখোঁ আহা —**

| | | | | |
|---|---|---|---|---|
| বু | ল | বু | লি | ৰা |
| শা | লি | কা | ম | জ |
| ক | কু | উ | ই | হাঁ |
| পৌ | লি | ৰী | ন | হ |

| | |
|---|---|
| শালিকা | |
| | |
| | |

**কাৰ্য নং-১৪**

**বাক্য সাজোঁ আহা —**

বুদ্ধি ..........................................................................................

জন্ম ..........................................................................................

স্নেহ ..........................................................................................

বাল্টি ..........................................................................................

নির্দেশনা ঃ-

- শিক্ষকে শিক্ষাৰ্থীক গাইগুটীয়াকৈ পঢ়িবলৈ দিব আৰু মুঠ কিমানটা শব্দ পঢ়িব পাৰিছে আৰু কিমানটা উত্তৰ লিখিব পাৰিছে তাৰ মূল্যায়ন কাষৰ বাকচত কৰিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি অহা ৬-১০ টা শব্দৰ এটা বা দুটা সহজ বাক্য দিব।

**কাৰ্য নং-১৫**

/৬০

পঢ়াঁ —

স্নেহা আৰু ক্ৰিষ্টিনাই আজি বিদ্যালয়লৈ আহি শ্ৰেণীকোঠাত আনসকলৰ পৰা আঁতৰত বহিছে। মফিদা আৰু ক্ৰিষ্টিনাই পানীলগা জ্বৰ আৰু কাঁহ হোৱা বাবে বিদ্যালয়লৈ এসপ্তাহ আহিব পৰা নাছিল। আজি সিহঁত দুয়ো মাস্ক পিন্ধি বিদ্যালয়লৈ আহিছে। দুয়ো নলে-গলে লগা বান্ধৱী। পঢ়া- শুনাটো আগৰণুৱা। বিদ্যালয়ত অনুপস্থিত থাকিবলৈ সিহঁতে একেবাৰে ভাল নাপায়। শ্ৰেণীৰ ছাৰ-বাইদেউসকলে দুয়োৰে অসুখৰ খবৰ লৈছে। সিহঁতক বিদ্যালয়লৈ নহা দিনকেইটাৰ বুজি নোপোৱা ক্ৰিয়া-কলাপবোৰ বুজাই দিছে।

**কাৰ্য নং-১৬**

লিখাঁ—

ক) আজি কোনে কোনে মাস্ক পিন্ধি আহিছিল? /১

উত্তৰ ঃ ..........................................................................

খ) তেওঁলোকে কিয় মাস্ক পিন্ধি আহিছিল? /১

উত্তৰ ঃ ..........................................................................

গ) আমি কিয় মাস্ক পিন্ধিব লাগে? /২

উত্তৰ ঃ ..........................................................................

**কাৰ্য নং-১৭**

/৪

বিপৰীত শব্দবোৰ আঁচ টানি মিলোৱা—

| জন্ম | ওচৰ | বন্ধ | সাৱধান |
|---|---|---|---|
| অসাৱধান | খোলা | দূৰ | মৃত্যু |

**কাৰ্য নং-১৮**

শ্ৰুতলিপি—

..........................................................................

..........................................................................

....................

নিদানমূলক

**নিৰ্দেশনা ঃ-**
- শিক্ষকে শিক্ষাৰ্থীক পঢ়িবলৈ দিব আৰু প্ৰয়োজনত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শিক্ষাৰ্থীৰ শিকন পৰ্যায়ৰ ভিত্তিত অতিৰিক্ত কাৰ্য কৰাব।

**কাৰ্য নং-১৯**

**পঢ়োঁ আহা—**

ৰিতু আৰু মনালী ভাই-ভনী। দুয়ো আজি বৰ ব্যস্ত। সিহঁতে আজি ঘৰৰ আগফালে ফুলনিখনত পুৱাৰে পৰা কাম কৰি আছে। এতিয়া নৱেম্বৰ মাহ। গাঁৱৰ বিজু খুড়াৰ ঘৰত নাৰ্জী ফুলৰ বাগিচা আছে। তাকে দেখি ৰিতু আৰু মনালীৰ নিজৰ ঘৰত নাৰ্জী ফুলৰ বাগিচা পাতিবলৈ মন গ'ল। সেয়ে দুয়ো দেউতাকক আজি বজাৰৰ পৰা ফুলৰ পুলি আনি দিবলৈ কৈছিল। আজি স্কুল বন্ধ হোৱা বাবে দুয়ো ফুলনিত সোমাই মাটি খান্দি আছে। আবেলি সিহঁতে দেউতাকে আনি দিয়া ফুলৰ পুলিবোৰ ৰুব।

**কাৰ্য নং-২০**

**কওঁ আৰু লিখোঁ আহা—**

ক) ৰিতু আৰু মনালীয়ে কি ফুলৰ বাগিচা পাতিবলৈ বিচাৰিছিল?
উত্তৰ ঃ ..........................................................................................

খ) সিহঁত দুয়ো কিয় ব্যস্ত আছিল?
উত্তৰ ঃ ..........................................................................................

গ) সিহঁতৰ কিয় নাৰ্জী ফুলৰ বাগিচা পাতিবলৈ মন গ'ল?
উত্তৰ ঃ ..........................................................................................

**কাৰ্য নং-২১**

**'দ্ধ' থকা দুটা শব্দ লিখোঁ আহা —**

| দ্ধ | বুদ্ধ | | |
|---|---|---|---|

**কাৰ্য নং-২২**

**অতিৰিক্ত কাৰ্য—**

**নিৰ্দেশনা ঃ-**

- শিক্ষকে তলত দিয়া ছবিখন চাই ছবিখনৰ বিষয়ে আলোচনা কৰিবলৈ আৰু দফাটোৰ শিৰোনাম সম্পৰ্কে অনুমান কৰিবলৈ দিব।
- শিক্ষকে পাঠটো পঢ়াত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শব্দাৱলী সম্পৰ্কে আলোচনা কৰিব আৰু শব্দাৱলীৰ অৰ্থ বুজাত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে যুক্তাক্ষৰৰ পুনৰালোচনা কৰিব।

ণ্ড, ন্দ, ন্ধ, ন্দ্ব, স্থ, প্ত

**কাৰ্য নং-১**

পঢ়োঁ আহা— **শব্দাৱলী**

অৰণ্য, প্ৰকাণ্ড, বন্ধুত্ব, আনন্দিত, ভ্ৰমণ



এদিন নন্দনে শুই থাকোঁতে এটা সপোন দেখিলে। সপোনত সি অৰণ্য এখনৰ মাজলৈ সোমাই গৈ থকা দেখিলে। অৰণ্যত হঠাৎ সি দেখিলে এটা প্ৰকাণ্ড হাতী তাৰ ফালে আগবাঢ়ি আহি আছে। সি বৰ ভয় খালে। হাতীয়ে তাক ক'লে - "নন্দন, তুমি ভয় নাখাবা, মই তোমাৰ লগত বন্ধুত্ব কৰিবলৈহে আহিছোঁ। তুমি মোৰ বন্ধু হ'বা নে?" হাতীৰ কথা শুনি নন্দনৰ ভয় কমিল। সি আনন্দিত হৈ ক'লে, "নিশ্চয়, মই তোমাৰ বন্ধু হ'ম।" ইয়াৰ পাছত নন্দনে হাতীৰ পিঠিত উঠি অৰণ্য ভ্ৰমণ কৰিবলৈ ধৰিলে। ভ্ৰমণ কৰি থাকোঁতেই হঠাৎ সি হাতীৰ পিঠিৰ পৰা পৰি গ'ল আৰু টোপনিৰ পৰাও সাৰ পাই গ'ল।

**কাৰ্য নং-২**

কথা পাতোঁ আহা —

ক) সপোনত নন্দনে অৰণ্যখনত কি দেখা পালে?

খ) কোনে নন্দনৰ লগত বন্ধুত্ব কৰিব বিচাৰিছিল?

গ) নন্দনে কেনেকৈ সাৰ পালে?

**কাৰ্য নং-৩**

বাকচৰ পৰা বাছি লৈ বিপৰীত শব্দ লিখোঁ আহা—

সপোন ঃ ..................................................

প্ৰকাণ্ড ঃ ..................................................

সুখ ঃ ..................................................

ক্ষুদ্ৰ দুখ দিঠক

..................

নির্দেশনা ঃ-

- শিক্ষকে শিক্ষাৰ্থীসকলক আগদিনা পঢ়ি অহা দফাটো গাইগুটীয়াকৈ পঢ়িবলৈ দিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি অহা ৬-১০ টা শব্দৰ এটা বা দুটা সহজ বাক্য দিব।

### কাৰ্য নং-৪

উত্তৰ লিখোঁ আহা—

ক) সপোনত হাতী কোনে দেখিছিল?

উত্তৰ ঃ ...........................................................

খ) নন্দনৰ লগত কোনে বন্ধুত্ব কৰিবলৈ বিচাৰিছিল?

উত্তৰ ঃ ...........................................................

গ) নন্দনে কিয় ভয় খাইছিল আৰু তাৰ ভয় কেনেকৈ নাইকিয়া হ'ল? কওঁ আৰু লিখোঁ আহা।

উত্তৰ ঃ ...........................................................

### কাৰ্য নং-৫

'গু', 'ঞ্চ' আৰু 'ন্তু' যুক্তাক্ষৰকেইটা উপযুক্ত স্থানত বহুৱাই শব্দ গঠন কৰোঁ আহা —

| | |
|---|---|
| সি....ঞ্চ.......ন | উ..............ৰ |
| প্ৰকা............. | স..............য় |
| খ.............. | প্ৰ চ............. |

### কাৰ্য নং-৬

বাক্য সাঁজো আহা—

সঞ্চয় ঃ ..................................................................

অৰণ্য ঃ ..................................................................

আনন্দ ঃ ..................................................................

### কাৰ্য নং-৭

শ্ৰুতলিপি—

.............................................................................................

.............................................................................................

নিৰ্দেশনা ঃ-

- শিক্ষকে তলত দিয়া ছবিখন চাই ছবিখনৰ বিষয়ে আলোচনা কৰিবলৈ আৰু দফাটোৰ শিৰোনাম সম্পৰ্কে অনুমান কৰিবলৈ দিব।
- শিক্ষকে পাঠটো পঢ়াত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শব্দাৱলী সম্পৰ্কে আলোচনা কৰিব আৰু শব্দাৱলীৰ অৰ্থ বুজাত শিক্ষাৰ্থীক সহায় কৰিব।

কাৰ্য নং-৮

**পঢ়োঁ আহা—**



**শব্দাৱলী**

এসপ্তাহ, দৈনিক, দুৰ্গা, সপ্তমী
কাৰ্যকলাপ, ঢেৰ, পুথিভঁৰাল

ৰীতাই আজি ৰাতিপুৱা ছয় বজাত শুই উঠিলে। আজি দেওবাৰ বাবে তাইৰ বিদ্যালয় বন্ধ। বন্ধৰ দিনত দৈনিক কাৰ্যকলাপৰ উপৰি তাইৰ ঢেৰ কাম কৰিবলগীয়া থাকে। দুৰ্গা পূজালৈ আৰু এসপ্তাহ বাকী আছে। সেয়ে তাই আজি মাকৰ লগত নতুন কাপোৰ এযোৰ কিনিবলৈ বজাৰলৈ যাব। তাইৰ কিন্তু ৰঙা চোলা এটা ল'বলৈহে মন আছে। বিদ্যালয়ৰ পুথিভঁৰালৰ পৰা অনা সাধু কিতাপখনো তাই আজি পঢ়িব। সাধু পঢ়ি তাই খুব ভালপায়। আজি আবেলি সপ্তমী আহিব। সপ্তমী আৰু তাই বান্ধৱীসকলৰ লগত খেলপথাৰত খেলিবলৈ যাব। খেলপথাৰৰ পৰা উভতি আহি হাত-ভৰি ধুই পঢ়িবলৈ বহিব। পঢ়াৰ শেষত দেউতাক আৰু ভায়েকৰ লগত লুডু খেলিব।

কাৰ্য নং-৯

**কথা পাতোঁ আহা—**

ক) বিদ্যালয় কিয় বন্ধ আছিল ?
খ) ৰীতাই কিয় মাকৰ সৈতে বজাৰলৈ যাম বুলি ভাবিছিল ?
গ) ৰীতাই কাৰ সৈতে খেলিম বুলি ভাবিছিল ?
ঘ) ৰীতাই দেওবাৰৰ দিনটোত পৰিকল্পনা কৰা যিকোনো দুটা কামৰ বিষয়ে কোৱা।

কাৰ্য নং-১০

**দেওবাৰৰ দিনটোত কি কি কৰোঁ কওঁ আৰু লিখোঁ আহা—**

..........................................................................................

নির্দেশনা ঃ-

- শিক্ষকে শিক্ষাৰ্থীসকলক আগদিনা পঢ়ি অহা দফাটো গাইগুটীয়াকৈ পঢ়িবলৈ দিব।
- শিক্ষকে তলৰ ক্ৰিয়া-কলাপসমূহ কৰাব।

কাৰ্য নং-১১

লিখোঁ আহা—

ক) বজাৰৰ পৰা কি কিনিবলৈ ৰীতাৰ মন আছিল?

উত্তৰ ঃ ..........................................................................................

খ) ৰীতাই দেওবাৰৰ দিনটো কেনেদৰে পৰিকল্পনা কৰিছিল?

উত্তৰ ঃ ..........................................................................................

গ) তুমি অহা দেওবাৰে কি কি কৰিবা, তাৰ পৰিকল্পনা কৰি কোৱা আৰু লিখা।

উত্তৰ ঃ ..........................................................................................

কাৰ্য নং-১২

তলৰ যুক্তাক্ষৰবোৰৰ সহায়ত দুটাকৈ শব্দ গঠন কৰোঁ আহা—

| | | | |
|---|---|---|---|
| ণ্ড → | প্ৰকাণ্ড | | |
| ন্ধ → | বন্ধ | | |
| প্ত → | সমাপ্ত | | |
| ষ্ট → | আগষ্ট | | |

কাৰ্য নং-১৩

পঢ়োঁ আহা—

| | | | | |
|---|---|---|---|---|
| সপ্তম | কাঞ্চন | যুদ্ধ | উদ্ভিদ | সন্মান |
| স্থান | পুৰস্কাৰ | ধন্যবাদ | ধ্বংস | বস্তু |

.....................

মূল্যায়ন

**নির্দেশনা ঃ-**

- শিক্ষকে শিক্ষাৰ্থীক গাইগুটীয়াকৈ পঢ়িবলৈ দিব আৰু মুঠ কিমানটা শব্দ পঢ়িব পাৰিছে আৰু কিমানটা উত্তৰ লিখিব পাৰিছে তাৰ মূল্যায়ন কাষৰ বাকচত কৰিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি অহা ৬-১০ টা শব্দৰ এটা বা দুটা সহজ বাক্য দিব।

**কাৰ্য নং-১৪**

**পঢ়া—**

/৬০

এদিন সংগীতাই বিদ্যালয়ৰপৰা আহি আবেলি গান গাবলৈ ধৰিলে। গান শুনি সংগীতাৰ ঘৰৰ ওচৰতে থকা বন্ধু-বান্ধৱী টংকেশ্বৰ, মালতী আৰু মীৰাও আহি সংগীতাৰ ঘৰ পালেহি। সংগীতাৰ ঘৰৰ সকলো সদস্য আহি সংগীতাৰ ওচৰ পালেহি। সকলোকে দেখি সংগীতা মৌন হৈ পৰিল। সংগীতাৰ মাকে তাইক ক'লে - "কিয় থমকি গ'লা? হ'ব দিয়া, আমি সকলোৱে মিলি একেলগে গান গাওঁ।" সকলোৱে সংগীতাৰ সৈতে সমস্বৰে গান গাবলৈ ধৰিলে।

**কাৰ্য নং-১৫**

**উত্তৰ লিখা—**

ক) সংগীতাৰ গান শুনি কোন কোন সংগীতাৰ ওচৰ পালেহি? /১

উত্তৰ ঃ.........................................................................

খ) সংগীতা মাজতে কিয় মৌন হৈ পৰিছিল? /১

উত্তৰ ঃ.........................................................................

গ) শেষত আটায়ে মিলি কি কৰিলে? /২

উত্তৰ ঃ.........................................................................

**কাৰ্য নং-১৬**

**শ্ৰুতলিপি—**

.................................................................................................

.................................................................................................

**সপ্তাহ-২৪**

**দিন- ৬**

DD/MM/YYYY

নিদানমূলক

**নিৰ্দেশনা ঃ-**

- শিক্ষকে শিক্ষাৰ্থীক পঢ়িবলৈ দিব আৰু প্ৰয়োজনত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শিক্ষাৰ্থীৰ শিকন পৰ্যায়ৰ ভিত্তিত অতিৰিক্ত কাৰ্য কৰাব।

**কাৰ্য নং-১৭**

**পঢ়োঁ আহা—**

এদিন মালা বিছনাত শুই আছিল। এনেতে ক'ৰবাৰ পৰা এটা মাখি উৰি আহি মালাৰ মুখত পৰি তাইক আমনি কৰিবলৈ ধৰিলে। মালাই বাৰে বাৰে মাখিটো খেদি পঠিয়ায়। কিন্তু সি পুনৰ উৰি আহি মালাৰ মুখতে পৰেহি। মালাৰ খং উঠিল। এবাৰ মাখিটো উৰি আহি যেতিয়া মালাৰ গালত পৰিলেহি, মালাই মাখিটো মাৰিবলৈ এটা জোৰকৈ চাপৰ মাৰি দিলে। মাখিটো লগে লগে উৰি গ'ল কিন্তু চাপৰটোৰ বাবে মালাৰ গালখনহে বিষাল।

**কাৰ্য নং-১৮**

**কওঁ আৰু উত্তৰ লিখোঁ আহা—**

ক) শুই থাকোতে মালাক কিহে আমনি কৰিছিল?

উত্তৰঃ ..................................................................

খ) মাখিটো মালাৰ গালত পৰোতে মালাই কি কৰিলে?

উত্তৰঃ..................................................................

গ) টোপনিত যদি তোমাক কোনোবাই আমনি কৰে তোমাৰ কেনে লাগে লিখা।

উত্তৰঃ..................................................................

**কাৰ্য নং-১৯**

**তলৰ আখৰ-জালৰ পৰা ফুলৰ নাম বিচাৰি কাষৰ বাকচত লিখোঁ আহা—**

| | | | | |
|---|---|---|---|---|
| না | র্জী | শে | ৱা | লি |
| হ | ক | পৌ | ত | ব |
| ৰ | জ | নী | গ | ন্ধা |
| জ | বা | ল | ৰ | কু |
| অ | প | ৰা | জি | তা |

**কাৰ্য নং-২০**

**অতিৰিক্ত কাৰ্য—**

..................

নির্দেশনা ঃ-

- শিক্ষকে তলত দিয়া ছবিখন চাই ছবিখনৰ বিষয়ে আলোচনা কৰিবলৈ আৰু দফাটোৰ শিৰোনাম অনুমান কৰিবলৈ দিব।
- শিক্ষকে পাঠটো পঢ়াত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শব্দাৱলী সম্পৰ্কে আলোচনা কৰিব আৰু শব্দাৱলীৰ অৰ্থ বুজাত শিক্ষাৰ্থী সহায় কৰিব।

কাৰ্য নং-১

পঢ়োঁ আহা—

**শব্দাৱলী**

মহো-হো, উৎসৱ, সন্ধিয়া, ভাজ-ভাত



আঘোণ মাহৰ জোনাক ৰাতি। মনটি, ধনবৰ, ধীৰা, চুনু, ৰংমনহঁতে মহ খেদা ‘মহো-হো’ উৎসৱ পালন কৰিবলৈ সাজু হৈছে। সিহঁতে হাতে-হাতে দুখন মোনা লৈছে। এখনত সিহঁতে চাউল আৰু আনখনত পইচা ল’বলৈ থিৰাং কৰিছে। সিহঁতে হাতে হাতে এডাল মাৰিও লৈছে। সন্ধিয়া হোৱাৰ লগে লগে আটায়ে লগ লাগি গাঁওখনত ঘৰে ঘৰে এফালৰ পৰা ৰাতি হোৱালৈকে মহ খেদা গীত গালে। সিহঁতে মানুহৰ ঘৰে ঘৰে ঘূৰি ফুৰোঁতে এঘৰ-দুঘৰে সিহঁতক চাহ-পিঠাও খুৱাইছে।ৰাতি দেৰি হোৱা দেখি ৰংমনৰ দেউতাকে সিহঁতক আগবঢ়াই আনিবলৈ গৈছে। পিছদিনা সিহঁতে পোৱা পইচাখিনিৰে ভোজ-ভাত খাবলৈ মন কৰিলে। সকলোৱে মিলি মাংস আৰু শাক-পাচলি কিনিবলৈ বজাৰলৈ গ’ল। সন্ধিয়া সিহঁতে নামঘৰৰ চোতালত ৰান্ধি ভোজ-ভাত খালে।

কাৰ্য নং-২

কথা পাতোঁ আহা —

ক) ‘মহো-হো’ কোন মাহত পালন কৰা হয়?
খ) কোনে কোনে মহ খেদিবলৈ সাজু হৈছিল?
গ) মনটিহঁতে ‘মহো-হো’ উৎসৱ কেনেকৈ পালন কৰিছিল?
ঘ) তোমালোকে কেতিয়া কেতিয়া ভোজ-ভাত খোৱা?

কাৰ্য নং-৩

স্ত্ৰীবাচক শব্দৰ লগত পুৰুষ বাচক শব্দ লিখোঁ আহা —

আইতা ঃ .................... মা ঃ ................
পেহী ঃ .................... মামী ঃ ................
বান্ধৱী ঃ ....................

ককা, মামা, বন্ধু, পেহা, দেউতা

সপ্তাহ-২৫
দিন- ২
DD/MM/YYYY

অনুশীলনী

নিৰ্দেশনা ঃ-

- শিক্ষকে শিক্ষাৰ্থীসকলক আগদিনা পঢ়ি অহা দফাটো গাই গুটীয়াকৈ পঢ়িবলৈ দিব।
- শিক্ষকে দফাটোৰ ওপৰত আধাৰিত প্ৰশ্নোত্তৰসমূহ কৰিবলৈ স্পষ্ট নিৰ্দেশনা দিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি অহা শব্দৰ ৬-১০ টা শব্দৰ এটা বা দুটা বাক্য দিব।

**কাৰ্য নং-৪**

**উত্তৰ কওঁ আৰু লিখোঁ আহা —**

ক) ধীৰাহঁতে কি উৎসৱ পালন কৰিবলৈ সাজু হৈছিল?

উত্তৰ ঃ ....................................................................................

খ) সিহঁতে ঘৰে ঘৰে গৈ কি গীত গাইছিল?

উত্তৰ ঃ ....................................................................................

**কাৰ্য নং-৫**

**ভোজ-ভাত খাবলৈ কি কি যোগাৰ কৰিব লাগে?**

**কাৰ্য নং-৬**

**চাৰিটা উৎসৱৰ নাম লিখোঁ আহা —**

**কাৰ্য নং-৭**

**শ্ৰুতলিপি —**

....................................................................................

....................................................................................

নির্দেশনা ঃ-

- শিক্ষকে তলত দিয়া ছবিখন চাই ছবিখনৰ বিষয়ে আলোচনা কৰিবলৈ আৰু দফাটোৰ শিৰোনাম অনুমান কৰিবলৈ দিব।
- শিক্ষকে দফা পঢ়াত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শব্দাৱলী সম্পৰ্কে আলোচনা কৰিব আৰু শব্দাৱলীৰ অৰ্থ বুজাত শিক্ষাৰ্থী সহায় কৰিব।

কাৰ্য নং-৮

পঢ়োঁ আহা—

শব্দাৱলী

গোট খোৱা, ৰঙীন, উলাহ, তপৰাই



আহাৰ মাহ। দীপৰ বিলৰ মাছবোৰৰ কি যে ৰং! সেই বিলতে মাছবোৰে লগলাগি খলিহনা মাছৰ বিয়া পাতিছে। বিয়াত দৰিকণা, পুঠি, গৰৈ, কাৱৈ, চেঙেলি আদি সৰু বাকলি থকা মাছবোৰ গোট খাইছে। সকলোৰে গাত নতুন নতুন ৰঙীণ কাপোৰ। মনৰ উলাহত কিছুমানে গীত গাইছে, কিছুমানে নাচিছে আৰু যে কিমানে কি কৰিছে! বাকলি নথকা মাছবোৰক বিয়ালৈ মতাই নাই। বিয়াৰ ধুমধাম দেখি বাকলি নথকা মাছবোৰে সিহঁতৰ ৰজা বৰালিৰ ওচৰলৈ গ'ল। ৰাতি বৰালিয়ে বিয়ালৈ আহি সিহঁতে নমতাৰ কাৰণ সুধিলে। তেতিয়া পুঠি আৰু দৰিকণা মাছে তপৰাই ক'লে, "তহঁত বৰ বেয়া। তহঁতৰ বহুতে আমাক য'তে ত'তে লগ পালে খাই থৰ। সেইবাবে বিয়ালৈ নামাতিলোঁ।"

কাৰ্য নং-৯

কথা পাতোঁ আহা —

ক) দীপৰ বিলত কাৰ বিয়া পাতিছিল?

খ) বাকলি নথকা মাছবোৰক কিয় বিয়ালৈ মতা নাছিল?

গ) তুমি বিয়ালৈ গ'লে কি কি খোৱা?

ঘ) তোমালোকে বাকলি নথকা মাছ দেখিছানে?

কাৰ্য নং-১০

পাঠ্যপুথিৰ ৮৪ নং পৃষ্ঠাত থকা 'বহুত বুজোৰা শব্দ প্ৰয়োগ কৰি বাক্য কেইটা পুৰোৱা' কাৰ্য।

**নিৰ্দেশনা ঃ-**

- শিক্ষকে আগদিনা পঢ়ি অহা দফাটো শিক্ষাৰ্থীক গাই গুটীয়াকৈ পঢ়িব দিব।
- শিক্ষকে তলৰ ক্ৰিয়াকলাপবোৰ কৰিবলৈ দিব।
- শিক্ষকে আগতে পাই অহা ৬-১০ টা শব্দৰ এটা বা দুটা সহজ বাক্য দিব।

## কাৰ্য নং-১১

**উত্তৰ কওঁ আৰু লিখোঁ আহা —**

(ক) কোনবোৰ মাছে আহি বিয়াৰ বাবে গোট খাইছিল ?

উত্তৰ ঃ..........................................................................................

(খ) কোন বিধ মাছক বিয়ালৈ মতা নাছিল ?

উত্তৰ ঃ..........................................................................................

(গ) বাকলি নথকা মাছবোৰক কিয় বিয়ালৈ মতা নাছিল ?

উত্তৰ ঃ..........................................................................................

## কাৰ্য নং-১২

**বাক্য সাজোঁ আহা —**

প্ৰস্তুতি → ..............................................................

ৰঙীন → ..............................................................

তপৰাই → ..............................................................

উলাহ → ..............................................................

## কাৰ্য নং-১৩

**শ্ৰুতলিপি—**

..........................................................................................

..........................................................................................

সপ্তাহ-২৫
দিন- ৫
DD/MM/YYYY

মূল্যায়ন

**নিৰ্দেশনা ঃ-**

- শিক্ষকে দফাটো শিক্ষাৰ্থীক গাই গুটীয়াকৈ পঢ়িবলৈ দিব আৰু শিক্ষাৰ্থীয়ে কিমানটা শব্দ পঢ়িব পাৰিছে আৰু কিমানটা উত্তৰ কৰিব পাৰিছে তাক কাষৰ বাকচত লিখিব।

**কাৰ্য নং-১৪**

পঢ়াঁ —

৬০

এদিন বুলবুলি চৰাই এজনীয়ে গছৰ ডালত আমন-জিমনকৈ বহি আছিল। তেনেতে এটা কাউৰী আহি তাইক সুধিলে — 'হেৰা বুলবুলি, তুমি কিয় মন মাৰি আছা?' বুলবুলিজনীয়ে তেতিয়া কান্দি কান্দি ক'লে — 'মোৰ পোৱালি দুটা আজি ৰাতিপুৱাৰে পৰা দেখা নাই। ক'লৈ গ'ল নাজানো। কাউৰীটোৰ তেতিয়া বৰ বেয়া লাগিল। তাইও চাৰিওফালে বিচাৰিব ধৰিলে। কিছু সময়ৰ পাছত কাউৰীটোৱে পোৱালি দুটা বিচাৰি পালে । তাই বুলবুলিজনীক পোৱালিকেইটা আনি ঘূৰাই দিলে।

**কাৰ্য নং-১৫**

লিখা —

ক) গছৰ ডালত কোন বহি আছিল? — ১

উত্তৰ ঃ ..........................................................................

খ) বুলবুলিজনীয়ে কিয় কান্দি আছিল? — ১

উত্তৰ ঃ ..........................................................................

গ) কাউৰীজনীয়ে পোৱালিকেইটা কিয় বিচাৰি আনি ঘূৰাই দিছিল? — ২

উত্তৰ ঃ ..........................................................................

**কাৰ্য নং-১৬**

বাক্য সাজা — ৩

কান্দোন ঃ ..........................................................................

পোৱালি ঃ ..........................................................................

থিৰাং ঃ ..........................................................................

সপ্তাহ-২৫
দিন- ৬
DD/MM/YYYY

নিদানমূলক

**নিৰ্দেশনা ঃ-**
- দফাটো শিক্ষাৰ্থীয়ে নিজে পঢ়িব আৰু প্ৰয়োজনত শিক্ষকে সহায় কৰিব।

### কাৰ্য নং-১৭

**পঢ়োঁ আহা—**

“ঐ চম্পা, ব’ল, ৰামু ককাৰ বাৰীত আম পাৰি খাওঁগৈ।” — মিনিয়ে স্কুলৰ পৰা আহিয়েই চম্পাক ক’লে। “ব’ল ব’ল, বুধুৱা আৰু ৰমেনকো লৈ যাম”— চম্পাই উত্তৰ দিলে। আবেলি সময়ত চম্পা, মিনি, বুধুৱা আৰু ৰমেন চাৰিও ৰামু ককাৰ বাৰীলৈ আম খাবলৈ ওলাল। ৰামু ককাৰ বাৰীখন পোৱাৰ আগে আগে অন্য এখন ফলৰ বাগিচাও আছে। বাগিচাখনৰ কাষেৰে পাৰ হৈ যাওঁতে সিহঁতে এজোপা গছত পকা পকা জাম দেখিলে। সিহঁতৰ লোভ লাগিল। সিহঁতে যিয়ে যিমান পাৰে জাম খালে। তেনেতে মিনিয়ে ক’লে — “ আমি আম খাবলৈহে আহিছিলোঁ। ব’ল এতিয়া, আম খাবলৈ যাওঁ।”

### কাৰ্য নং-১৮

**কওঁ আৰু লিখোঁ আহা —**

ক) চম্পাহঁতে আম পাৰি খাবলৈ ক’লৈ গৈছিল?
উত্তৰ ঃ ........................................................................

খ) ৰামু কাকাৰ বাৰীখন পোৱাৰ আগে আগে সিহঁতে কি দেখিলে?
উত্তৰ ঃ ........................................................................

গ) জামবোৰ দেখি সিহঁতৰ কেনে লাগিছিল?
উত্তৰ ঃ ........................................................................

### কাৰ্য নং-১৯

**বাগিচাৰ লগত জড়িত কেইটামান শব্দ লিখোঁ আহা —**




### কাৰ্য নং-২০

**অৰিৰিক্ত কাৰ্য —**

.....................

পুনৰালোচনা

নির্দেশনা ঃ-

- শিক্ষকে তলত দিয়া ছবিখনৰ বিষয়ে আলোচনা কৰিবলৈ আৰু দফাটোৰ শিৰোনাম সম্পৰ্কে অনুমান কৰিবলৈ দিব।
- শিক্ষকে দফা পঢ়াত শিক্ষাৰ্থীক সহায় কৰিব আৰু শব্দাৱলীৰ অৰ্থ বুজাত শিক্ষাৰ্থীক সহায় কৰিব।

কাৰ্য নং-১

পঢ়োঁ আহা—

শব্দাৱলী

চাপৰি বাৰিষা হুলস্থুল ৰাওনা
ক্ষয়-ক্ষতি আশ্ৰয় সাহায্য

মজিবুৰ আৰু আমিনা চোৱাগুৰি চাপৰি অঞ্চলত থাকে। সিহঁত দুয়ো চোৱাগুৰি প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী। সিহঁতক পঢ়ুৱাবলৈ আব্দুল ছাৰ আৰু নীলিমা বাইদেউ বহু দূৰৈৰ পৰা আহে। বাৰিষা পানী বাঢ়িলেই সিহঁতৰ স্কুল কেইবাদিনৰ বাবে বন্ধ হৈ যায়। এদিন ৰাতি সিহঁতে শুবলৈ লওঁতেই হঠাৎ “নদীৰ পানী বাঢ়িছে” বুলি হুলস্থুল শুনিবলৈ পালে। মাক-দেউতাকে লৰালৰিকৈ সিহঁতৰ লাগতিয়াল বস্তুবোৰ বান্ধিবলৈ ক'লে। সিহঁতৰ স্কুলখন ওখ ঠাইত অৱস্থিত। সেইবাবে গাঁৱৰ সকলোৱে স্কুলখনৰ ফালে ৰাওনা হ'ল। পানীয়ে সিহঁতৰ ঘৰ-বাৰী বুৰাই পেলালে। সিহঁতৰ বহু বস্তুৰ ক্ষয়-ক্ষতি হ'ল। সিহঁত সকলোৱে সেই স্কুলখনতে তিনিদিনৰ কাৰণে আশ্ৰয় ল'লে। বিভিন্ন মানুহে সাহায্য দিবলৈ আহিছিল। তিনিদিনৰ মূৰত সিহঁত ঘৰলৈ উভতিল।

কাৰ্য নং-২

কথা পাতোঁ আহা —

ক) মজিবুৰ আৰু আমিনাহঁত ক'ত থাকে?
খ) সিহঁতৰ ছাৰ আৰু বাইদেউৰ নাম কি কি?
গ) নদীৰ পানী বাঢ়োতে গাঁৱৰ মানুহবোৰে ক'ত আশ্ৰয় লৈছিল?
ঘ) তোমালোকে কেতিয়াবা বানপানী দেখিছানে?

কাৰ্য নং-৩

বাক্য সাজি লিখোঁ আহা —

বাৰিষা ঃ .............................................................................

আশ্ৰয় ঃ .............................................................................

...................

**নিৰ্দেশনা ঃ-**

- শিক্ষকে আগদিনা পঢ়ি অহা দফাটো ছাত্ৰ-ছাত্ৰীসকলক গাই গুটীয়াকৈ পঢ়িবলৈ দিব।
- তলৰ কাৰ্যবোৰ কৰিবলৈ দিব।

### কাৰ্য নং-৪

**কওঁ আৰু লিখোঁ আহা —**

ক) মজিবুৰ আৰু আমিনাৰ বিদ্যালয়খনৰ নাম কি?

উত্তৰ ঃ.................................................................

খ) সিহঁতৰ বিদ্যালয় মাজে মাজে কিয় বন্ধ হৈছিল?

উত্তৰ ঃ .................................................................

গ) নদীৰ পানী বঢ়াত মাক-দেউতাকে সিহঁতক কি কৈছিল?

উত্তৰ ঃ .................................................................

### কাৰ্য নং-৫

**"বানপানী" শব্দৰ লগত জড়িত বাক্য লিখোঁ আহা —**




### কাৰ্য নং-৬

**আখৰবোৰ ব্যৱহাৰ কৰি নতুন শব্দ লিখোঁ আহা —**

| | | | |
|---|---|---|---|
| স্প → | স্পষ্ট | | |
| ন্দ্ৰ → | কেন্দ্ৰ | | |

সপ্তাহ-২৬
দিন- ৩
DD/MM/YYYY

পুনৰালোচনা

নিৰ্দেশনা ঃ-

- শিক্ষকে তলত দিয়া ছবিখনৰ বিষয়ে আলোচনা কৰিবলৈ আৰু দফাটোৰ শিৰোনাম সম্পৰ্কে অনুমান কৰিবলৈ দিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি অহা শব্দাৰ ৬-১০ টা শব্দৰ এটা বা দুটা সহজ বাক্য দিব।

**কাৰ্য নং-৭**

**পঢ়োঁ আহা—**

**শব্দাৱলী**

বাহ, ইতিমধ্যে, খাদ্য, এহাল

এহাল কপৌ চৰাইয়ে বাহ সাজিবলৈ ঠাই বিচাৰি আছিল। তেনেতে সিহঁতৰ ধাননি পথাৰ এখনত চকু পৰিল। দুয়ো কথা পাতিলে যে সিহঁতে তাতে বাহ সাজিব। বাহ সাজি দুয়ো তাতে থাকিবলৈ ল'লে। পথাৰখনৰ ধানবোৰ লাহে লাহে পকিবলৈ ধৰিল। ইতিমধ্যে কপৌহালৰো দুটা পোৱালি হ'ল। মাইকী কপৌজনীয়ে মতা কপৌটোক ক'লে-"পথাৰৰ ধানবোৰ পকিল। আমি ইহঁতৰ বাবে আৰু দূৰলৈ খাদ্য বিচাৰি যাব নালাগে।" সেই কথা ভাবি সিহঁতৰ বৰ ভাল লাগিল।

**কাৰ্য নং-৮**

**কথা পাতোঁ আহা —**

ক) কপৌহালে ক'ত বাহ সাজিছিল?

খ) মাইকী কপৌজনীয়ে মতা কপৌটোক কি কৈছিল?

গ) চৰায়ে ক'ত বাহ সজা তুমি দেখিছা?

ঘ) তোমালোকে পকা ধানৰ খেতিপথাৰ দেখিছানে?

**কাৰ্য নং-৯**

**শ্ৰুতলিপি —**

................................................................................................

................................................................................................

..................

নিৰ্দেশনা ঃ-

● শিক্ষকে আগদিনা পঢ়ি অহা দফাটো ছাত্ৰ-ছাত্ৰীসকলক গাই গুটীয়াকৈ পঢ়িবলৈ দিব।

**কাৰ্য নং-১০**

**কওঁ আৰু লিখোঁ আহা —**

ক) ধাননিপথাৰত কোনে বাহ সাজিছিল?

উত্তৰ ঃ ................................................................

খ) পোৱালি হালক কপৌকেইটাই কি খুৱাইছিল?

উত্তৰ ঃ ................................................................

গ) কপৌহালৰ কি ভাবি ভাল লাগিছিল?

উত্তৰ ঃ ................................................................

**কাৰ্য নং-১১**

**বিপৰীত অৰ্থ বুজোৱা শব্দৰ লগত আঁচটানি মিলাওঁ আহাঁ—**

| | |
|---|---|
| আনন্দ | পোহৰ |
| ৰাতি | হাঁহি |
| আন্ধাৰ | বিষাদ |
| কান্দোন | দিন |

**কাৰ্য নং-১২**

**পঢ়োঁ আহা —**

| | | | | |
|---|---|---|---|---|
| শান্ত | স্ফটিক | দূৰদৰ্শন | আবিষ্কাৰ | দুষ্ট |
| শুদ্ধ | বস্তু | স্নেহ | কাঞ্চন | নিম্ন |

**নিৰ্দেশনা ঃ-**
- শিক্ষাৰ্থীক তলৰ কাৰ্যবোৰ কৰিবলৈ দিব।

### কাৰ্য নং-১৩

**পঢ়োঁ আহা—**

ধৃতিয়ে চাহৰ বাটিটো লৈ বাহিৰলৈ চাই আছিল। তাই লক্ষ্য কৰিলে যে মানুহবোৰ ওচৰৰ বিদ্যালয় প্ৰাংগনত গোট খাইছে। তাইৰ বন্ধু বিশ্বজিতো লৰা-লৰিকৈ বিদ্যালয়ৰ ফালে গৈ আছিল। তাই চিঞৰি সুধিলে- "ঐ বিশ্বজিৎ দৌৰা-দৌৰিকৈ ক'লৈ যাৱ? " তেতিয়া সি উত্তৰ দিলে - " বিদ্যালয়ৰ প্ৰাংগনত যাদু খেল দেখুওৱা মানুহ আহিছে। কিছু সময় পাছতে হেনো যাদু দেখুৱাব। যাদু চাবৰ মন আছে যদি আহ সোনকালে। " তাই যাদুখেলৰ নাম শুনাৰ লগে লগে চাহৰ বাটিটো এৰি থৈ দৌৰি আহিল। দুয়ো চাইকেলত উঠি বিদ্যালয়লৈ গ'ল। যাদুকৰজনে নানা যাদু খেল দেখুৱালে। খেল দেখি সকলোৱে বৰ আনন্দ পালে।

### কাৰ্য নং-১৪

**কওঁ আৰু লিখোঁ আহা—**

ক) ধৃতিয়ে চাহৰ বাটিটো লৈ কি কৰি আছিল ?
উত্তৰ ঃ ..................................................................................

খ) বিশ্বজিৎ আৰু ধৃতিয়ে বিদ্যালয়লৈ কিহেৰে গৈছিল?
উত্তৰ ঃ ..................................................................................

গ) যাদুকৰ জনে কি দেখুৱাইছিল?
উত্তৰ ঃ ..................................................................................

ঘ) তুমি কেতিয়াবা যাদুখেল দেখিছানে?
উত্তৰ ঃ ..................................................................................

### কাৰ্য নং-১৫

**পৃষ্ঠা নং ৮৫ ৰ 'কেনেকুৱা শব্দ হয়' কাৰ্যটো কৰোঁ আহা।**

..................

সপ্তাহ-২৬
দিন- ৬
DD/MM/YYYY

নিদানমূলক

নিৰ্দেশনা ঃ-
- শিক্ষকে তলৰ কাৰ্যবোৰ কৰাব।
- শিক্ষকে শিক্ষাৰ্থীৰ শিকন স্তৰৰ ভিত্তিত অতিৰিক্ত কাৰ্য কৰাব।

## কাৰ্য নং-১৬

পঢ়োঁ আহা—

| | | | |
|---|---|---|---|
| বন্য | প্ৰশ্ন | সপ্তাহ | উদ্ধাৰ |
| কাঞ্চনজংঘা | অক্ষয় | পল্টন | আগন্তুক |
| | স্পৰ্শ | উদ্ভিদ | |

## কাৰ্য নং-১৭

বাক্য লিখোঁ আহা —

আশ্ৰয় ঃ ............................................................................

ভ্ৰমন ঃ ............................................................................

উৎসৱ ঃ ............................................................................

## কাৰ্য নং-১৮

অতিৰিক্ত কাৰ্য —

১



নিপুণ অসম
NIPUN BHARAT
FOUNDATIONAL LITERACY & NUMERACY (FLN)

প্ৰস্তুতকৰণ
ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম
সমগ্ৰ শিক্ষা, অসমৰ সহযোগত

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৰে পঢ়োঁ, সকলোৰে আগবাঢ়োঁ